'হে আমাৰ বেহেস্তী পিতৃ,
তোমাৰ নাম পবিত্ৰ বুলি মান্য হওঁক।
তোমাৰ ৰাজ্য হওঁক।
তোমাৰ ইচ্ছা যেনেকৈ বেহেস্তত,
তেনেকৈ পৃথিৱীতো পূৰ্ণ হওঁক।
আমাৰ প্ৰয়োজনীয় আহাৰ
আজি আমাক দিয়া।
আমাৰ ধৰুৱাহঁতক আমি যেনেকৈ
ক্ষমা কৰিলো, তেনেকৈ আমাৰো ধাৰ
ক্ষমা কৰা।
আমাক পৰীক্ষালৈ নিনিবা,
বৰঞ্চ চয়তানৰ কবলৰ পৰা আমাক
ৰক্ষা কৰা।'
কিয়নো ৰাজ্য, মহা শক্তি ও মহিমা যুগে
যুগে কেৱল তোমাৰ। আমিন।
**(মথি ৬:৯-১৫ পদ)**

# মছীহৰ জীৱনী



**তৃতীয় খণ্ড**

**তেওঁৰ ক্ষমতা আৰু শিক্ষা**

**জৰ্জ ফোৰ্ড**

PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# মছীহৰ জীৱনী
(তৃতীয় খণ্ড)

## তেওঁৰ ক্ষমতা আৰু শিক্ষা

জৰ্জ ফোৰ্ড

*দ্বাৰ-উল-মছীহ*
ডাক বাচক নং: ২৩৪
গুৱাহাটী-৭৮১ ০০১, অসম।





PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# তেওঁৰ ক্ষমতা আৰু শিক্ষা

Assamese Translation of "The Life of Christ (Book-III) His Authority And Teachings." A detail biography of Jesus Christ. This book was originally in Arabic which is translated into English by George Ford and published by 'Call of Hope, Stuttgart, Germany. The same is translated into Assamese by Mr. Mridul Das and Mrs. Probhamoni Das, edited by Khursheed Alam and published by ***'Dar-Ul-Masih'***, Guwahati-1, Price Rs. 25/- Only.

@ Call of Hope
P.O. Box No: 100 827
7000 Stuttgart 10. W. Germany.

প্ৰথম অসমীয়া প্ৰকাশ: এপ্ৰিল, ২০১১
*দাৰ-উল-মছীহ*
ডাক বাকচ নং : ২৩৪
গুৱাহাটী-৭৮১ ০০১, অসম।

মুদ্ৰণ: **১০০০** কপি।

দাম: ২৫/ টকা মাত্ৰ।

Printed at **ComPress**, Ambari,Guwahati-1

বিঃ দ্ৰঃ কোৰাণ শ্বৰীফৰ অসমীয়া উদ্ধৃতিসমূহ "অসমীয়া ইছলামী সাহিত্য প্ৰকাশন সমিতি, হেদায়েতপুৰ, গুৱাহাটী-৩"ৰ পৰা প্ৰকাশিত, অধ্যাপক ছৈয়দ ছামচুল হুদা (এম· এ·) অনুদিত "কোৰাণ বোধ"ৰ পৰা লোৱা হৈছে।



সূচীপত্ৰ

পৃষ্ঠা

এক ঃ এজন কুষ্ঠৰোগীক সুস্থ কৰা ৫

দুই ঃ কফৰনাহুমত দুটা আচৰিত কৰ্ম্ম
আচৰিত ভাবে মাছ ধৰা ২৫

তিনি ঃ ঈছা মছীহই মথিক আহ্বান কৰিলে

চাৰি ঃ বৈথেচ'দা পুখুৰীৰ ওচৰত
এজন বেমাৰীক সুস্থ কৰা ৪৫

পাঁচ ঃ ৰোজাৰ বিষয়ে দিয়া ঈছা মছীহৰ শিক্ষা ৫৩

ছয় ঃ জুম্মাবাৰৰ বিষয়ে ঈছা মছহীৰ শিক্ষা ৬৪

সাত ঃ ঈছা মছীহই চাহাবী মনোনীত কৰা ৮২

আঠ ঃ পৰ্ব্বতত দিয়া উপদেশ ৯২

ন ঃ এজন ৰোমীয় সেনাপতিৰ গোলামক সুস্থ কৰা ৯৬

দহ ঃ এজন মৃত যুবকক
ঈছা মছীহই জীৱন দিয়া ১০১

এঘাৰ ঃ অভীক্ষা ১১০



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

হে পৰিশ্ৰান্ত আৰু ভাৰাক্ৰান্ত লোকসকল, মোৰ ওচৰলৈ আহঁা মই তোমালোকক জিৰণি দিম।

মই নম্ৰ আৰু কোমল চিত্তৰ মানুহ। এই হেতুকে তোমলোকৰ ওপৰত মোৰ যুৱলি লোৱ, আৰু মোৰ পৰা শিক্ষা লোৱা; তাতে তোমালোকে নিজৰ নিজৰ মনত জিৰণি পাবা। কিয়নো মোৰ যুৱলি সুসহ্য আৰু ভাৰো লঘু।

**(মথি ১১:২৮-৩০ পদ)**



## এক
## এজন কুষ্ঠৰোগীক সুস্থ কৰা

পিছত এজন কুষ্ঠৰোগীয়ে ঈছাৰ ওচৰলৈ আহি তেওঁৰ সন্মুখত আঠু কাঢ়ি ক'লে, "আপুনি ইচ্ছা কৰিলে মোক ভাল কৰিব পাৰে।" মানুহজনৰ ওপৰত ঈছাৰ দয়া উপজিল। তেওঁ হাত আগবঢ়াই মানুহজনক স্পৰ্শ কৰি ক'লে, "মই সেয়াই বিচাৰো, তুমি ভাল হোৱা।" লগে লগেই তেওঁ ভালহৈ গল।

তেতিয়া ঈছাই তেওঁক বিদায় দিলে, কিন্তু যোৱাৰ আগতে অতি কঠোৰ নিৰ্দেশ দি তেওঁক ক'লে, "শুনা, এই কথা কাকো নকবা। বৰঞ্চ ইমামৰ ওচৰলৈ গৈ নিজকে দেখুওৱা, আৰু পাক-পৱিত্ৰ হোৱাৰ বিষয়ে মুছা যি কোৰবানী কৰিবলৈ হুকুম দিছে সেয়া কোৰবানী দিয়া। ইয়াতে ইমাম সকলৰ মাজত প্ৰমাণ হব যে তুমি ভাল হৈছা।" কিন্তু মানুহজনে তাৰ পৰা গৈ সকলো ঠাইত এই খবৰ প্ৰচাৰ কৰিব ধৰিলে। তাৰ ফলস্বৰূপে ঈছাই প্ৰকাশ্যভাবে কোনো গাৱলৈ যাব নোৱাৰিলে। তেওঁক নিৰ্জন ঠাইতে থাকিব লগা হল; তথাপিও সকলো ঠাইৰ পৰা মানুহ তেওঁৰ ওচৰলৈ আহিব ধৰিলে।" (মাৰ্ক ১ঃ৪০-৪৫ আয়াত)

ঈছা মছীহই বহুতো কুষ্ঠৰোগীক ভাল কৰিছিল। আগৰ দিনবোৰত এই বেমাৰটোক পাপ আৰু অশুচিতাৰ চিহ্ন বুলি বিবেচনা কৰা হৈছিল। কুষ্ঠ ৰোগৰ পৰা সুস্থ হোৱাৰ পৰিভাষাটো আছিল "পবিত্ৰ হোৱা" যাৰ অৰ্থ এইবুলি বিবেচনা কৰা হৈছিল যে, ই এবিধ দুৰাৰোগ্য



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ব্যাধি, যি পাপীৰ বিৰুদ্ধে আল্লাহৰ বিচাৰস্বৰূপ। ইহুদীসকলৰ চিকিৎসা বিষয়ক কিতাপ পত্ৰ অধ্যয়ন কৰিলে, একমাত্ৰ কুষ্ঠৰোগৰ বাহিৰে বহুতো বেমাৰৰ চিকিৎসাৰ কথা দেখিবলৈ পোৱা যায়, কাৰণ ভবা হৈছিল, আল্লাহৰ তৰফৰ পৰা কোনো ধৰণৰ অলৌকিক কাৰ্য্যৰ দ্বাৰাইহে এই বেমাৰক সুস্থ কৰা সম্ভৱ। নবী ইলিয়াছৰ সময়ত চিৰীয় নামানৰ সুস্থ হোৱা সম্বন্ধে যিহোৰামৰ উক্তিৰ পৰা সু-স্পষ্ট প্ৰমাণ পোৱা যায় (২য় বাদছাহনামা ৫ঃ৭ আয়াত)। নিয়ম মতে এজন কুষ্ঠৰোগীয়ে লোকসকলক এৰাই চলিব লাগিছিল, এনেকি তেওঁৰ নিজৰ পৰিয়ালৰ লোকসকলোকো। কোনো চহৰলৈ যোৱাৰ দুঃসাহস কৰিলে তেওঁক চল্লিছটাকৈ বেত্ৰাঘাত কৰা হৈছিল। প্ৰকৃততে এজন কুষ্ঠৰোগীক মৃতব্যক্তি বুলি বিবেচনা কৰা হৈছিল আৰু যিজনে তেওঁক স্পৰ্শ কৰিছিল তেৰোঁ অপৱিত্ৰ হৈছিল। শোক প্ৰকাশ কৰাৰ বহুতো নিয়ম আছিল, যেনেকৈ পৰিধান কৰা কাপোৰ ফালি পেলোৱা, মূৰ খুৰাই পেলোৱা, মুখ-মণ্ডল ঢাকি ৰখা, গা-নুধুৱাকৈ থকা ইত্যাদি তেওঁক পালন কৰিবলৈ আদেশ কৰা হৈছিল। তেওঁৰ উপস্থিতি সম্পৰ্কে আনক সতৰ্ক কৰাৰ কাৰণে "অপবিত্ৰ, অপবিত্ৰ" বুলি তেওঁক চিঞৰিব লগা হৈছিল। যেতিয়া কোনো কুষ্ঠ ৰোগীয়ে সুস্থ হৈছিল তেতিয়া তেওঁৰ আৰোগ্যৰ সত্যতাৰ প্ৰমাণ হিচাপে ইমামৰ পৰা এটা প্ৰমাণ পত্ৰ লব লাগিছিল।

এদিন ঈছা মছীহ এটি চহৰত আছিল। এজন কুষ্ঠৰোগীয়ে তেওঁৰ ওচৰলৈ আহিল, যদিও কুষ্ঠৰোগীসকলৰ কাৰণে আনৰ ওচৰলৈ যোৱাটো নিষেধ আছিল। আমি ভাবিব পাৰো যে, অপবিত্ৰ হোৱাৰ ভয়ত



মানুহবোৰে ইফালে সিফালে আঁতৰি গৈছিল। তাৰ অৱস্থা নিশ্চয় বৰ কৰুণ আছিল। আমি তেওঁৰ অনাবৃত তপামূৰটো কল্পনা কৰিব পাৰো; তেওঁ পৰিধান কৰা সাচঁ-পোচাক আছিল তেনেই জৰাজীৰ্ণ; আৰু ক্ৰমবৰ্ধমান বেমাৰৰ আক্ৰমণৰ কাৰণে তেওঁৰ কৰ্কশ মাত। ঈঞ্জিলৰ প্ৰচাৰক লূকে কয়, তেওঁৰ গোটেই শৰীৰ আছিল কুষ্ঠৰোগেৰে ভৰা আৰু সেই হেতুকে তেওঁক বীভৎস দেখা গৈছিল। তেওঁৰ নাক, কান, ওঠ দুটি আৰু চকুৰ ভুকুৰ অংশ যথাসম্ভৱ খহি পৰিছিল; আৰু তেওঁ "অপবিত্ৰ অপবিত্ৰ" বুলি চিঞৰিছিল। তেওঁ ঈছা মছীহক দেখা পাই তেওঁৰ সন্মুখত আঠু কাঢ়িছিল।

বাহ্যিক বিচাৰত নিঃসন্দেহে তেওঁ আছিল অভিশপ্ত। কিন্তু আত্মিকভাৱে তেওঁ আছিল ভাগ্যবান, কাৰণ খোদাৰ ৰূহ ঈছা মছীহৰ ওচৰত তেওঁক অৱনত হবলৈ অনুপ্ৰানিত কৰিছিল যিজনক তেওঁ প্ৰভু বুলি সম্বোধন কৰিছিল। এই কুষ্ঠৰোগীৰ আগতে যিসকলে মছীহৰ সন্মুখত মূৰ নত কৰিছিল, সিহঁত আছিল পাত্ৰত শুৱাই থোৱা ঈছা মছীহৰ আগত অৱনত পণ্ডিতসকল। এইজন কুষ্ঠৰোগীৰ আদৰ্শ অনুসৰণ কৰি, বিভিন্ন জাতিৰ শত-সহস্ৰ মানুহ মছীহৰ ওচৰলৈ মূৰ নত কৰি আহিছে।

আমি এতিয়াও তেওঁৰ সেই অধিকাৰপূৰ্ণ কথাষাৰ স্মৰণ কৰিব পাৰো যেতিয়া তেওঁ চয়তানক এইবুলি ধমকি দিছিল, "পাক-কিতাপত লিখা আছে–'প্ৰভু, যিজন তোমাৰ প্ৰতিপালক, অকল তেওঁকেই তুমি ছিজদা কৰিবা, কেৱল তাৰেই সেৱা কৰিবা'।" এই ছিজদা ঈছা মছীহে কেনেকৈ গ্ৰহণ কৰিলে? ঈছা মছীহৰ ৰছুলসকলেও, আনকি ফিৰিস্তাসকলেও সিহঁতক ছিজদা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰাৰ পৰা মানুহবোৰক বিৰত ৰাখিছিল কিয়নো সেয়া নিষিদ্ধ আছিল। সিহঁত যে মছীহৰ পৰা সম্পূৰ্ণৰূপে ভিন্ন আছিল সেইটো তেওঁলোকে জানিছিল, আৰু কেৱলমাত্ৰ যিজন সন্মান পোৱাৰ যোগ্য সেই খোদাৰ বেহেস্তী অধিকাৰ সম্বন্ধে সিহঁত ঈৰ্ষান্বিত নাছিল। কিন্তু ঈছা মছীহৰ বেহেস্তী অধিকাৰ আছিল; সেয়ে ঈছা মছীহক সেই কুষ্ঠৰোগীৰ ছিজদা গ্ৰহণ কৰিবলৈ প্ৰবৃত্ত কৰিছিল।

এই কুষ্ঠৰোগৰ কাহিনীয়ে আমাৰ বিস্ময়ত হতবাক কৰি তোলে। তেওঁৰ অন্তৰত কেনেকৈ বিশ্বাসৰ জন্ম হৈছিল? ঈছা মছীহৰ সহায় প্ৰত্যাশী আন সকলোৱেই কৈছিল, "...যদি আমাৰ কোনো ধৰণৰ উপকাৰ কৰিব পাৰে· তেতিয়াহলে দয়া কৰি সেইটো কৰক" (মাৰ্ক ৯ঃ২২)। তেওঁলোকৰ শাৰিৰীক বেমাৰ প্ৰায় সুস্থ হোৱা স্বত্বেও তেওঁলোকে এই কথা কৈছিল। আৰু এইজন কুষ্ঠৰোগী যিজনক আৰোগ্যাতীত ভাবে অসুস্থ বুলি বিবেচনা কৰা হৈছিল, তেওঁ কৈছিল, "আপুনি ইচ্ছা কৰিলেই মোক ভাল কৰিব পাৰে।" এই কথাবিলাকৰ জৰিয়তে কুষ্ঠৰোগীজনে বিশ্বাস প্ৰকাশ কৰিছিল যে, ঈছা মছীহই তেওঁক সুস্থ কৰিবলৈ সমৰ্থ–যি কামটো কৰাৰ সামৰ্থ একমাত্ৰ আল্লাহৰ ওপৰতেই আৰোপ কৰা সম্ভৱ আছিল। এই কুষ্ঠ ৰোগীজন আছিল অতিকৈ বিনম্ৰ; ঈছা মছীহৰ ওচৰত তেওঁ সুস্থতাৰ দাবী কৰা নাই। 'সুস্থতা' অতিকৈ প্ৰয়োজন হোৱা স্বত্বেও তেওঁ ঈছা মছীহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিছিল আৰু তেওঁৰ এই নম্ৰতা ও বিশ্বাসৰ কাৰণেই ঈছা মছীহৰ পৰা তেওঁ সন্মান পোৱাৰ যোগ্য হৈছিল।

কুষ্ঠৰোগীজনৰ পোনপটীয়া বিশ্বাসৰ কাৰণেই ঈছা



মছীহে তেওঁক সুস্থ কৰিবলৈ পলম কৰা নাছিল। লগে লগেই তেওঁ ৰোগীজনক আশ্বাস দিলে যে, তেওঁ তেওঁৰ সুস্থতা উভতাই দিবলৈ ইচ্ছুক। গুনাহৰ পৰা মুক্তি পোৱাৰ বাবে বিশ্বাসীসকলে অনুৰোধ কৰিলে ঈছা মছীহ কেতিয়াও পলম নকৰে; ক্ষমাৰ যোগেদি লগে লগেই তেওঁ নাজাত কবুল কৰে। তেওঁৰ অনুৰোধৰ প্ৰতি মাথো যান্ত্ৰিক উত্তৰ প্ৰতিক্ৰিয়াৰ পৰা ঈছা মছীহে তেওঁক সুস্থ কৰিবলৈ ওলোৱা নাই কাৰণ তেওঁ তেনেকুৱা নহয়। খ্যাতিমান হোৱাৰ উদ্দেশ্যৰেও তেওঁ সেয়া কৰা নাছিল। কিয়নো তেখেতে তেওঁৰ সুস্থতাৰ বিষয়ে কাকো কবলৈ নিষেধ কৰিছিল। অতিকৈ দয়ালুহে ঈছা মছীহই এই আচৰ্য্যজনক কামটো কৰিছিল, কাৰণ মানুহজনৰ প্ৰতি তাৰ কৰুণাৰ উদ্ৰেক হৈছিল; তেওঁ কৰুণাবিশিষ্ট হৈছিল। তেখেঁতে তেওঁৰ হাত আগবঢ়াই দি তেওঁক স্পৰ্শ কৰিছিল।

ঈছা মছীহই তেওঁক স্পৰ্শ কৰি এই কথাই ঘোষণা কৰিছিল যে, প্ৰেমময় আল্লাহ তায়ালাই, বছৰৰ পিছত বছৰ ধৰি নিজ পৰিয়ালৰ পৰা বিচ্ছিন্ন হৈ থকা আৰু ভয়াবহ ৰোগ ভোগ কৰাৰ পিছত লোকজনক তাৰ আঁচৰিত বিশ্বাসৰ কাৰণে পুৰুস্কৃত কৰিছে। মছীহই তেওঁৰ স্পৰ্শৰে তেওঁক শান্তনা দিছিল। মছীহই যেতিয়া তেওঁৰ মূৰত হাত ৰাখি এই কথা কৈছিল, "মই সেয়াই বিচাৰো, তুমি সুস্থ হোৱা।" তেতিয়া মানুজনৰ হৃদয়ত কিমান আনন্দেৰে ভৰি উঠিছিল সেয়া আমি কল্পনা কৰিব নোৱাৰো। এই কথাবিলাকেই তেওঁৰ সু-স্বাস্থ্য উভতাই দিছিল আৰু তেওঁক নতুনকৈ গঢ়ি তুলিছিল (হৃদয়ত তথা দেহৰ বাহিৰত)।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তেওঁ ধৰ্ম্মীয় আনুষ্ঠানিকতাতকৈ প্ৰেমৰ শ্ৰেষ্ঠতাক গুৰুত্ব দিছিল। তেখেঁতে কৈছে, "ৰহমততহে মই সন্তুষ্ট, পশু কোৰবানীত নহয়" (মথি ১২ঃ৭)। গুনাহৰ চুড়ান্ত কাফ্ফাৰা হিচাপে কোৰবানীৰ বাবে মানুহ ৰূপে খোদাবন্দ ঈছা মছীহ অবতীৰ্ণ হৈছিল। কুষ্ঠ ৰোগীজনক স্পৰ্শ কৰাৰ মাজেদি ঈছা মছীহে তেওঁৰ মূল্য দি নাজাতৰ কামৰ পূৰ্ব্বাভাস দিছিল, যি ২ কৰিন্থীয় ৫ঃ২১ আয়াতত লিপিবদ্ধ আছে-*"ঈছা মছীহৰ মাজত কোনো গুনাহ নাছিল; কিন্তু আল্লাহ তায়ালাই আমাৰ গুনাহ তেওঁৰ ওপৰত জাপি দি তেওঁকেই গুনাহৰ ঠাইত থিয় কৰালে যাতে মছীহৰ লগত যুক্ত থকাৰ ফলত আল্লাহৰ নিৰ্দোষিতা আমাৰ নিৰ্দোষীতা হয়।"*

কুষ্ঠৰোগীজনৰ সুস্থতেওঁৰ কথা প্ৰকাশ পালে হব লগা অসুবিধাৰ বিষয়ে ঈছা মছীহই জানিছিল, কিন্তু সুস্থ হোৱা মানহুজন ইমানেই উৎসাহিত আছিল যে, তেওঁ সকলোকে কবলৈ ইচ্ছা কৰিছিল। ঈছা মছীহই তেওঁক কৈছিল, "চোৱা, এই কথা কাকো নকবা।" তেওঁ কুষ্ঠৰোগীজনক স্পৰ্শ কৰি অপবিত্ৰ হোৱা বুলি জনসাধাৰণে ভাবক, সেয়া ঈছা মছীহই বিচৰা নাই। কাৰণ সেইটোৱে তেওঁৰ প্ৰচাৰ কাৰ্য্য আৰু শিক্ষাদানৰ গুৰুত্বপূৰ্ণ কামত হস্তক্ষেপ কৰিছিল। জন ক্ৰাইছোষ্টম নামৰ এজন পালকে কৈছে যে, ঈছা মছীহই সুস্থ হোৱা লোকসকলক নিৰৱ আৰু শ্ৰদ্ধাশীল থকাটো বিচাৰিছিল। তেওঁৰ ইচ্ছা আছিল, যেন তেওঁলোকে তেওঁলোকৰ প্ৰতি আল্লাহৰ দয়াৰ কথা সোৱঁৰন কৰে আৰু অহংকাৰৰ প্ৰৰোচনাত নপৰে। যি ঘটিছে তেওঁৰ দ্বাৰা প্ৰভাবিত বহুলোক লোক খ্যাতিৰ কাৰণে সচেষ্ট হোৱাটোও তেওঁ



বিচৰা নাই।

ঈছা মছীহই মানুহজনক এটা আদেশ দিছিল, "...ইমামৰ ওচৰলৈ গৈ নিজকে দেখুওৱা।" মূছাৰ শ্বৰীয়তৰ প্ৰতি অনুগত হোৱা প্ৰতিজন বনি-ইজৰাইলৰ অৱশ্য কৰ্তব্যই আছিল, আনকি ঈছা মছীহই বিচাৰিছিল যেন মানুহজনে সুস্থ্যতাৰ সত্যতা প্ৰতিপন্ন কৰিবলৈ জেৰুজালেমৰ ইমামৰ ওচৰলৈ যায়। তেওঁৰ পবিত্ৰ হোৱাটো এজন ইমামৰ দ্বাৰা সত্যতা প্ৰতিপন্নই তেওঁক তেওঁৰ লোক সকলৰ ওচৰলৈ উভতি যোৱাটো সম্ভৱ কৰি তুলিব। এনেকুৱা ধৰণৰ প্ৰমান-পত্ৰ পোৱাটো সহজ নাছিল, কিন্তু সেইটো প্ৰয়োজন আছিল। ঈছা মছীহই বিচৰা নাই যে সুস্থ হোৱা কুষ্ঠৰোগীজনে তেওঁৰ অলৌকিক সুস্থতাৰ কথা আনক কওক, কাৰণ তাক কোনে সুস্থ কৰিছে সেই কথাটো ইমামসকলে জানিব পাৰিলে তাক প্ৰমানপত্ৰ দিবলৈ অস্বীকাৰ কৰিব পাৰে; যিহেতু ইমামসকলে মছীহক ঘৃণা কৰিছিল।

সুস্থ হোৱা কুষ্ঠৰোগীজনে ঈছা মছীহৰ কথা অমান্য কৰিছিল আৰু তেওঁৰ সুস্থ হোৱাৰ কথা আন লোকসকলৰ ওচৰত কৈ দিছিল। ইয়াৰ ফলস্বৰূপে বহুতো লোক ঈছাৰ চাৰিওপিনে জুম বান্ধিছিল আৰু তেওঁৰ বাবেই নিৰৱতাৰ সৈতে তেওঁৰ পিতৃৰ লগত যোগাযোগৰ কাৰণে তেওঁক মৰুপ্ৰান্তত যাব লগা হৈছিল। লূকে লিখিছে, *"তথাপি ঈছাৰ কথা আৰু বিয়পি পৰিল। তেওঁৰ কথা শুনিবলৈ আৰু বিভিন্ন বেমাৰৰ পৰা সুস্থ হবলৈ বহুতো লোক তেওঁৰ ওচৰলৈ আহিব ধৰিলে। ঈছা প্ৰায়েই নিৰ্জন ঠাইলৈ গৈ মুনাজত কৰিছিল"* (লূক ৫ঃ১৫-১৬)।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

প্ৰিয় পাঠক/পাঠিকা,

অতিকৈ উৎসাহিত হোৱাৰ ফলতেই মানুহজনে ঈছা মছীহৰ অবাধ্য হৈছিল আৰু ইয়াৰ ফলটো মছীহৰ পৰিচৰ্য্যাৰ কাৰণে ক্ষতিকৰ হৈছিল। ঈছা মছীহৰ আদেশৰ প্ৰতি তেওঁৰ অনুগত হোৱাটো উচিত আছিল। অনুগ্ৰহ পূৰ্ব্বক আমাক গুনাহৰ পৰা উদ্ধাৰ কৰাৰ কাৰণে তেওঁৰ আদেশ সমূহৰ প্ৰতি বাধ্য আৰু অনুগত হোৱাৰ মাজেৰে মছীহৰ প্ৰতি আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰা আৱশ্যক।



# দুই

## কফৰনাহুমত দুটা আচৰিত কৰ্ম্ম

### আচৰিত ভাবে মাছ ধৰা

এসময়ত ঈছাই গিনিছাৰেৎ সাগৰৰ পাৰত থিয় দি আছিল। লোকসমূহে আল্লাহৰ কালাম শুনিবলৈ তেওঁৰ চাৰিওপিনে ঠেলা-হেঁচা কৰি আছিল। এই সময়ত সাগৰৰ পাৰত তেওঁ দুটা নাও দেখিবলৈ পালে। মাছমৰীয়াসকলে নাওৰ পৰা নামি তেওঁলোকৰ জালবোৰ ধুই আছিল। তেতিয়া ঈছাই ছিমোনৰ নাওত উঠিল আৰু তেওঁক নাওখন পাৰৰ পৰা অলপ দূৰলৈ নিবলৈ ক'লে। তেখেতে নাওত বহি শিক্ষা দিব ধৰিলে। কথা শেষ কৰাৰ পিছত ঈছাই ছিমোনক ক'লে, "গভীৰ পানীত গৈ মাছ ধৰাৰ কাৰণে তোমালোকৰ জাল পেলোৱা।" ছিমোনে ক'লে, "হুজুৰ গোটেই ৰাতি কঠোৰ পৰিশ্ৰম কৰিও একোৱে ধৰিব পৰা নাই; তথাপি আপোনাৰ কথাত আমি আমি জাল পেলাম।"

জাল পেলোৱাৰ পিছত তাত ইমান মাছ ধৰিল যে, তেওঁলোকৰ জাল ছিঙি যোৱাৰ উপক্ৰম হ'ল। তেতিয়া তেওঁলোকে সহায়ৰ কাৰণে আন নাওৰ মাছমৰীয়াবোৰক হাত বাউলি মাতিলে। তেওঁলোকে আহি দুয়োটা নাওত ইমান মাছ ভৰ্ত্তি কৰিলে যে, নাওবোৰ প্ৰায় ডুবি যোৱাৰ উপক্ৰম হ'ল। এয়া চাই ছিমোন-পিতৰে ঈছাৰ সন্মুখত উবুৰি পৰি ক'লে, "হুজুৰ আমি পাপী, আমাৰ পৰা আপুনি পৰা আতৰি যাওক।" ইমান মাছ ধৰা পৰা দেখি ছিমোন-পিতৰ আৰু তেওঁৰ সংগীসকলে আচৰিত হল। ছিমোনৰ ব্যৱসায়ৰ ভাগীদাৰ ছিবদিয়েৰ দুই পুতেক ইয়াকুব আৰু ইউহোন্নাও আচৰিত হল। তেতিয়া ঈছাই ছিমোনক ক'লে,



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

"ভয় নকৰিবা; এতিয়াৰ পৰা তুমি আল্লাহৰ কাৰণে মানুহ ধৰিবা।" তেওঁৰ পিছত তেওঁলোকেনাওঁবোৰ পাৰলৈ আনিলে আৰু সকলো এৰি ঈছাৰ লগত যাব ধৰিলে" (লূক ৫ঃ১-১১)।

পিতৰ, ইয়াকুব আৰু ইউহোন্নাই মাছ ধৰাৰ কাৰণে গোটেই ৰাতি অযথা সময় নষ্ট কৰিছিল। ৰাতিপুৱা খালী হাতেৰে উভতি আহি তেওঁলোকে তেওঁলোকৰ জালসমূহ ধুই আছিল। তেতিয়াই ঈছা আহিল আৰু তেওঁৰ চাৰিওপাশে সাগৰৰ পাৰত বহুতো লোক আল্লাহৰ কালাম শুনিবলৈ একগোট হ'ল। তেখেতে এখন নাওত উঠিল আৰু তেওঁৰ উম্মত পিতৰক নাওখন পাৰৰ পৰা অলপ দূৰলৈ নিবলৈ ক'লে। উপদেশ শেষ কৰাৰ পিছত ঈছা মছীহে তেওঁৰ উম্মত পিতৰক, নাওখন গভীৰ পানীলৈ লৈ গৈ, মাছ ধৰাৰ কাৰণে জাল পেলাবলৈ ক'লে। পিতৰৰ ওচৰত সেয়া কোনো গুৰুত্বপূৰ্ণ কথা বুলি ধাৰণা হোৱা নাই। তেওঁ কেৱলমাত্ৰ তেওঁৰ জাল ধুই আছিল আৰু অহা ৰাতিৰ কাৰণে সেইটো প্ৰস্তুত কৰি আছিল। এতিয়া যদি তেওঁ জাল পেলাই নিস্ফল হবলগীয়া হয় তেতিয়াহলে তেওঁৰ সকলো প্ৰচেষ্টাই বিফল পৰিশ্ৰম হব আৰু জালবোৰো তেওঁৰ আকৌ ধুব লাগিব। পিতৰ আছিল এজন অভিজ্ঞ মাছমৰীয়া আনফালে ঈছা মছীহ আছিল এজন কাঠমিস্ত্ৰী। কেনেকৈ মাছ ধৰিব লাগে সেই বিষয়ে মাছমৰীয়া এজনে কাঠমিস্ত্ৰিৰ হুকুম কিয় মানি লব? পিতৰৰ ইতিমধ্যেই জানছিল যে, সেই অঞ্চলত কোনো মাছ নাছিল। প্ৰথমে তেওঁ অলপ সংকোচবোধ কৰিছিল, তেওঁৰ পিছতে তেওঁ ঈছা মছীহৰ বাধ্য হৈছিল। অতি সোনকালেই তেওঁৰ বাধ্যতাৰ পুৰুস্কাৰ পালে। তেওঁৰ নাওঁ আৰু ইয়াকুব ও



ইউহোন্নাৰ নাৱো ইমানবোৰ মাছেৰে পৰিপূৰ্ণ হৈছিল যে সেই নাওঁ দুখন ডুব যোৱাৰ নিচিনা হৈছিল। আনবিলাকৰ লগত উম্মতসকলেও ইমান মাছ ধৰা দেখি আচৰিত হৈছিল। পিতৰে ইমানেই বিমূঢ়ত পৰিছিল যে, তেওঁ ঈছা মছীহৰ ভৰিত পৰি কৈছিল, "প্ৰভু, মই গুনাহাগাৰ, মোৰ ওচৰৰ পৰা আপুনি আতৰি যাওক।" প্ৰথমতে পিতৰে ঈছাৰ বাধ্য হবলৈ অস্বীকাৰ কৰাৰ কাৰণে বিহ্বল হৈ পৰিছিল আৰু তেওঁৰ কাৰণেই পিতৰে এই কথা কৈছিল বুলি আমি ধৰি লব পাৰো। মছীহৰ পবিত্ৰতা আৰু গৌৰৱৰ কিছু পৰিমান উপলব্দি কৰাৰ আৰম্ভণিতেই তেওঁ ভয়াতুৰ হৈ পৰিছিল। যিজন তেওঁৰ সকলো দুৰ্ব্বলতা জানে সেইজন মছীহ, তেওঁৰ নাওত তেওঁৰ লগতেই আছিল। পবিত্ৰ গৰাকীৰ উপস্থিতিত কোনো গুনাহগাৰেই ভয়াতুৰ নহৈ থিয় দিব নোৱাৰে। ঈছা মছীহই পিতৰৰ হৃদয় জানিছিল বুলিয়ে পিতৰে কোৱা- "আমাৰ পৰা আপুনি আতৰি যাওক" ৰ কাৰণে তেখেতে পিতৰক তিৰস্কাৰ কৰা নাই। পিতৰৰ আন্তৰিক উদ্দেশ্য আছিল মহৎ আৰু তেওঁ তেওঁৰ গুনাহ সম্বন্ধে সচেতন আছিল। যদিও তেওঁ মছীহৰ ব্যক্তিত্ব আৰু জগতত আগমনৰ কাৰণ তেতিয়ালৈ সম্পূৰ্ণকৈ জানিব পৰা নাই। পিতৰে ভাবিছিল, গুনাহগাৰৰ পৰা তেওঁ আতৰত থকাই উচিত। চয়তানে বহু সময়ত ঈছা মছীহৰ ওচৰত আহিবলৈ বাধা দিয়াৰ উদ্দেশ্য গুনাহগাৰ সকলৰ মনত এনেকুৱা বিভ্ৰান্তিৰ সৃষ্টি কৰি থাকে।

তেওঁৰ অসীম জ্ঞান আৰু প্ৰেমত ঈছা মছীহই পিতৰৰ অনুৰোধ প্ৰত্যাখ্যান কৰিছিল। ইমানদাৰ সকলে যেতিয়া তেওঁলোকৰ হিতৰ বিপৰীতে কিছু কৰিবলৈ মছীহৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ওচৰত অনুৰোধ কৰে, তেতিয়া তেওঁ তেওঁলোকৰ অনুৰোধ স্বীকাৰ নকৰে। পিতৰৰ অনুৰোধৰ একেবাৰে বিপৰীত কাম কৰি ঈছা মছীহই পিতৰৰ অনুৰোধৰ সহাৰি দিছিল। পিতৰে যেতিয়া ঈছা মছীহক আতৰি যাবলৈ কৈছিল তেতিয়া ঈছা মছীহই বৰঞ্চ আৰু কাষলৈ আহিছিল। তেখেতে পিতৰৰ অন্তৰৰ প্ৰতি দৃষ্টি দি তেওঁৰ মুখৰ কথাবিলাক উপেক্ষা কৰিছিল। তেওঁৰ পিছত ভয়াতুৰ নহবলৈ তেখেতে তেওঁক আশ্বাস দিছিল। তেওঁ আৰু কৈছিল, এতিয়াৰ পৰা তেওঁ এজন তব'লীগকাৰী হব । তেওঁৰ পূৰ্ব্বৱতী কৰ্ম্মসমূহৰ পৰা এতিয়াৰ কৰ্ম্ম অধিক সন্মানজনক হব। আত্মাক ধৰিবলৈ এনেকুৱা এটি কৌশল যি ঈছা মছীহ তেওঁৰ সকলো অনুসৰণকাৰীক দি থাকে, তেওঁলোকৰ যোগ্যতা বা পৰিস্থিতি যিয়েই নহওক কিয়।

নাও দুখন পাৰলৈ অনাৰ পিছত তেওঁলোকে সকলো এৰি ঈছা মছীহক অনুসৰণ কৰিছিল।

## এজন জঠৰ ৰোগীক সুস্থ কৰা

কেইদিনমান পিছত ঈছাই পুনৰ কফৰনাহুম চহৰলৈ গল। মানুহবোৰে শুনিলে, তেখেত ঘৰতে আছে। তেতিয়া তাত ইমান মানুহ গোট খালে যে, ঘৰতো দূৰৰ কথা, দূৱাৰৰ বাহিৰতো ঠাই নাথাকিল। ঈছাই লোকসমূহৰ মাজত আল্লাহৰ কালাম তব'লীগ কৰি আছিল। এনে সময়ত কেইজনমান মানুহে এজন অবশ ৰোগীক লৈ



তেওঁৰ ওচৰলৈ আহিল। চাৰিজন মানুহে তাক কঢ়িয়াই আনি আছিল কিন্তু মানুহৰ ভিড়ৰ কাৰণে তেওঁলোকে ঈছাৰ ওচৰত লৈ যাব নোৱাৰিলে। এই কাৰণে তেওঁলোকে ঈছা যত আছিল ঠিক তেওঁৰ ওপৰত ঘৰৰ টিংৰ কেইটামান টালি খুলি পেলালে। তাৰ পিছত সেই খালী ঠাইয়েদি চাঙিৰে সৈতে সেই অবশ ৰোগীজনক তলত নমাই দিলে। তেওঁলোকে ঈমান আনিছে দেখা পাই ঈছাই সেই অবশ ৰোগীজনক ক'লে, "বোপা, তোমাৰ গুনাহ মাফ কৰা হল।" তাতে কেইজনমান আলিম বহি আছিল। তেওঁলোকে মনে মনে ভাবি আছিল, "মানুহজনে কিয় এনেকুৱা কথা কৈ আছে? তেওঁতো কুফৰী কৰি আছে। একমাত্ৰ আল্লাহৰ বাহিৰে কোনে গুনাহ মাফ কৰিব পাৰে।"

তেওঁলোকে যি কথা ভাবি আছে সেইয়া ঈছাই নিজৰ অন্তৰতে তেতিয়াই বুজিব পাৰিলে। এই কাৰণে তেখেতে সিহঁতক ক'লে, "আপোনালোকে মনে মনে কিয় তেনে কথা ভাবি আছে? এই অবশ ৰোগীজনক কোনটো কোৱা সহজ–'তোমাৰ গুনাহ মাফ কৰা হল', নে, 'উঠা তোমাৰ চাঙি তুলি খোজ কাঢ়ি ফুৰা'? আপোনালোকে যাতে জানিব পাৰে যে, এই জগতত গুনাহ মাফ কৰাৰ ক্ষমতা ইব্‌নে আদমৰ আছে" -এই বুলি কৈ তেওঁ সেই অবশ ৰোগীজনক ক'লে, " মই তোমাক কৈছো, উঠা, তোমাৰ চাঙি তুলি ঘৰলৈ যোৱা।" তেতিয়াই সেই মানুহজন উঠি তেওঁৰ চাঙি তুলি ললে আৰু সকলোৰে সন্মুখতে বাহিৰলৈ গুচি গল। তাতে সকলোৱে বিস্ময় মানি আল্লাহৰ গৌৰৱ প্ৰশংসা কৰি ক'লে, "আমি কেতিয়াও এনেকুৱা দৃশ্য দেখা নাই!" (মাৰ্ক ২ঃ ১-১২ আয়াত)।।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সাগৰ পাৰৰ পৰা উভতি আহি ঈছা মছীহই এটা ঘৰত প্ৰবেশ কৰিলে আৰু শিক্ষা দিব ধৰিলে। ইয়াৰ আগত ঈছা মছীহই শিক্ষা দিছিল এটা কুঁৱাৰ ওচৰতে, এটা এবাদত খানাত আৰু নাওৰ পৰা। এইবাৰ তেওঁ এটা ঘৰৰ পৰা শিক্ষা দিব ধৰিলে আৰু তেওঁৰ চাৰিওপিনে অসংখ্য লোকে ভিড় কৰিলে। ঘৰৰ ভিতৰতো নায়েই আনকি দুৱাৰ মুখতো অলপ পৰিমাণে খালী ঠাই নাছিল। তেওঁলোকৰ ওচৰত তেওঁ আল্লাহৰ কালাম তবলীগ কৰিছিল। সেই জনসাধাৰণৰ মাজত ফৰীচী আৰু লিপিকাৰ (Stoic) সকলেও আছিল যিসকল এহুদীয়া আৰু গালীলৰ বিভিন্ন চহৰ আৰু গাওঁৰ পৰা আহিছিল। তেওঁৰ শিক্ষা শুনিবলৈ আৰু আচৰিত কৰ্ম্মবোৰ চাবলৈ সিহঁত আহিছিল। আমি কল্পনা কৰিব পাৰো, যিজনক তেওঁলোকে চাবলৈ আহিছে, সেই বিখ্যাত শিক্ষকৰ ওচৰত তেওঁলোকে সন্মানীয় আসনত বহি আছে। যিসকলৰ প্ৰয়োজন তেওঁলোকৰ আৰোগ্যৰ কাৰণে প্ৰভুৰ শক্তি তাত বিদ্যমান আছে। বহুতেই তেওঁলোকৰ নিজৰ বা আত্মীয়সকলৰ সুস্থতাৰ কাৰণে এই আচৰিত চিকিৎসকৰ ওচৰলৈ যোৱাৰ সুযোগৰ অপেক্ষা কৰি আছে।

পিছতে জনসাধাৰণৰ মাজত এটা আলোড়ন দেখা দিলে; যি সেই চাৰিজন লোকে সৃষ্টি কৰিছিল, যি সকলে এজন অবশ ৰোগীক কঢ়িয়াই আনিছিল। এই লোকসকলে ঈছা মছীহৰ ওচৰলৈ যোৱাৰ বাবে চেষ্টা কৰিছিল, কিন্তু মানুহৰ ভিড়ৰ কাৰণে কৃতকাৰ্য্য হোৱা নাছিল। এই কাৰণে সিঁহতে এটা বুদ্ধি কৰিলে যাৰ সহায়ত তেওঁলোকে মছীহৰ ওচৰলৈ যাব পাৰে। ঘৰৰ ভিতৰত ঈছা মছীহই যি ঠাইত বহি আছিল সেই ঠাইডোখৰ নিৰ্ধাৰণ কৰি ললে আৰু ঠিক তেওঁৰ মূৰৰ ওপৰ ফালে ঘৰৰ চালৰ টালিবিলাক খুলি পেলালে! এনেকৈ তেওঁলোকে এটা ফাক বনাই সেই ফাকেদি চাঙিৰে (বিছনাৰে) সৈতে ৰোগীজনক ঈছা মছীহৰ ওচৰত নমাই দিলে। এয়া চাই সকলোৱে বিস্ময়ত অবাক হৈ পৰিল।তেওঁলোকে নিশ্চয় এই বিষয়লৈ কেইবাদিনোলৈকে বহু আলোচনা কৰিছিল। লোকসমূহ আৰু ঈছা মছীহৰ সন্মুখত এতিয়া অবশ ৰোগীজন শয্যাগত। তেওঁ এটা কথাও কোৱা নাছিল, এনেকি লৰচৰো কৰা নাছিল, কিন্তু তেওঁৰ কৰুণ অৱস্থাই সুস্পষ্টকৈ কথা কৈছিল।

আন আন শিক্ষকসকলতকৈ মছীহ এই দৃষ্টিত বেলেগ আছিল, তেওঁ মানুহৰ বাহ্যিক প্ৰতিক্ৰিয়াতকৈ আভ্যন্তৰীন ইচ্ছাৰ প্ৰতি বেছি ইচ্ছুক আছিল। তেওঁ তেওঁলোকৰ অন্তৰৰ গোপন কথাবোৰ জানিছিল আৰু এই কাৰণেই লোকসকলৰ আভ্যন্তৰীন অৱস্থানুসৰি তেওঁলোকৰ প্ৰয়োজন পূৰণ কৰাৰ কাৰণে তেখেতে তেওঁৰ কথা-বাৰ্তা আৰু কৰ্ম্মসমূহ পৰিচালনা কৰিব পাৰিছিল। অবশ ৰোগীজনৰ হৃদয়ত শান্তি দি তেখেতে আৰম্ভ কৰিছিল বুলিয়েই কব পাৰিছিল, “বোপা, তোমাৰ গুনাহ মাফ কৰা হল।” সম্ভৱত অবশ ৰোগীজনে ধৰি লৈছিল যে তেওঁৰ নিজৰ গুনাহেই তেওঁৰ ৰোগৰ কাৰণ আৰু ঈছা মছীহই তেওঁৰ অনুশোচনাৰ হৃদয়টো দেখা পাইছিল। তেওঁৰ শৰীৰ সুস্থ কৰিবলৈ ঈছা মছীহ আগ্ৰহী আছিল, কিন্তু তাতোকৈ তেওঁৰ আত্মাটোক উদ্ধাৰ কৰিবলৈ তেখেত বেছি আগ্ৰহী আছিল। এনেকুৱাও হব পাৰে যে লোকজন ঈছা মছীহৰ শিক্ষা পূৰ্ব্বতে শুনিবলৈ পাইছিল আৰু এতিয়া তেওঁ এনেকুৱা এটা সুস্থতাৰ আচৰিত কৰ্ম্মৰ আশা কৰিছিল



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

যিয়ে তেওঁৰ শৰীৰ আৰু আত্মা উভয়েৰই সু-স্বাস্থ ঘুৰাই পাব।

অবশ ৰোগীজনক কঢ়িয়াই নিয়া এই চাৰিজন লোকে অগাধ বিশ্বাসৰ বহিঃপ্ৰকাশ ঘটাইছিল। তেওঁলোকৰ প্ৰত্যকৰে অন্তৰত যি বিশ্বাসেৰে ভৰি আছিল সেয়া তেওঁলোকে কৰ্ম্মৰ মাধ্যমত প্ৰকাশ কৰিছিল। যথা সম্ভৱ অসুস্থতাৰ কাৰণে সেই মানুহজন বোবা হৈ গৈছিল আৰু তেওঁৰ সুস্থ হোৱাৰ ইচ্ছা নিজে প্ৰকাশ কৰিবলৈ অসমৰ্থ আছিল। ঈছা মছীহই যেতিয়া মানুহজনৰ গুনাহ মাফ কৰিছিল তেতিয়া নিশ্চয় মানুহজনে শান্তনা লাভ কৰিছিল আৰু তেতিয়ালৈ অবশ থকা স্বত্বেও তেওঁৰ অন্তৰ নিঃসন্দেহে আনন্দত ভৰি উঠিছিল। তেওঁৰ কৰুণ শাৰীৰিক দুৰ্ভাগ্যই তেওঁক মছীহৰ ওচৰলৈ বৈ আনিছিল যিজনে বেমাৰীজনক তেওঁৰ গুনাহ বহণকাৰী ভীষণ দূৰ্দশাৰ পৰাও উদ্ধাৰ কৰিছিল।

ঈছা মছীহই কেৱল সিহঁতৰেই গুনাহ মাফ কৰে যিসকলে তেওঁলোকৰ গুনাহ উপলব্দি কৰে। অবশ ৰোগীজনৰ অন্তৰত অবশ্যই গাই থাকিব, *"মোবাৰক সেইজন, যিজনাৰ গুনাহ মাফ কৰা হৈছে, যিজনৰ গুনাহ আচ্ছাদিত হৈছে। মোবাৰক সেইজন, যিজনৰ গুনাহ আল্লাহই নধৰে, তথা যিজনাৰ ৰূহত কুটিলতা নাই"* (জব্বুৰ শ্বৰীফ ৩২ঃ১-২ আয়াত)। কাৰোবাক আল্লাহই মাফ কৰা আৰু তেওঁৰ পিছত তেওঁৰ ওপৰত আল্লাহৰ ৰহমত বৰ্ষণ কৰা হেতুকে এজন মানুহ ধন্য (সুখী) হয়। আল্লাহই যেতিয়া মাফ কৰে, তেতিয়া তেখেতে মাফ পোৱা গৰাকীসকলক তেওঁৰ অমূল্য প্ৰতিজ্ঞাসমূহ, তেওঁৰ উপচি পৰা আৰ্শীবাদ আৰু অনন্ত গৌৰৱ দি বিভূষিত



কৰে।

ঈছা মছীহই যেতিয়া গুনাহ মাফ কৰাৰ ক্ষমতা প্ৰকাশ কৰিছিল তেতিয়া তেওঁ প্ৰমাণ কৰিছিল যে, তেওঁৰ মৰ্য্যদা আন যিকোনো মানুহতকৈ শ্ৰেষ্ঠ। অবশ ৰোগীজনৰ শাৰীৰিক সুস্থতা কেইবা প্ৰকাৰে তেওঁৰ আত্মিক পুনঃস্থাপনৰ অনুৰূপ আছিল। প্ৰথমতেঃ তেওঁৰ বিছনা কঢ়িয়াই নিয়া লোকজনৰ সুস্থতা লাভ চৰ্ত নাছিল, কিন্তু সেইয়া আছিল ইয়াৰ ফল। একে ধৰণে, উত্তমতা মাফ পোৱাৰ এটা চৰ্ত নহয়, কিন্তু সেয়া হল নতুন দানৰ এটা ফল। আনকি তেওঁৰ শৰীৰ মুহুৰ্তৰ মাজতেই ভাল হৈছিল। একে ধৰণে আল্লাহই আমাৰ ওচৰত এনেকুৱা প্ৰতিশ্ৰুতি নিদিয়ে যি, তেখেতে পিছৰ কোনো এটা সময়ত, আমাৰ মৃত্যুৰ পিছত নাইবা আমি যেতিয়া নিজক যোগ্য বুলি ভাবিম সেই সময়ত আমাৰ গুনাহ মাফ কৰিব। এজন গুনাহগাৰে যি মুহুৰ্তত সৰ্বান্তঃকৰণে গুনাহ মাফ পোৱাৰ কামনা কৰে ঠিক তেতিয়াই তেওঁ নাজাতদাতা মছীহৰ পৰা মাফ পায়। যি কোনো মানুহৰ অন্তৰৰ অৱস্থা সম্বন্ধে জনা মছীহই তেওঁৰ আবেদন মঞ্জুৰ কৰে। কোনো মানুহ মাফ পোৱাৰ বাবে আগ্ৰহী নে নাই সেয়া নিশ্চিতভাবে জানিবলৈ আন মানুহৰ দৰে তেওঁক অপেক্ষা কৰিবলগীয়া নহয়; তেওঁ লগে লগেই জানিবলৈ সমৰ্থ। পিছে, অবশ ৰোগীজনক ঈছা মছীহই আংশিকভাবে সুস্থ কৰা নাই আৰু ক্ৰম অনুসৰি স্বাস্থ্য পুনৰ উদ্ধাৰৰ বাবে এৰি দিয়া নাই। যি চাৰিজনে তেওঁক কঢ়িয়াই তাত আনিছিল সিহঁতক আকৌ ঘৰলৈ কঢ়িয়াই লৈ যোৱাৰ বাবে কোৱা নাই, কিন্তু সেই মুহুৰ্ততেই তেওঁৰ গুনাহ মাফ কৰি তেওঁক সম্পূৰ্ণৰূপে সুস্থ কৰিছিল। সকলো সময়তে মছীহই সম্পূৰ্ণ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

নিখুঁতভাৱে কাম কৰে। যদি অবশ ৰোগীজনৰ অলপ গুনাহ তেওঁৰ মাজতে ৰাখিয়েই এৰি দিলেহেঁতেন, তেন্তে নিশ্চয় তেওঁ ধ্বংস হলহেঁতেন। কোনো এখন নাওত যদি কেইবাটাও ফুটা থাকে আৰু নাওৰ মালিকে যদি মাত্র এটা ফুটাৰ বাহিৰে বাকী সকলো ফুটাই বন্ধ কৰে, তথাপিও নাওখন তেতিয়াই ডুবি যাব। এটা মাত্র ফুটা শ ফুটাৰ নিচিনাই বিপদজনক। আল্লাহৰ শুকৰিয়া হওঁক যে, তেওঁ সম্পূর্ণ আৰু নিখুঁতভাৱে ক্ষমা দান কৰে।

যিসকলে ঈছা মছীহৰ কথা শুনিছিল, সেই কথাই তেওঁলোকৰ অন্তৰত গভীৰ প্ৰভাৱ পেলাইছিল। মছীহ বেহেস্তলৈ গুচি যোৱাৰ পিছতো গুনাহ মাফ কৰা সম্পৰ্কে তেওঁৰ যি দাবী সেয়া পিতৰৰ হৃদয়ত গভীৰভাৱে সাঁচ বহুৱাইছিল। এবাদতখানাত প্রচাৰৰ কাৰণে বন্দী হোৱা পিতৰে, তেওঁৰ বিচাৰৰ কাৰণে একগোট হোৱা মজলিছৰ প্ৰতি এই কথা ঘোষণা কৰিছিল যে, *“আৰু আল্লাহ তায়ালাই তেওঁকেই ৰজা আৰু নাজাতদাতা হিচাপে নিজৰ সোঁ-কাষে বহিবলৈ গৌৰৱ দান কৰিছে, যাতে তেওঁ ইস্রাইলসকলক গুনাহৰ পৰা তৌবা কৰাৰ সুযোগ দি গুনাহ মাফ কৰিব পাৰে”* (পাচঁনি কৰ্ম্ম ৫ঃ৩১ আয়াত)।

জেৰুজালেমৰ পৰা অহা ঈছা মছীহৰ ওচৰত উপস্থিত বিশিষ্ট ব্যক্তিসকলে ঈছা মছীহই আনৰ গুনাহ মাফ কৰাৰ বিষয়টো মানি লব পৰা নাছিল। তেওঁলোকে ঈছা মছীহক এই কৰ্ম্ম কৰিব পৰা অধিকাৰবিহীন এজন মানৱ শিক্ষকৰূপে ভাবিছিল। এনেকি তেওঁলোকে তেওঁক গুনাহগাৰ বুলি ভাবিছিল, কাৰণ বেহেস্তী অধিকাৰ তেওঁ নিজৰ বুলি দাবী কৰিছিল। তেওঁলোকৰ শ্বৰীয়ত অনুসৰি বেহেস্তী ক্ষমতা সম্বন্ধে গৰ্ব কৰাজন নিতান্তই কপটলোক,



যিজন শিলাঘাত পোৱাৰ যোগ্য।

ঈছা মছীহই তেওঁৰ বেহেস্তী অধিকাৰৰ ক্ষমতাৰ প্ৰমাণ দাঙি ধৰি তেওঁলোকৰ অবিশ্বাসী চকুত প্ৰকৃত সত্য দেখুৱাব বিচাৰিছিল যে, তেওঁ জগতৰ মানৱীয় শিক্ষকতকৈ বেছি কিবা আছিল। তেওঁ **মাবুদ** ও **মানুহ** হোৱাত গুনাহ মাফ কৰাৰ ক্ষমতা তেওঁৰ আছিল আৰু এই কাৰণেই তেওঁ গুনাহ কৰা নাছিল। তেওঁলোকৰ আন্তৰিক চিন্তাসমূহ প্ৰকাশিত হোৱাৰ আগতেই সিহঁতক তেওঁৰ প্ৰথম প্ৰমাণ কৈ দিয়া হৈছিল। নবী ইশাইয়াই তেওঁৰ এই উক্তিৰ দ্বাৰাই মছীহৰ প্ৰতিয়েই ইঙ্গিত কৰিছিল, *“মাবুদৰ ৰূহ, জ্ঞান আৰু বুজিবৰ ৰূহ, পৰামৰ্শ আৰু কুদৰতৰ ৰূহ, জ্ঞান আৰু মাবুদৰ প্ৰতি ভয়ৰ ৰূহ - তেওঁৰ ওপৰত থাকিব; আৰু তেওঁ মাবুদৰ ভয়ত আনন্দিত হব”* (ইশাইয়া ১১ঃ২ আয়াত)।

তেওঁলোকৰ বিবেচনাৰ কাৰণে ঈছা মছীহই আৰু এটি প্ৰমাণ দাঙি ধৰিলে, সেয়া হল তেওঁৰ সুস্থ কৰাৰ ক্ষমতা। সাধাৰণতঃ পক্ষাঘাতৰ চিকাৰক বহুদিনলৈ আক্ৰমণ কৰি থাকিলে সেয়া সুস্থ হোৱা অসম্ভৱহে পৰে। যিহেতু অবশ ৰোগীজনক ঈছা মছীহই মুহূৰ্তৰ মাজতে ভাল কৰিছিল আৰু তেওঁৰ ফল লগে লগেই দৃশ্যমান হৈছিল, সেয়ে তেওঁক মিছলীয়া বুলি কোৱাৰ সামৰ্থ্য কাৰো নাছিল। কাৰণ ঈছা মছীহই তেওঁক কৈছিল, *“মই তোমাক কৈছো, উঠা, তোমাৰ বিছনা তুলি ঘৰলৈ গুচি যোৱা। তোমাৰ গুনাহ মাফ কৰা হল”* এই কথাষাৰ যিকোনো মিছলীয়াই কব পাৰিলেহেঁতেন কাৰণ ইয়াৰ ফলাফল চাবলৈ কোনেও সক্ষম নহলহেঁতেন। এইকাৰণেই, *“উঠা, তোমাৰ বিছনা তুলি ঘৰলৈ গুচি যোৱা”*, এই কথাষাৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কোৰাতকৈ *“তোমাৰ গুনাহ মাফ কৰা হল।”* কোৰা আৰু অধিক সহজ। কোনোবাই যদি এজন অবশ-ৰোগীক সুস্থ কৰাৰ ক্ষমতাৰ প্ৰমাণ দিয়াৰ পিছত গুনাহৰ ক্ষমা দান কৰে সেয়া বিশ্বাসযোগ্য বুলি বিবেচনা হব পাৰে। এনেকৈয়ে ঈছা মছীহ তেওঁৰ বিৰোধীসকলৰ বিৰোধীতা খণ্ডন কৰিছিল। গুনাহ ক্ষমা কৰাৰ ক্ষমতা তেওঁ দেখুৱাইছিল, কাৰণ তেওঁ আছিল ‘ইব্‌নে আদম’ আৰু ‘ইব্‌নুল্লাহ’। পিছত তেওঁ তেওঁৰ কথাক কৰ্ম্মৰ দ্বাৰাই প্ৰমাণ কৰাৰ উদ্দেশ্যে অবশ ৰোগীজনক বিছনা তুলি নিজৰ ঘৰলৈ যাবলৈ আদেশ কৰিছিল।

ঠিক তেতিয়াই অবশ ৰোগীজনে উঠি নিজ ভৰিত থিয় দিছিল। ইয়াৰ আগতে যিসকলে তেওঁৰ কাৰণে বাট এৰি দিবলৈ অস্বীকাৰ কৰিছিল এতিয়া সেইসকলেই তেওঁৰ ওলাই যোৱাৰ বাট প্ৰস্তুত কৰি দিলে। তেওঁৰ অক্ষমতাৰ প্ৰতীক স্বৰূপ বিছনাটো হৈ উঠিছিল অসাধাৰণ সুস্থতাৰ প্ৰমাণ, আৰু তেওঁ সেইটো কঢ়িয়াই খোজ কাঢ়ি ওলাই গৈছিল। তেওঁৰ সুস্থতাৰ সমৰ্থনত কি যে আচৰিত বিবৃতি এয়া! লগে লগেই তেওঁ উঠি থিয় দিলে আৰু তেওঁৰ বিছনা তুলি লৈ খোজ কাঢ়ি আল্লাহৰ গৌৰৱৰ প্ৰসংশা কৰি কৰি গুচি গল।



# তিন
# ঈছা মছীহই মথিক আহ্বান কৰিলে

পিছত ঈছাই আকৌ গালীল সাগৰৰ তীৰলৈ ওলাই গল। তেতিয়া বহুতো মানুহ তেওঁৰ ওচৰলৈ অহাত তেওঁ সিহঁতক শিক্ষা দিব ধৰিলে। ইয়াৰ পিছত তেওঁ বাটে বাটে যাওতে দেখিলে, আলফেয়ৰ পুতেক লেবি কৰ লোৱা অফিচত বহি আছে। ঈছাই তেওঁক ক'লে, “মোৰ পাছে পাছে আহা।” তেতিয়াই লেবি উঠি ঈছাৰ পিছে পিছে গল। তেওঁৰ পাছত ঈছাই যেতিয়া লেবিৰ ঘৰত ভোজনত বহিল তেতিয়া বহুতো কৰ আদায়কাৰী আৰু গুনাহগাৰ লোকে ঈছা আৰু তেওঁৰ উম্মতসকলৰ লগত খাবলৈ বহিল, কাৰণ বহুতো লোক ঈছাৰ লগে লগে গৈ আছিল। ফৰীচি দলৰ আলিম সকলে যেতিয়া দেখিলে যে, ঈছা কৰ আদায়কাৰী আৰু গুনাহগাৰ লোকৰ সৈতে একেলগে খাই আছে, তেতিয়া তেওঁলোকে তেওঁলোকৰ উম্মতসকলক ক'লে, *“তেওঁ কৰ আদায়কাৰী আৰু গুনাহগাৰসকলৰ লগত খোৱা-বোৱা কৰে কিয়?”* এই কথা শুনি ঈছাই সেই আলিমসকলক ক'লে, *“সুস্থ সকলৰ কাৰণে ডাক্তৰৰ প্ৰয়োজন নাই, বৰঞ্চ অসুস্থ সকলৰ কাৰণেই ডাক্তৰৰ প্ৰয়োজন আছে। মই ধাৰ্মিকসকলক মাতিব অহা নাই, বৰঞ্চ গুনাহগাৰ সকলক মাতিব আহিছো”* (মাৰ্ক ২ঃ১৩-১৭)।

ঈছা মছীহ সেই কৰ আদায়ৰ কাৰ্য্যালয়লৈ গ'ল যত বহি কৰ আদায়কাৰীসকলে ব্যৱসায়ীসকলৰ পৰা কৰ আদায় কৰিছিল। তাতে তেওঁ এজনক সম্ভাষণ জনাই ক'লে, “মোৰ অনুসৰণকাৰী হোৱা।” মছীহই তেওঁৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

অনুগামী হবলৈ আপোনাকো আমন্ত্ৰণ জনাইছে, ঠিক যেনেকৈ কৰ আদায়কাৰী (লেবিক) আহ্বান কৰিছিল।

যদি আমি আহ্বানটোলৈ ধ্যান কৰো তেতিয়া দেখিবলৈ পাম– আহ্বানটো দেখিবলৈ যিমান সহজ বুলি ধাৰণা হয় আচলতে সিমান সহজ নহয়। প্ৰথম: সেই মানুহজন সম্পৰ্কে এনেকুৱা বহুত কিবা-কিবি আছিল যি দেখিলে মানুহে তেওঁক ঘৃণা কৰিব, আৰু বিশেষকৈ তেওঁক এতিয়া ঈছা মছীহৰ লগত দেখা পাই সেই ঘৃণা আৰু বেছি হৈছিল। এই কথা সচাঁ যে, তেওঁ তেওঁৰ নিজ চহৰ কফুৰনাহুমৰ লোক আছিল। তেওঁৰ নাম আছিল মথি যাৰ অৰ্থ 'আল্লাহৰ দান'। তেওঁৰ হিব্ৰু নাম আছিল লেবি যাৰ অৰ্থ 'ঈমাম' আৰু এইটোৱে নিৰ্দেশ কৰে যে তেওঁ আহিছিল এটা সম্ভ্ৰান্ত ঈমাম পৰিয়ালৰ পৰা। তেওঁ শিক্ষিত আৰু ধনী লোক আছিল, কিন্তু তেওঁ আছিল উপেক্ষিত আৰু ঘৃণাৰ পাত্ৰ এজন কৰ আদায়কাৰী। সম্ভৱত আহবানটোৰ প্ৰতি শিষ্য সকল উদ্বিগ্ন আছিল– তেওঁলোকৰ এইটোৱে ভয় আছিল যে, মথি হয়তো তেওঁলোকৰ লগত যোগ দিব। যিহেতু মথি ঈছা মছীহৰ আমন্ত্ৰণ গ্ৰহণ কৰিছিল আৰু তেওঁৰ উম্মত হৈছিল, ইয়াত মছীহৰ শত্ৰুসকলে আনন্দিত হৈছিল; তেওঁলোকে ভাবিছিল যে, সেইটোৱে তেওঁৰ ভাবমুৰ্ত্তি বিনষ্ট কৰিব।

মথিৰ প্ৰতি ঈছা মছীহৰ আমন্ত্ৰণটো আছিল এটা মহত্ব প্ৰকাশ স্বৰূপ যিজন সেই সময়ৰ লোকৰ মতামতৰ দ্বাৰা প্ৰভাৱিত নহৈছিল। এয়া তেওঁৰ বেহেস্তী প্ৰকৃতিৰ আন এটি প্ৰমাণ কিয়নো আন লোকসকলে তেওঁলোকৰ সম্বন্ধে লোকে কি কয় সেই লৈ চিন্তা কৰি থাকে আৰু সমাজৰ লগত মিলি চলিবলৈ সচেতন থাকে। আল্লাই কি তেওঁৰ জাতিৰ লোকসকলৰ ওচৰত এই কথা কোৱা নাই?



*"মোৰ পৰিকল্পনাবোৰ আৰু তোমালোকৰ সংকল্পবিলাক একে নহয় আৰু তোমালোকৰ বাট আৰু মোৰ বাট একে নহয়"* (ইশাইয়া ৫৫ঃ৮ আয়াত)। মছীহই প্ৰকাশ কৰিছিল যে, তেওঁৰ কৰ্ম্মৰ উৎস আছিল বেলেগ ধৰণৰ, কাৰণ তেওঁৰ নীতি আৰু চিন্তা সমূহও বেলেগ আছিল আৰু সেই সময়ৰ লোকৰ নিচিনা কৰ্ম্ম কৰা নাছিল। তেওঁ এই জগতৰ নাছিল। বনি-ইজৰাইলৰ নেতাসকলে কৰ আদায়কাৰীসকলক ঘৃণা কৰিছিল আৰু তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিৰ কৰিছিল। আদালতে তেওঁলোকৰ সাক্ষী গ্ৰহণ কৰা নাছিল আনকি সিহঁতক নীচ জাতি, জুৱাৰী, খুনী, ব্যভিচাৰী আৰু মুৰ্ত্তিপূজকৰ শ্ৰেণীভুক্ত কৰিছিল। কোনো কামৰ কাৰণে সিহঁতে কৰ আদায়কাৰীৰ ওচৰত চাঁদা খোজা নাছিল, তেওঁলোকৰ লগত তেওঁলোকে খাবলৈকো বহা নাছিল। এই বেয়া ব্যৱহাৰে কৰ আদায়কাৰীক আৰু অধিক দুনীতিপৰায়ণ হবলৈ প্ৰবৃত্ত কৰিছিল। কিয় ঈছা মছীহই এজন কৰ আদায়কাৰীক তেওঁৰ লগত যোগ দিবলৈ, তেওঁৰ উম্মত হবলৈ আৰু পৰবৰ্ত্তী সময়ত ৰছুল হবলৈ আহ্বান কৰিছিল? উত্তৰটো আছিল এই ঃ ঈছা মছীহ সেই ইহুদী সকলৰ নিচিনা আঁচৰণ নকৰিছিল যিসকলে এই শ্ৰেণীৰ লোকসকলক ঘৃণা কৰিছিল। তেওঁৰ অসীম ভালপোৱাৰ কাৰণেই সকলোৱে হৃদয়ত স্থান পাইছিল। বিশেষকৈ সমাজৰ নিম্নশ্ৰেণীৰ লোকসকলৰ ওচৰত তেওঁ আল্লাহৰ প্ৰেম প্ৰকাশ কৰিছিল। এই কাৰণেই ঈছা মছীহই এজন কৰ আদায়কাৰীক তেওঁৰ উম্মত হবলৈ আহ্বান কৰিছিল।

ঈছা মছীহই দেখিবলৈ পাইছিল যে, কৰ আদায়কাৰীতকৈয়ো বৰঞ্চ ধৰ্ম্মীয় নেতা সকলৰ দোষ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

বেছি আছিল আৰু শাস্তিৰ যোগ্য আছিল। যদি ফৰীচীসকলে সেয়া বুজিব পাৰিলেহেঁতেন, তেতিয়াহলে তেওঁলোকে নিজৰ দোষ এৰাব পৰিলেহেঁতেন। যিহেতু সেয়া তেওঁলোকে বুজিব পৰা নাছিল সেয়ে ঈছা মছীহই বহুবাৰ সিহঁতক প্ৰত্যক্ষভাবে দোষী কৰিছিল। যিসকল গুনাহগাৰে তেওঁলোকৰ গুনাহ সম্বন্ধে সচেতন আৰু যিসকলে সেইবোৰ মছীহৰ ওচৰত স্বীকাৰ কৰে সিহঁত অভিনয়কৃত ভণ্ড ধাৰ্ম্মিকতকৈ বেহেস্তী ৰাজ্যৰ অধিক নিকটবৰ্ত্তী। এই কাৰণেই এজন ফৰীচীতকৈ এজন কৰ আদায়কাৰীক আগতে বেহেস্তলৈ প্ৰবেশৰ সুযোগ দিয়া হৈছিল।

ইতিমধ্যে ঈছা মছীহই সমাজৰ পৰা বহিস্কৃত এজনী ছমৰীয় তিৰোতাক তৌবা ও ঈমানৰ পথত পৰিচালিত কৰি উদ্ধাৰ কৰিছিল। এইবাৰ তেখেতে মথিক ৰূহানী ৰাজ্যত প্ৰবেশ কৰিবলৈ আহ্বান কৰিলে। ঈছা মছীহে বুজাই দিছিল যে, কৰ আদায়কাৰীসকলৰ দুষ্টতাই সেই কাৰণ; সেইবাবে মহান ডাক্তৰ হিচাপে তেখেতে তেওঁলোকৰ প্ৰতি সহানুভুতিৰ দৃষ্টি দিছিলঃ তেওঁ সুস্থসকলক বিচৰা নাছিল, অসুস্থসকলক বিচাৰি আছিল। ফৰীচী সকলৰ উদ্ধাৰকৰ্তাই কৰ আদায়কাৰী সকলৰো উদ্ধাৰ কৰ্তা। এবাৰ তেওঁ প্ৰধান ইমাম আৰু ইহুদী নেতা সকলক কৈছিল, *“.... কৰ আদায়কাৰী আৰু বেশ্যাসকলে আপোনালোকৰ আগত আল্লাহৰ ৰাজ্যত প্ৰবেশ কৰি আছে, কাৰণ ইয়াহিয়াই সঠিক পথ দেখুৱাৰ কাৰণে আপোনালোকৰ ওচৰলৈ আহিছিল, কিন্তু আপোনালোকে তেওঁৰ কথাত ঈমান অনা নাই। কিন্তু কৰ আদায়কাৰী আৰু বেশ্যাসকলে তেওঁৰ কথাত ঈমান আনিছিল। এইয়া দেখা পাইয়ো আপোনালোকে মুখ ঘুৰাই*



*তেওঁৰ কথাত বিশ্বাস কৰা নাই”* (মথি ২১ঃ৩১,৩২)। ইয়াত ঈছা মছীহে আকাৰ-ইংগিতেৰে কৈছিল যে, তেওঁৰো ইয়াহিয়াৰ নিচিনা একে পৰিণতিৰ সন্মুখীন হব, যিজন অনুতাপ কৰা গুনাহগাৰৰ দ্বাৰা স্বীকৃতি পাইছিল আৰু অ-ইহুদী মুৰব্বীসকলৰ দ্বাৰা প্ৰত্যাখান কৰা হৈছিল।

যথাসম্ভব মথিয়ে আগৰ পৰাই ঈছা মছীহৰ বিষয়ে অৱগত আছিল আৰু তেওঁৰ প্ৰচাৰ কেইবাবাৰো শুনি অভিভূত হৈছিল। হয়তো মছীহে কৰা কিছুমান আচঁৰিত কৰ্ম্ম তেওঁ দেখা পাইছিল আৰু বহুতৰে নিচিনাকৈ সৰল মনেৰে তেওঁৰ ওপৰত ঈমান আনিছিল। সম্ভৱ তেওঁ নিজৰ নীচ কৰ্ম্মসমূহক ঘৃণা কৰিবলৈ ধৰিছিল আৰু এৰি দিব বিচাৰিছিল। মথিৰ অন্তৰৰ দৃষ্টিভংগী ঈছা মছীহই দেখিবলৈ পাইছিল, সেয়ে তেওঁ জানিব পাৰিছিল যে, মথিয়ে তেওঁক অনুসৰণ কৰাৰ কাৰণে প্ৰস্তুত আছিল। সেই হেতুকে মছীহে তেওঁক আহ্বান কৰিছিল আৰু মথিয়ে সকলো পৰিত্যাগ কৰি তেওঁৰ লগত গৈছিল। বেহেস্তী আশীৰ্বাদৰ কৰ্ম্ম তেওঁৰ মাজত স্পষ্ট হৈ পৰিছিল কাৰণ সম্পত্তিৰ প্ৰতি লোভ তেওঁৰ নাইকিয়া হৈছিল আৰু মছীহৰ কাৰণে সকলো জলাঞ্জলি দিছিল।

মছীহৰ কাৰণে মথিয়ে কেৱল তেওঁৰ লাভজনক কৰ্ম্মই এৰা নাই, তেওঁৰ কাৰণে তেওঁৰ ঘৰত ডাঙৰ এটা ভোজৰ আয়োজনো কৰিছিল। তেওঁৰ বহুতো সহকৰ্ম্মীক তেওঁ নিমন্ত্ৰণ কৰিছিল কাৰণ অন্যান্য সন্মানিত লোকসকলে তেওঁৰ নিমন্ত্ৰণত স্বাভাৱিকতে সহাৰি নিদিব। হয়তো তেওঁ আশা কৰিছিল যেন তেওঁৰ সহকৰ্ম্মীসকলেও তেওঁৰ নিচিনাকৈ ঈছা মছীহক জানিব পাৰে আৰু পোহৰৰ সন্ধান পায়। বেহেস্তী পোহৰৰ জ্ঞানপ্ৰাপ্ত মছীহৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

প্ৰতিজন অনুসৰণকাৰীয়ে সেইটো কৰা উচিত। মথি আছিল একমাত্ৰ উম্মত যিজন মছীহৰ কাৰণে ভোজৰ আয়োজন কৰিছিল। তেওঁ তেওঁৰ কৃতজ্ঞতা প্ৰকাশ কৰিব বিচাৰিছিল, কাৰণ মছীহই তেওঁক গুনাহপূৰ্ণ জীৱনৰ পৰা উদ্ধাৰ কৰি চাহাবী পদত আহ্বান কৰিছিল। হয়, মথিয়ে তেওঁৰ চাকৰী আৰু বৃত্তি হেৰুৱাইছিল সঁচা, কিন্তু তাৰ বিপৰীতে তেওঁ নাজাত আৰু উদ্ধাৰ পাইছিল। ইয়াৰ আগতে তেওঁ যি অৰ্জন কৰিছিল মছীহৰ কাৰণে এতিয়া সকলো লোকচান বুলি পৰিগণিত হল। মছীহই তেওঁক এনেকুৱা সন্মানেৰে পুৰুস্কৃত কৰিছিল যি যুগ যুগান্তৰলৈ বৰ্ত্তী আছে। ঈঞ্জিল শ্বৰীফৰ চাৰিটা ছিপাৰাৰ মাজত মথিয়ে লিখাটো প্ৰথম, যি ঈছা মছীহৰ জগতলৈ আগমণৰ সু-সংবাদ বৰ্ণনা কৰে। ৰজা, বিজ্ঞানী আৰু ধনৱান সকলতকৈ মথিৰ নামটো অমৰ হৈ আছে। তেওঁ লিখা ঈঞ্জিলে (সু-সংবাদ) বহু আত্মাক মছীহৰ প্ৰতি পৰিচালিত কৰিছে। সকলো প্ৰকাৰৰ বেয়া লোভ-লালসাপূৰ্ণ এই জগতক যিয়ে অস্বীকাৰ কৰে তেঁৱেই প্ৰচুৰ পৰিমাণে পুৰস্কৃত হয়।

মথিয়ে তেওঁৰ পৰিবৰ্তনশীল জীৱনৰ প্ৰমাণ দেখুৱাইছিল, কাৰণ তেওঁ অতি সোনকালেই লোৱাতকৈ দিয়াৰ নিমিত্তে চিন্তা কৰিবলৈ আৰম্ভ কৰিছিল। কিছুমান লোক আছে যিসকলে ভাবে যে, যোগদান কৰিয়েই তেওঁলোকে জামাতৰ ডাঙৰ পুণ্যৰ কাম কৰিছে আৰু ইয়াৰ পৰিবৰ্তে জামাতৰ পৰা উপকাৰৰ আশা কৰে। সিহঁত পিতৰৰ নিচিনা যিজন তেওঁৰ ব্যৰ্থতাৰ সময়ত মছীহক কৈছিল, "*....আমি সকলো এৰি আপোনাৰ উম্মত হৈছো; আমি কি পাম*" (মথি ১৯ঃ২৭)? সিহঁতক গ্ৰহন কৰা বাবে জামাতক তেওঁলোকৰ সহায়ক দানকাৰী



বুলি বিবেচনা কৰি বৰঞ্চ প্ৰশংসা ৰূপে আশীৰ্বাদৰ এটা ডাঙৰ অংশ জামাতক দিয়া উচিত।

ঈঞ্জিল শ্বৰীফত মথিয়ে লিখা শুভবাৰ্ত্তাত বৰ্ণনা কৰিছে যে, ঈছা মছীহে কেনেকৈ তেওঁক এজন উম্মত হবলৈ আহ্বান কৰিছিল। ঈছা মছীহৰ অনুসৰণকাৰী হোৱাৰ কাৰণে তেওঁ সকলো পৰিত্যাগ কৰিছিল বা তেওঁৰ কাৰণে ভোজৰ আয়োজন কৰিছিল বুলি মথিয়ে উল্লেখ কৰা নাই। কেৱলমাত্ৰ লুকেই এই কথাষাৰ লিখিছে। ৰছুলৰ নামৰ তালিকাৰৰ ক্ষেত্ৰত লূক আৰু মাৰ্কে মথিৰ নামৰ লগত 'কৰ আদায়কাৰী' উপাধিটো দিয়া নাই, সেই ক্ষেত্ৰত মথিয়ে নিজে লিখা শুভবাৰ্ত্তাত সেই অৱজ্ঞাসূচক উপাধিটো ব্যৱহাৰ কৰিছে। ধাৰণা হয় তেওঁ মছীহৰ গৌৰৱ প্ৰশংসা কৰিব বিচাৰিছিল, যিজনৰ দয়া-প্ৰৱণতাই এজন কৰ আদায়কাৰীক তেওঁৰ মনোনীত ৰছুলসকলৰ অন্তৰ্ভুক্ত কৰিছিল।

বহুতো ভাষাত এটা প্ৰবাদ বাক্য পোৱা যায়, "সংগৰ দ্বাৰাই মানুহ চিনিব পৰা যায়।" ফৰীচীসকলে ঈছা মছহীক অৱজ্ঞাৰ দৃষ্টিৰে চাইছিল, কাৰণ তেওঁ সমাজৰ বহিস্কৃতসকলৰ লগত সম্বন্ধ ৰাখিছিল আৰু তেওঁলোকৰ লগত খোৱা-বোৱা কৰিছিল। ঈছা মছীহ সম্বন্ধে প্ৰবাদ বাক্যটো সঁচা হলহেঁতেন, যদি তেওঁ গুনাহগাৰ সকলৰ লগত পাপ কৰ্ম্মৰ অংশীদাৰী হলহেঁতেন। কিন্তু বিষয়টো তেনেকুৱা নাছিল। তেওঁ গুনাহগাৰসকলৰ সৈতে সম্বন্ধ ৰখাৰ একমাত্ৰ উদ্দেশ্য আছিল সিহঁতক পৰিবৰ্তন কৰা আৰু জ্ঞানৰ পোহৰলৈ পৰিচালনা কৰা।

মথিৰ নিমন্ত্ৰণ ঈছা মছীহই গ্ৰহণ কৰিছিল আৰু তেওঁৰ ঘৰত খোৱা-বোৱাও কৰিছিল। তাকে কৰি তেওঁ বিভিন্ন বৰ্গৰ লোকসকলৰ মাজত থকা বিভেদ চুৰ্ণ কৰি দেখুৱাই



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

দিছিল যে, মাবুদ পক্ষপাতিত্ব নকৰে, কিন্তু যিসকলে তেওঁলৈ ভয় কৰে আৰু যি সঠিক সেয়াই কৰে, মাবুদে সকলো জাতিৰ পৰাই সেই লোকসকলক গ্ৰহণ কৰে (পাঁচনি কৰ্ম্ম ১০ঃ৩৫)। ঈছা মছীহৰ সময়কালীন লোকসকলে উপলব্দি কৰিব পৰা নাছিল যে, আল্লাহৰ দৃষ্টিত ধনী আৰু গৰীব, শিক্ষিত আৰু মুৰ্খ্য তথা বাদছাহ আৰু গোলামৰ মাজত কোনো পাৰ্থক্য নাই। সৰ্ব্ব প্ৰথম ঈছা মছীহই এই নীতিটো শিক্ষা দিছিল আৰু এক মহামূল্য উত্তৰাধিকাৰী হিচাপে ৰাখি গৈছিল।

কোনোবাই যেতিয়া মথিৰ ঘৰৰ এই অসাধাৰণ সমাবেশ লৈ চিন্তা কৰে তেতিয়া তেওঁ এটি ডাঙৰ বৈসাদৃশ্য দেখা পায়। ইফালে আমি দেখিবলৈ পাওঁ যে, জন্মৰ আগতেই মছীহক 'পুণ্যবান' বুলি আখ্যা দিয়া হৈছিল আৰু যিজনৰ বিষয়ে বেয়া আত্মাবোৰে সাক্ষী দি কৈছিল "... *মই জানো আপুনি কোন; আপুনিয়েই আল্লাহৰ সেই পবিত্ৰজন"* (মাৰ্ক ১ঃ২৪)। আনফালে আমি এদল কৰ আদায়কাৰী আৰু গুনাহগাৰক দেখিবলৈ পাওঁ। কিহে উভয় পক্ষক একত্ৰিত কৰিছিল? ঈছা মছীহৰ এই উক্তিত উত্তৰটো পোৱা যায়, **"মই ধাৰ্ম্মিকসকলক মাতিবলৈ অহা নাই, বৰঞ্চ গুনাহগাৰসকলক মাতিবলৈ আহিছো"**

ঈছা মছীহই মথিৰ নিমন্ত্ৰণ গ্ৰহণ কৰাত নথি লিখক আৰু ফৰীচীসকলে আপত্তি কৰিছিল। একে শ্ৰেণীৰ লোকসকলৰ সৈতে কৰ আদায়কাৰীসকলৰ খোৱা-বোৱাত তেওঁলোকে আপত্তি কৰা নাছিল। কিন্তু তেওঁলোকে মছীহৰ প্ৰতি বিতৃষ্ণা হৈছিল, কাৰণ তেওঁ ঘৃণনীয় নেতাৰ লগত মিলামিচা কৰিছিল আৰু তেওঁৰ কাৰণেই তেওঁলোকে তেওঁক অভিযোগ কৰিছিল।



ঠিক একেখন চহৰতে আন এখন ঘৰত এজন অবশ ৰোগীক সুস্থ কৰাৰ সময়ত ঈছা মছীহই ইহুদী নেতাসকলক তিৰস্কাৰ কৰিছিল, তেওঁলোকৰ মনৰ ভিতৰত উত্থাপিত আপত্তিজনক প্ৰশ্নৰ বাবে। সম্ভৱত, তেওঁৰ বিৰুদ্ধে তেওঁলোকৰ চিন্তাধাৰাসমূহ প্ৰকাশ্যভাবে জনসমাবেশত প্ৰকাশ কৰা নাই কিয়নো তেওঁলোকৰ মনত এটা ভয় আছিল যে, যদি তেওঁলোকৰ নীৰৱ অভিযোগ সমূহ প্ৰকাশ্য সমালোচনা কৰে তেতিয়া ঈছা মছীহৰ উত্তৰ আৰু অধিক কঠোৰ হব। এইকাৰণেই তেওঁলোকৰ আক্ৰমণটো উম্মতসকলৰ ওপৰত চলাইছিল যে, কিয় তেওঁলোকৰ হুজুৰ গুনাহগাৰ আৰু কৰ আদায়কাৰীৰ লগত মিলামিচা কৰে। মছীহই তেওঁৰ উম্মতসকলক এই প্ৰশ্নৰ উত্তৰ দিবলৈ সুযোগ দিয়া নাই। লগে লগে তেওঁ নিজেই উত্তৰ দিছিল। উম্মতসকলে এতিয়াও এনেধৰণৰ গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰ দিয়াৰ সমৰ্থবান হোৱা নাই, যি আছিল সেয়া তেওঁৰ জগতলৈ আগমনৰ প্ৰাথমিক উদ্দেশ্যৰ লগত সংশ্লিষ্ট। তেওঁৰ প্ৰশ্নৰ উত্তৰত ঈছা মছীহই বুজাই দিছিল যে তেওঁৰ বাহ্যিক কৰ্ম্মকাণ্ডবোৰ আছিল আত্মিক সেৱা কাৰ্য্যৰ চিহ্নমাত্ৰ। তেখেতেই আত্মাৰ সুস্থতা দানকাৰী, এই কথা প্ৰকাশ কৰাৰ কাৰণেই তেওঁ শৰীৰিক সুস্থ কৰিছিল। অসুস্থ সকলক সুস্থ কৰাৰ তেওঁৰ যি আগ্ৰহ তেওঁলোকে দেখা পাইছে ঠিক তেনেকৈ গুনাহৰ পৰা আত্মাবোৰক সুস্থ কৰাৰো তেওঁৰ যি আগ্ৰহ সেয়া তেওঁলোকে উনুকিয়াই চোৱা আৱশ্যক আছিল। ইহুদীসকলৰ ওচৰত ঈছা মছীহই নিজকে **'আত্মাৰ চিকিৎসক'** বুলি প্ৰকাশ কৰিছে। তেওঁলোকৰ উপলব্দি কৰা উচিত আছিল যে, উদ্ধাৰকৰ্তা হিচাপে তেওঁ গুনাহগাৰসকলৰ প্ৰতি সেৱা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

শুশ্ৰূষা কৰিছিল, ধাৰ্ম্মিক সকলৰ প্ৰতি নহয়। যি ৰোগীয়ে নিজকে সুস্থ বুলি কয়, ডাক্তৰে তেওঁৰ চিকিৎসা নকৰে। একে ধৰণে যি গুনাহগাৰে নিজকে ধাৰ্ম্মিক বুলি দাবী কৰে নাজাতদাতাই তেওঁক উদ্ধাৰ নকৰে। ঠিক ইহুদীসকলৰ নেতাসকলে সেয়াই কৰিছিল। সিহঁত নিজকে ধৰ্ম্মগুৰু বুলি অহংকাৰ কৰিছিল আৰু ভাবিছিল, কোনো ধৰণৰ উদ্ধাৰকৰ্তাৰ প্ৰয়োজন তেওঁলোকৰ নাই। যদি সিহঁত প্ৰকৃততে ধাৰ্ম্মিক হলহেঁতেন তেতিয়াহলে হেৰাই যোৱা আত্মাৰ প্ৰতি ঈছা মছীহই মনোযোগ দিয়া আৰু সিহঁতক সঠিক পথত পৰিচালিত কৰা দেখি তেওঁলোকে আনন্দ উল্লাস কৰিলেহেঁতেন। তেওঁ অসুস্থসকলৰ প্ৰতি দৃষ্টি দিছে যাৰ বাবে তেওঁলোকে সুখী হোৱাটো উচিত আছিল। ইয়াৰ অৰ্থ এইটো নহয় যে তেওঁ নিজে অসুস্থ আছিল বা তেওঁ তেওঁলোকৰ অসুস্থতাৰ অংশী হৈছিল।

*“মই ধাৰ্ম্মিকসকলক মাতিব অহা নাই, বৰঞ্চ গুনাহগাৰসকলক মাতিব আহিছো”* –- এই কথা ঘোষণা কৰাৰ সময়ত তেওঁ হৃদয়ৰ অনুতাপৰ গুৰুত্ব প্ৰদৰ্শন কৰিছিল। সেই অনুতাপ আৰু মন পৰিবৰ্তনটো কি, যাৰ প্ৰতি ঈছা মছীহই লোকসকলক আহ্বান কৰিছিল? প্ৰথমে এইটো হল কোনো লোকৰ ফালৰ পৰা এটা সচেতনতা যে, তেওঁ এজন গুনাহগাৰ আৰু গুনাহ ঘৃণাজনক। ইয়াৰ বাহিৰেও, গুনাহৰ কাৰণে সেই ব্যক্তিজনৰ অন্তৰত থাকিব লাগিব অনুশোচনা আৰু সেইবোৰ ত্যাগ কৰিবলৈ অকৃত্ৰিম সংকল্প। অৱশেষত, মানুহজনক মাবুদৰ আশ্ৰয় গ্ৰহণ কৰিব লাগিব, যিজন বেহেস্তী ক্ষমা দান কৰে আৰু বিশ্বস্ত থকাৰ কাৰণে তেওঁ তেওঁৰ সহায় খুজিব লাগিব।



# চাৰি
# বৈথেচ'দা পুখুৰীৰ ওচৰত এজন বেমাৰীক সুস্থ কৰা

এই সকলো ঘটনাৰ পিছত ঈছাই জেৰুজালেমলৈ গল, কাৰণ সেই সময়ত ইহুদীসকলৰ এটা ঈদ আছিল। জেৰুজালেমত মেৰ-ছাগ দুৱাৰৰ ওচৰত পাঁচোটা চালি-ঘৰ থকা, ইব্ৰী ভাষাত বৈথেচ'দা নামৰ এটা পুখুৰী আছে। সেইবোৰত কণা, খোৰা, নিচলা আদি কৰি বহুতো ৰুগীয়া মানুহ পৰি থাকে। এজন ফিৰিস্তাই সময়ে সময়ে আহি পুখুৰীত নামি পানী খলকনি লগায়। আৰু তেওঁৰ পিছত যিজনে সেই পানীত প্ৰথমে নামে তেওঁৰ যিকোনো বেমাৰ ভাল হৈ যায়। সেই বেমাৰীবোৰে পানীৰ খলকনিৰ অপেক্ষাত তাত পৰি থাকিছিল। তাতে আঠত্ৰিছ বছৰৰ ধৰি বেমাৰত ভোগী থকা এজন লোক আছিল। বহু দিন ধৰি বেমাৰীজনে তাত পৰি আছে বুলি জানি ঈছাই তেওঁক সুধিলে, “তুমি সুস্থ হব বিচৰা নে?” বেমাৰীজনে উত্তৰ দিলে, “হুজুৰ মোৰ এনে কোনো নাই যিয়ে মোক পানীৰ খলকনি হোৱাৰ লগে লগে পুখুৰীত নমাই দিব। মই তাত যাওঁতে যাওঁতে মোতকৈ আগতে আন এজনে নামেগৈ।” ঈছাই তেওঁক ক'লে, “উঠা, তোমাৰ বিছনা তুলিলৈ খোজ কাঢ়ি ফুৰা।” তেতিয়া মানুহজনে সুস্থ হল আৰু নিজৰ বিছনা তুলিলৈ খোজ কাঢ়িব ধৰিলে। সেই দিনটো আছিল জুম্মাবাৰ (ইউহোন্না ৫ঃ১-৯ আয়াত)।

ইঞ্জিল প্ৰচাৰক ইউহোন্নাই আমাৰ কাৰণে লিখি গৈছে যে, আঠত্ৰিছ বছৰ ধৰি বেমাৰত আক্ৰান্ত এজন বেমাৰী



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কেনেকৈ সুস্থ হৈছিল। জেৰুজালেমৰ ওচৰত বৈথেচ'দা নামৰ পুখুৰীৰ পাৰত তেওঁ থাকিছিল, যিটো সাময়িকভাবে কম্পমান হৈছিল। লোকসকলে দাবী কৰিছিল যে পানীৰ বুৰবুৰণি যুক্ত কম্পনত সুস্থতাকাৰী শক্তি নিৰ্গত হৈছিল। সুস্থতাৰ কাৰণে মানুহবোৰে তাত ভিড় কৰি থাকিছিল। ইয়াৰ চাৰিওফালে পাঁচোটা চালিযুক্ত ঘাট বনাই দিয়া হৈছিল যত পানীৰ কম্পনৰ কাৰণে অপেক্ষাৰত লোকসকলে থাকিব পাৰিছিল।

এদিনাখন জুম্মাবাৰে ঈছাই সেই পুখুৰীৰ পাৰত চালি দিয়া ঘাট এটালৈ গল। তাতে তেওঁ অন্ধ, কোঙা, লেঙেৰা আদি বেমাৰীক দেখা পালে যিসকলে পানীৰ কম্পমানৰ কাৰণে অপেক্ষা কৰি আছিল। এই লোকসকলৰ মাজৰ পৰা সুস্থ কৰাৰ কাৰণে ঈছা মছীহই এজনক বাছি লৈছিল আৰু জুম্মাবাৰক দয়াৰ এটা আঁচৰিত কৰ্ম্মেৰে আশীবাদযুক্ত কৰিছিল। এই বিশেষ লোকজনক ঈছা মছীহই কিয় বাছি লৈছিল? যথা সম্ভৱ তেওঁৰ বাৰ্ধক্য বয়স নাইবা তেওঁৰ পুৰণি দুৰাৰোগ্য বেমাৰৰ কাৰণেই তেওঁ সেয়া কৰিছিল। নিঃসন্দেহে সেই পুখুৰীৰ পাৰত তেঁৱেই আটাইতকৈ বেচি দিনলৈ বৈ আছিল। দৃশ্য চাই আমি এই সিদ্ধান্তত উপনীত হব পাৰো যে, যিজন ব্যক্তিৰ বেমাৰ তেওঁৰ গোপন পাপৰ ফলত হোৱা বুলি আন মানুহবোৰে ধাৰণা কৰিছে, অথচ যিজনৰ আত্মিক আৰু দৈহিক সুস্থতাৰ প্ৰয়োজন, তেনেকুৱা এজন লোকৰ স্পষ্ট চিত্ৰ ঈছা মছীহই তেওঁৰ মাজত দেখা পাইছিল। তেওঁৰ নিৰাশাজনক দুৰ্দশা সম্বন্ধে তেওঁ হতাশাগ্ৰস্ত আছিল। কোনোবাই নিজৰ অৱস্থা সম্বন্ধে বিতৃষ্ণা হৈ নুঠালৈকে ঈছা মছীহই কাৰো প্ৰতি সহায়ৰ হাত প্ৰসাৰিত নকৰে।



ঈছা মছীহই মানুহজনৰ কাষত থিয় হৈ তেওঁলৈ দৃষ্টি কৰিলে আৰু এটা প্ৰশ্ন সুধিলে, যি একেবাৰে সহজ সৰল বুলি ধাৰণা হৈছিলঃ "তুমি সুস্থ হবলৈ বিচৰা নে?" গালীলৰ এইজন ওস্তাদ এজন পঙ্গু লোকৰ প্ৰতি উৎসাহিত হৈছিল অথচ ইয়াৰ আগতে তেওঁৰ লগত কেতিয়াওঁ লগ হোৱা নাই। এজন অপৰিচিত লোকৰ পৰা এনে ধৰনৰ প্ৰশ্নৰ প্ৰতি মানুহজনে গুৰুত্ব নিদিয়াটো স্বাভাৱিক আছিল, কিন্তু ঈছা মছীহৰ প্ৰতি শ্ৰদ্ধাশীলতাই তেওঁ নিজৰ অনুভূতি মছীহৰ ওচৰত প্ৰকাশ কৰিছিল। নিঃসন্দেহে মানুহজনে মছীহৰ দৈহিক গঠন আৰু কণ্ঠ স্বৰৰ প্ৰতি প্ৰভাবান্বিত হৈছিল, কাৰণ তেওঁ উত্তৰত কৈছিল, "হুজুৰ, মোৰ এনে কোনো নাই যিয়ে মোক পানীৰ খলকনি হোৱাৰ লগে লগে পুখুৰীত নমাই দিব। মই তাত যাওঁতে যাওঁতে মোতকৈ আগতে আন এজনে নামেগৈ।" মছীহই তেওঁৰ আৰোগ্যৰ কাৰণে এটাই মাত্ৰ চৰ্ত দিছিল সেয়া হল, সুস্থ হোৱা বা নোহোৱা সেই আকাঙখা তেওঁৰ নিজৰ ওপৰত। ঈছা মছীহই সকলো গুনাহগাৰ মানুহৰ নাজাত কামনা কৰে আৰু সেইবাবে মানুহজনক পোনে পোনে সুধিছিল যে, তেওঁ নাজাত বিচাৰে নে নিবিচাৰে। মাবুদে সকলোৰে নাজাত কামনা কৰে, কিন্তু প্ৰতিজন পাপীয়েই নিজে নিজে উদ্ধাৰ কামনা কৰিব লাগিব।

বেমাৰী মানুজনৰ উত্তৰৰ পৰা আমি দেখা পাওঁ যে, বেমাৰে তেওঁক এনেকুৱা দুৰ্বল কৰি পেলাইছিল যে, পানীৰ খলকনি হোৱাত তেওঁ নিজে কেতিয়াওঁ আনৰ আগত যোৱাৰ সক্ষমতা নাছিল। আমি আৰু দেখিবলৈ পাওঁ যে, তেওঁ আছিল অকলশৰীয়া; এনেকুৱা কোনো নাছিল যিয়ে তেওঁক জীৱন দানৰ নিচিনা সহায় দিব পাৰে।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

যদি তেওঁ জানিব পাৰিলেহেঁতেন যে, নিঃসহায় বুলি মছীহই তেওঁক বাছি লৈছে, তেতিয়াহলে নিশ্চয় তেওঁৰ ধৰণা হতাশাৰ পৰা আশালৈ ৰূপান্তৰিত হলহেঁতেন। যিসকলে হৃদয়ত উপলব্দি আৰু স্বীকাৰ কৰে যে, তেওঁলোকৰ আন কোনো বেলেগ সহায়কাৰী নাই, ঈছা মছীহই তেওঁলোকক এতিয়াওঁ বিচাৰি ফুৰিছে আৰু উদ্ধাৰ কৰি আছে। দাউদ নবীয়ে লিখিছে, *"তোমালোকে ৰজাসকল নাইবা আদম সন্তানৰ ওপৰত নিৰ্ভৰ নকৰিবা, যিসকলৰ ওচৰত পৰিত্ৰাণ নাই"* (জব্বুৰ ১৪৬ঃ৩ আয়াত)।

অসুস্থ মানুহজন পুখুৰীৰ পাৰত অৱস্থান কৰাটোয়ে এই সত্যক বুজায় যে, তেওঁ সুস্থ হোৱাৰ আকাঙ্খী আছিল। তেতিয়াহলে ঈছা মছীহই তেওঁক কিয় সুধিছিল, "তুমি সুস্থ হবলৈ বিচৰা নে?" হয়তো এনেকুৱাও হব পাৰে যে, শাৰীৰিক বাবে বহুবাৰ ব্যৰ্থতা আৰু বহুদিনলৈ বেমাৰত ভোগাৰ কাৰণে মানুহজনৰ ইচ্ছা শক্তিও নিঃশেষ হৈ পৰিছিল। এই কাৰণে তেওঁৰ ইচ্ছা শক্তিক জাগ্ৰত কৰাটো প্ৰয়োজন আছিল যাতে তেওঁ মছহীৰ আৰোগ্যকাৰী শক্তিৰ ওচৰত আত্মসমৰ্পন কৰিবলৈ সক্ষম হয়। দীৰ্ঘদিনৰ অভ্যাসলৈ পৰিণত হোৱা তেওঁৰ জড়তাৰ পৰা ঈছা মছীহে তেওঁক জগাবলৈ চেষ্টা কৰিছিল। একে ধৰণৰ কাম তেওঁ সেইসকল গুনাহগাৰৰ ক্ষেত্ৰতো কৰিব বিচাৰে, যিসকলে গুনাহৰ পৰা নাজাত পোৱাৰ আশাত বাহ্যিক ধৰ্ম্মানুষ্ঠান আদি পালন কৰে। গুনাহৰ শক্তিক পৰাভূত কৰিবলৈ অবিৰত চেষ্টা কৰা লোকজন ব্যৰ্থতাৰ ভয়ত ভয়াতুৰ আছিল, কাৰণ অতীতত তেওঁ সঁচৰাচৰ ব্যৰ্থ হৈছে। সময় পাৰ হোৱা তথা সাফল্যৰ আশাহীনতাৰ লগে লগে তেওঁৰ ইচ্ছা শক্তিও



হ্ৰাস পাইছিল আৰু সহায় বিচাৰিবলৈও বন্ধ কৰি দিছিল। এই কাৰণেই ঈছা মছীহে তেওঁক সুধিছিল, তেওঁ সুস্থ হব বিচাৰে নে নিবিচাৰে।

ঈছা মছীহই যিসকলক সহায় কৰিব বিচাৰে তেওঁলোকৰ ওচৰত তেওঁ আকোৰগোজ গুভাৱৰ নিচিনাকৈ সুধি থাকে যে, তেওঁলোকে প্ৰকৃততে সহায় বিচাৰে নে নিবিচাৰে, কাৰণ তেওঁৰ প্ৰস্তাৱিত নাজাত বহুতেই নিবিচাৰে। ঈছা মছীহই এই অমূল্য নাজাত সিহঁতলৈয়ে দান কৰে যিসকলে সৰ্ব্বান্তঃকৰণে সেয়া বিচাৰে।

সুস্থ হবলৈ মানুহজনে তেওঁৰ নিজস্ব পদ্ধতি অনুসৰণ কৰিবলৈ স্থিৰ কৰি লৈছিল। অথচ তেওঁৰ সুস্থতাটো আশা কৰাতকৈ ভিন্ন পদ্ধতিৰে আহিছিল। আশীৰ্বাদৰ কাৰণে তেওঁ সকলো সময়ত পুখুৰীৰ ফালে চাই থাকিছিল যে, কেতিয়া সেই আকাঙ্খিত ফিৰিস্তাই আহি পানী খলকাব। কিন্তু তেওঁৰ সলনি যিজনক সকলো ফিৰিস্তাই সন্মান কৰি চলে সেইজন মছীহ আহিল। তেওঁ এই পঙ্গু লোকজনক এনেকুৱাকৈ সম্পূৰ্ণৰূপে সুস্থতা দান কৰিলে যে, যি কোনেও কোনোদিন সম্ভৱ বুলি কল্পনাও কৰিব পৰা নাছিল।

ঈছা মছীহই বেমাৰীজনক ক'লে, "উঠা, তোমাৰ বিছনা তুলিলৈ খোজ কাঢ়ি ফুৰা।" যদি বেমাৰীজনে এনকুৱা ভাষাত উত্তৰ দিলেহেতেঁন যে "দয়া কৰি মোক উঠিবলৈ সহায় কৰিব আৰু পানীৰ খলকনি হলে মোক পুখুৰীলৈ লৈ যাব। তাৰ পিছত মই মোৰ বিছানা তুলি খোজ কাঢ়িবলৈ সমৰ্থ হম। মোৰ অৱস্থা চাই যদি আপুনি সঁচাকৈ চিন্তান্বিত হৈছে তেন্তে পানী খলকনি নোহোৱালৈকে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মোৰ ওচৰতেই অপেক্ষা কৰক। মোৰ প্ৰয়োজনীয় সময়ত মোৰ বন্ধু হওঁক। আপুনি সেইজনেই হয় যিজনৰ সহায়ৰ কাৰণে মই সদায় অপেক্ষা কৰি আহিছো, অথচ যিজন কেতিয়াও অহা নাই।” এনেকুৱা কথা তেওঁ কোৱা নাই, তেওঁৰ বিশ্বাস আছিল আৰু সেইমতে তেওঁ কৰ্ম্মও কৰিছিল। এইকাৰণে আমি তেওঁৰ প্ৰশংসা কৰো। এই মানুহজনৰ পৰা আমি শিক্ষা লাভ কৰো যে, নাজাতৰ কাৰণে প্ৰয়োজনীয় জ্ঞান পোৱা যায় ঈছা মছীহৰ পৰা আৰু সেয়া তেওঁৰ শিক্ষা সমূহ ধ্যান কৰাৰ জৰিয়তে। আমাৰ মাজত নিহিত ধাৰণা নাইবা আন মানুহৰ পৰা সেয়া নাহে।

অসুস্থতাৰ পৰা সুস্থ হোৱা যিহেতু গুনাহৰ পৰা উদ্ধাৰ পোৱাৰ এটি লক্ষণ, সেয়ে জুম্মাবাৰ (বিশ্ৰামবাৰ) হোৱা স্বত্বেও ঈছা মছীহই লোকজনক সুস্থতা দান কৰাটো বন্ধ কৰা নাই। উদ্ধাৰকাৰ্য্যটো পলম কৰিব পৰা নাযায়। ঈছা মছীহই যেতিয়া মানুহজনক কৈছিল, “উঠা” তেতিয়া তেওঁৰ পক্ষে যিমানখিনি কৰা সম্ভৱ কেৱল সেয়াই কৰিব কৈছিল। গুনাহগাৰ সকলৰ প্ৰতি ঈছা মছীহ এতিয়াওঁ কয়, “নিশ্চিন্তে থাকা, যিজনে তোমাক তেওঁৰ ওচৰলৈ আহিবলৈ আদেশ কৰে, তেওঁ তোমাক সেইটো কৰিবলৈ প্ৰয়োজনীয় শক্তিও দিব। তুমি কিতাবুল মোকাদ্দছ অধ্যায়ন কৰিব পাৰা। মোনাজাতত তুমি মূৰ নত কৰিব পাৰা। আন আন বিশ্বাসীসকলৰ পৰা তুমি সহভাগিতা আৰু শিক্ষা লাভ কৰিব পাৰা। যিসকলক তুমি আধ্যাত্মিক নেতা বুলি বিবেচনা কৰা তেওঁলোকৰ পৰা পৰামৰ্শ বিচাৰিব পাৰা। এতিয়া উঠা আৰু ন্যায় পথত আগবঢ়া”

এই হতাশাগ্ৰস্ত লোকজনৰ হৃদয়ত ঈছা মছীহই



আশাৰ সঞ্চাৰ কৰিছিল। তেওঁ তেওঁৰ পেশীসমূহত নতুন কৰ্মশক্তিৰ অনুভৱ কৰিলে আৰু লগে লগেই তেওঁ সুস্থ হল; তেওঁ উঠি থিয় দি নিজৰ বিছানা তুলি লৈ খোজ কাঢ়িব ধৰিলে। ঈছা মছীহই যেতিয়া মানুহজনক তেওঁৰ বিছানা তুলি লবলৈ কৈছিল, তেতিয়া তেওঁ বিচাৰিছিল যেন মানুহজনৰ এনেকুৱা এটা কামৰ মাজেদি তেওঁ বিনামূল্য তাৎক্ষণিকভাবে প্ৰাপ্ত সম্পূৰ্ণ সুস্থতাৰ প্ৰদৰ্শন কৰে যিয়ে তেওঁৰ আৰোগ্যকাৰীক সন্মানিত কৰিব। তেওঁৰ ইচ্ছাটো আছিল এই – ইমান বছৰে তেওঁ যি ঠাইত আছিল সেই ঠাই এৰি গুচি যাব আৰু কেতিয়াওঁ তালৈ ওভতি নাযাব। উঠিবলৈ তথা নিজৰ সৈতে আনৰো উপকাৰী কৰ্ম্ম কৰিবলৈয়ে যেন ঈছা মছীহই তেওঁক আদেশ কৰিছিল। গুনাহগাৰসকলৰ প্ৰতি ঈছা মছীহই কয়, “তোমালোকৰ গুনাহৰ ফলবিলাক পৰিবৰ্তন কৰা, কাৰণ তোমালোকে এতিয়া বিনামূল্যে সম্পূৰ্ণৰূপে ক্ষমা পাইছা। সেয়ে গৈ তোমাৰ জনা কৰ্ম্মসমূহ আল্লাহৰ আৰু আনৰ কাৰণে কৰা। আনৰ যোগেদি তোমাৰ সেৱা কৰোৱাৰ পৰিবৰ্ত্তে, বৰঞ্চ তুমি তেওঁলোকৰ সেৱা কৰা। তোমাৰ উত্তম কৰ্ম্মসমূহ দি তোমাৰ নাজাতৰ প্ৰমাণ দিয়া। গুনাহপূৰ্ণ পূৰ্ব্বৰ জীৱনলৈ কেতিয়াও উভতি নোযোৱাৰ বাবে তুমি দৃঢ় সংকল্প গ্ৰহণ কৰা।”

ঈছা মছীহই যেতিয়া মানুহজনক খোজ কাঢ়িবলৈ কৈছিল, তেতিয়া এটা কথা স্পষ্ট যে তেওঁ বেমাৰীজনৰ আৰোগ্য কামনা কৰিছিল। তেওঁ আৰু বিচাৰিছিল যেন তেওঁ অসুস্থসকলৰ লগত সংগ এৰি সুস্থসকলৰ সংগত আহিব তথা তেওঁলোকৰ নিচিনা হব। তেওঁৰ কাৰণে ঈছা মছীহই কি কৰিছিল সেয়া আনক দেখুওৱাৰ কাৰণে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

লোকসকলৰ ওচৰত যোৱাটো তেওঁৰ কৰ্তব্য আছিল। নাজাতপ্ৰাপ্ত প্ৰতিজন বিশ্বাসীয়ে তেওঁৰ পূৰ্ব্বৰ দুষ্ট সহযোগীসকলক পৰিত্যাগ কৰি বিশ্বাসীসকলৰ লগত সহযোগ কৰা উচিত যাতে তেওঁৰ ঈমান আৰু শক্তিশালী হয়। তেওঁৰ জীৱনত সংঘটিত গুৰুপূৰ্ণ পৰিবৰ্তনটো কথা আৰু কৰ্ম্মৰ যোগেদি আনৰ ওচৰত প্ৰকাশ কৰিব লাগিব আৰু সেয়া কৰি তেওঁ নাজাতদাতাৰ গৌৰৱ প্ৰশংসা কৰিব। ঈছা মছীহই বৈথেচ'দাৰ চালি ঘৰ থকা ঘাটক বেহেস্তী আৰোগ্যসাধনকাৰী শক্তি প্ৰকাশৰ ঠাই হিচাপে পৰিণত কৰিছিল। অনুশোচনাৰ মোনাজাতৰ ঠাইকো ঈছা মছীহই নাজাতৰ ঠাইৰূপে পৰিবৰ্ত্তিত কৰে।

এইকাৰণে, যিজনক সুস্থ কৰা হৈছিল তেওঁক ইহুদীনেতাসকলে ক'লে, "আজি জুম্মবাৰ, শ্বৰীয়তমতে বিছনা তুলি নিয়াটো তোমাৰ উচিত নহয়।" তেতিয়া তেওঁ সেই নেতাসকলক ক'লে, "কিন্তু যিজনে মোক সুস্থ কৰিছে তেঁৱেই মোক কৈছে, 'তোমাৰ বিছনা তুলিলৈ খোজকাঢ়ি ফুৰা'।" তেওঁলোকে সেই লোকজনক সুধিলে, "কোন সেইজন, যিয়ে তোমাক "তোমাৰ বিছনা তুলিলৈ খোজকাঢ়ি ফুৰা' বুলি কৈছে?" কিন্তু যিজন মানুহ সুস্থ হৈছিল তেওঁ নাজানে, তেওঁ কোন, কাৰণ সেই ঠাইত বহুতো মানুহে ভিড় কৰিছিল কাৰণে ঈছা মছীহই তেওঁৰ পৰা গুচি গৈছিল। ইয়াৰ পিছত ঈছা মছীহই সেই মানুহজনক এবাদত খানাত দেখা পাই ক'লে, "চোৱা, তুমি ভাল হৈছা। "গুনাহত জীৱন নিৰ্ব্বাহ নকৰিবা, যাতে তোমাৰ আৰু লোকচান নহয়।" তেতিয়া সেই মানুহজনে ইহুদী নেতাসকলৰ ওচৰলৈ গৈ ক'লে যে, যিজনে তেওঁক সুস্থ কৰিছে, তেওঁ ঈছা (ইউহোন্না ৫ঃ১০-১৫ আয়াত)।



বেমাৰীজনে তেওঁৰ সুস্থতাকাৰীৰ আদেশ স্বীকাৰ কৰিলে। তেওঁ তেওঁৰ বিছানা তুলি ললে আৰু মানুহৰ মাজেদি খোজ কাঢ়িব ধৰিলে। দিনটো আছিল জুম্মবাৰ, ইহুদীনেতাসকলে তেওঁৰ সমালোচনা কৰিলে আৰু কোনে তেওঁৰ বিছনা তুলি লোৱাৰ আদেশ দিছে, এই প্ৰশ্নৰ উত্তৰত তেওঁ ক'লে যে, তেওঁ নাজানে। তেওঁলোকৰ কাৰণে ঈছা মছীহই যি কৰিছে তেওঁৰ বাবে বহুতেই সন্তুষ্ট থাকে সঁচা, অথচ তেওঁলোকে তেওঁৰ লগত ঘনিষ্ঠ সম্পৰ্ক গঢ়িবলৈ চেষ্টা নকৰে, তেওঁলোকে নাজাত পোৱাৰ কাৰণে তেওঁৰ প্ৰতি কৃতজ্ঞতাও প্ৰকাশ নকৰে।

ধৰ্ম্মীয় অন্ধবিশ্বাসৰ গোড়ামিত ইহুদী নেতাসকলৰ মন পৰিপূৰ্ণ আছিল। তেওঁলোকে ঈছা মছীহক অভিযুক্ত কৰিবলৈ প্ৰয়াস কৰিলে, কাৰণ তেওঁ লোকজনক জুম্মাবাৰে তেওঁৰ বিছনা তুলি কঢ়িওৱাৰ কথা কৈছিল। কোনে তেওঁক সুস্থ কৰিছিল, মানুহজনক সেইটো সুধিবলৈ তেওঁলোকৰ চেতনা নাছিল, কিন্তু তেওঁলোকৰ পোনপটীয়া প্ৰশ্ন আছিল, "সেইজন কোন, যিয়ে তোমাক "তোমাৰ বিছনা তুলিলৈ খোজকাঢ়ি ফুৰা" বুলি কৈছে? যেতিয়া তেওঁলোকে জানিব পাৰিলে যে সেয়া তেওঁ নাজানে, তেতিয়া তেওঁলোকে গুচি গল। কিন্তু ঈছা মছীহই তেওঁক এৰি যোৱা নাই। তেখেঁত এবাদতখানাত তেওঁৰ ওচৰলৈ গৈ ক'লে, "চোৱা, তুমি ভাল হৈছা। "গুনাহত জীৱন নিৰ্ব্বাহ নকৰিবা, যাতে তোমাৰ আৰু লোকচান নহয়।" এজন মানুহ যিমানেই কষ্টভোগ নকৰক কিয় সেইবোৰে তেওঁক মন পৰিবৰ্তনৰ ফালে লৈ নাযায় অথবা তেওঁৰ বেয়া প্ৰবৃত্তিবোৰ নিবাৰণ নকৰে। সুস্থ হোৱা লোকজনৰ আগৰ দুৰ্দশাই এই নিশ্চয়তা বহন নকৰে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

যে, তেওঁ গুনাহৰ পৰা আঁতৰত থাকিব। এই কাৰণেই ঈছা মছীহে বিচাৰিছিল যেন তেওঁ তালৈ আৰু কেতিয়াও উভতি নাযায়।

মানুহজনে তেওঁৰ সুস্থতাকাৰীৰ নাম জানিব পাৰিয়েই ইহুদীনেতাসকলৰ ওচৰলৈ গৈ সেইটো কৈছিল। তেওঁলোকে ঈছা মছীহক হত্যা কৰিব বিচাৰিলে, কাৰণ তেওঁ জুম্মাবাৰে সুস্থ কৰিছিল আৰু আল্লাহক তেওঁৰ পিতা বুলি কৈছিল। ইয়াৰ দ্বাৰা তেওঁ নিজকে আল্লাহৰ সমান কৰিছিল। পাক-কিতাবত আমি বহুবাৰ মানব জাতিক আল্লাহৰ সন্তানৰূপে বৰ্ণনা কৰা দেখা পাও। সেইটো হলেও এই বৰ্ণনাটোয়ে এই ধৰণৰ অৰ্থ প্ৰকাশ নকৰে যে, মানুহবিলাক আল্লাহৰ সমপৰ্য্যায়ৰ। যিহেতু ঈছা মছীহে আল্লাহৰ লগত তেওঁৰ সমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, সেই হেতুকে ইহুদীনেতাসকলে তেওঁৰ কথাবোৰত আল্লাহৰ পাক পবিত্ৰতা ভংগ কৰা বুলি বিবেচনা কৰিছিল আৰু ঈছা মছীহক আল্লাহৰ বিদ্ৰুপকাৰী হিচাপে মৃত্যুদণ্ড দিয়াৰ বিষয়ে চিন্তা চৰ্চা আৰম্ভ কৰিছিল। প্ৰকৃততেঃ ঈছা মছীহৰ প্ৰতি তেওঁলোকৰ আক্ৰমনাত্মক প্ৰতিৰোধৰ কাৰণে আমি তেওঁলোকৰ ওচৰত ঋণী, কাৰণ সেইটোয়ে জনসাধাৰণৰ মাজত তেওঁৰ বেহেস্তী প্ৰকৃতি আৰু পিতাৰ লগত তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক ঘোষণা কৰাৰ সুযোগ আনি দিছিল।

এই হেতুকে ঈছাই উত্তৰ দি নেতাসকলক ক'লে, "*মই তোমালোকক সঁচাকৈ কওঁ, পুত্ৰই পিতৃক যি যি কৰ্ম্ম কৰা দেখে তেওঁৰ বাহিৰে পুত্ৰই নিজে একো কৰিব নোৱাৰে। কিয়নো পিতৃয়ে যিহকে কৰে পুত্ৰয়ো একেদৰে তাকেহে কৰে। কাৰণ পিতৃয়ে পুত্ৰক প্ৰেম কৰে আৰু নিজে যি যি*



*কৰে, সেই সকলোকে তেওঁক দেখুৱায়; আৰু তোমালোকে যেন বিস্ময় মানা, এই নিমিত্তে, ইয়াতকৈয়ো মহৎ মহৎ কৰ্ম্ম তেওঁক দেখুৱাব। কিয়নো পিতৃয়ে যেনেকৈ মৃতবিলাকক তুলি জীয়ায়, পুত্ৰয়ো যাকে যাকে ইচ্ছা কৰে, তেনেকৈ তাকে তাকে জীয়ায়। সকলোৱে যেনেকৈ পিতৃক সমাদৰ কৰে, পুত্ৰকো তেনেকৈ যেন সমাদৰ কৰে, এই নিমিত্তে পিতৃয়ে নিজে কাৰো সোধ বিচাৰ নকৰি, আটাই সোধ-বিচাৰৰ ভাৰ পুত্ৰক শোধাই দিলে। যি জনে পুত্ৰক সমাদৰ নকৰে, তেওঁ তেওঁক পঠোৱা পিতৃকো সমাদৰ নকৰে।*

*মই তোমালোকক অতি গুৰুপকৈ কওঁ, যি জনে মোৰ কথা শুনি মোক পঠোৱা জনাত বিশ্বাস কৰে, সেইজনৰ অনন্ত জীৱন আছে; আৰু তেওঁ সোধ-বিচাৰলৈ আহিব নালাগে, কিন্তু মৃত্যুৰ পৰা জীৱনলৈ পাৰ হল। মই তোমালোকক অতি স্বৰূপকৈ কও, যি সময়ত মৃতবিলাকে আল্লাহৰ পুত্ৰৰ মাত শুনিব, আৰু যিবিলাকে শুনে, তেওঁবিলাক জীব, এনে সময় আহিছে, এতিয়াই হৈছে। কিয়নো পিতৃৰ যেনেকৈ নিজত জীৱন আছে, পুত্ৰৰো তেনেকৈ নিজত জীৱন থাকিবলৈ দিলে; আৰু ইব'নে আদম হোৱাৰ কাৰণে, সোধ-বিচাৰ কৰিবলৈকো তেওঁক ক্ষমতা দিলে। তোমালোকে ইয়াত বিস্ময় নামানিবা; কিয়নো যি কালত কবৰত থকা সকলোৱে তেওঁৰ মাত শুনি, সৎকৰ্ম্ম কৰাবিলাক জীৱনৰ পুনৰুত্থানলৈ আৰু কুকৰ্ম্ম কৰাবিলাক সোধ-বিচাৰৰ পুনৰুত্থানলৈ ওলাব, সেই কাল আহিছে। মই নিজৰ পৰা একো কৰিব নোৱাৰোঁ; যেনেকৈ শুনিছো, তেনেকৈ সোধ-বিচাৰ কৰিছো; আৰু মোৰ বিচাৰ ন্যায়; কিয়নো মই নিজ*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*ইচ্ছামতে একো কৰিব নিবিচাৰো, কিন্তু যিজনে মোক পঠাইছে তেওঁৰ ইচ্ছামতেই কৰ্ম্ম কৰিব বিচাৰো"* (ইউহোন্না ৫ঃ১৯-৩০ আয়াত)।

তেওঁৰ পিতৃ আল্লাহৰ সৈতে তেওঁৰ সমতাৰ যি দাবী সেয়া তেওঁ অস্বীকাৰ কৰা নাই। আকৌ তেওঁ মনে মনেও থকা নাই, পিছে তেওঁৰ সেই মৌনতাই সম্পৰ্কিত বিষয়ত, তেওঁলোকৰ মতামতৰ স্বীকাৰোক্তি হিচাপে বিবেচিত হয়। তেখেতে বৰঞ্চ বিপৰীতটোহে কৰিছিল; তেওঁলোকৰ দোষাৰূপবোৰ বৰ্ণনা কৰি তেওঁ কৈছিল যে, পিতৃয়ে যি যি কৰে তেওঁ নিজেও সেইবোৰ কৰে, কিয়নো পিতৃয়ে তেওঁক মৰম কৰে আৰু তেখেঁত যি কৰে সেই সকলোই তেওঁক দেখুৱায়। পিতৃয়ে যেনেকৈ মৃতসকলক উঠায় আৰু জীৱন দিয়ে তেনেকৈ পুত্ৰয়ো যিজনক ইচ্ছা তেওঁক জীৱন দিয়ে। পিতৃয়ে কাৰো বিচাৰ নকৰিব, কিন্তু বিচাৰৰ সম্পৰ্ণূ ভাৰ পুত্ৰৰ ওপৰত অৰ্পণ কৰিছে, যাতে পিতৃক সকলোয়ে যেনেকৈ সন্মান কৰে তেনেকৈ পুত্ৰকো সকলোৱে সন্মান কৰে। এই কাৰণে যিসকলে পুত্ৰক সন্মান নকৰে তেওঁলোকে তেওঁক পঠোৱা পিতৃকো সন্মান নকৰে। পিতৃৰ মাজত জীৱন আছে আৰু তেখেঁত পুত্ৰকো তেওঁৰ নিজৰ মাজত জীৱন ৰাখিবলৈ দিছে; তেখেতে পুত্ৰক বিচাৰ কৰাৰ ক্ষমতা দিছে, কাৰণ তেওঁ ইব'নে-আদম।

আল্লাহ তেওঁৰ পিতৃ, নাইবা আল্লাহৰ লগত তেওঁ সমতাৰ সহভাগী–এই সত্যটো মছীহই বাতিল কৰা নাই। প্ৰকৃতপক্ষেঃ এই সম্পৰ্কত তেওঁ মনে মনে থাকিব নোৱাৰিলেহেঁতেন। কিন্তু সেই সম্পৰ্কত তেওঁ আৰু বক্তব্য যোগ কৰি সত্যটোক দৃঢ় কৰিছিল, যেনেঃ



মই নিজৰ বিষয়ে যদি নিজে সাক্ষী দিওঁ, তেন্তে মোৰ সাক্ষী স্বৰূপ নহয়। কিন্তু মোৰ বিষয়ে সাক্ষী দিওঁতা আন এজনা আছে; আৰু তেওঁ মোৰ বিষয়ে যি সাক্ষী দিয়ে, সেই সাক্ষী স্বৰূপ বুলি জানো। তোমালোকে ইয়াহিয়াৰ ওচৰলৈ মানুহ পঠালত, তেওঁ সত্যতাৰ পক্ষে সাক্ষী দিলে। কিন্তু মই যি সাক্ষী গ্ৰাহ্য কৰোঁ, সেয়ে মানুহৰ পৰা নহয়; তথাপি তোমালোকে যেন নাজাত পোৱা, এই নিমিত্তে মই এই কথা কৈছোঁ। সেই ইয়াহিয়া জ্বলি থকা দিপ্তীমন্ত প্ৰদীপ আছিল; আৰু তোমালোক অলপ কাল তেওঁৰ পোহৰতে আনন্দ কৰিবলৈ সন্মত আছিলা। কিন্তু মোৰ যি সাক্ষী আছে, সেয়ে ইয়াহিয়াৰ সাক্ষীতকৈ গুৰুতৰ; কিয়নো পিতৃয়ে যি যি কৰ্ম্ম মোক সিদ্ধ কৰিবলৈ দিলে, মই কৰা সেই কৰ্ম্মই মোৰ বিষয়ে, পিতৃয়ে মোক পঠোৱাৰ সাক্ষী দিছে। আৰু যি পিতৃয়ে মোক পঠালে, তেৰোঁ মোৰ বিষয়ে সাক্ষী দিলে। তেওঁৰ মাত তোমালোকে কোনো কালে শুনা নাই, তেওঁৰ ৰূপো দেখা নাই। আৰু তেওঁৰ কালাম তোমালোকৰ ভিতৰত নাথাকে; কিয়নো যিজনক পঠালে, সেই জনত তোমালোকে বিশ্বাস নকৰা। তোমালোক ধৰ্ম্ম শাস্ত্ৰৰ কথা বিচাৰা; কিয়নো সেই শাস্ত্ৰত তোমালোকৰ আখেৰী জীৱন আছে বুলি ভাবা; আৰু সেই শাস্ত্ৰেই মোৰ বিষয়ে সাক্ষী দিছে; তথাপি তোমালোকে জীৱন পাবলৈ, মোৰ ওচৰলৈ আহিবলৈ সন্মত নোহোৱা। মই মানুহৰ পৰা মৰ্য্যদা নলওঁ। কিন্তু মই তোমালোকক জানো যে, তোমালোকৰ ভিতৰত আল্লাহৰ প্ৰেম নাই। মই মোৰ পিতৃৰ নামেৰে আহিছো, তথাপি তোমালোকে মোক গ্ৰহণ নকৰা; আন কোনোবাই যদি নিজৰ নামেৰে আহে, তোমালোকে তেওঁক গ্ৰহণ কৰিবা। যি মৰ্য্যদা একেজনা আল্লাহৰ পৰা হয়, তাক নিবিচাৰি, ইজনে সিজনৰ পৰা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মৰ্য্যদা লৈ, তোমালোকে কেনেকৈ বিশ্বাস কৰিব পাৰিবা ? মই পিতৃৰ আগত তোমালোকক দোষীম, এনে নাভাবিবা; যি জনত ভৰসা কৰিছা, সেই হজৰত মূছাই তোমালোকক দোষীব। যদি তোমালোকে মূছাৰ কথাত বিশ্বাস কৰিলাহেঁতেন, তেতিয়াহলে মোৰ কথাতো বিশ্বাস কৰিলাহেতেঁন, কাৰণ মূছাই মোৰ বিষয়েই লিখিছে। কিন্তু তেওঁৰ লিখা কথাই যদি বিশ্বাস নকৰা, তেন্তে মোৰ মুখৰ কথা কেনেকৈ বিশ্বাস কৰিবা ?

তেওঁৰেই আল্লাহৰ একমাত্ৰ পুত্ৰ, এই বিষয়ে মছীহই আমাৰ ওচৰত পাঁচটা (প্ৰমাণ) সাক্ষী উপস্থাপন কৰিছেঃ

১। ত্বৰীকাবন্ধীদাতা ইয়াহিয়াৰ সাক্ষী - সম্ভৱত মছীহৰ শ্ৰোতাসকলে ইয়াৰ আগতে ইয়াহিয়াৰ

এই সাক্ষী শুনিছিল যে, তেখেঁত আল্লাহৰ পুত্ৰ। ঈছা মছীহই ইয়াহিয়াৰ সাক্ষীৰ উল্লেখ কৰিছিল, কাৰণ তেওঁৰ শ্ৰোতাসকলে ইয়াহিয়াৰ সত্যবাদিতাত সন্দেহ নকৰিব; সেইয়া তেওঁলোকে অস্বীকাৰো কৰিব নোৱাৰিব। এনেকৈ মছীহেও তেওঁৰ শ্ৰোতাসকলৰ ঈমান আনিবলৈ সহায় কৰাৰ কাৰণে সেয়া ব্যৱহাৰ কৰিছিল যে, তেৱেঁই আল্লাহৰ পুত্ৰ।

২। তেওঁৰ নিজৰ মহৎ মহৎ কৰ্ম্ম আৰু আচৰিত কৰ্ম্মৰ সাক্ষী।

৩। যি জনৰ সাক্ষী আন কাৰো লগত তুলনা কৰিব নোৱাৰি, স্বয়ং আল্লাহৰ সাক্ষী –মছীহৰ শ্ৰোতাসকলে গুনাহৰ মাজত ইমানেই ডুবি গৈছিল যে, তেওঁলোকে আল্লাহৰ কণ্ঠস্বৰ শুনিবলৈ পোৱা নাছিল। তেওঁলোকে তেওঁক দেখিবলৈও পোৱা নাছিল যেনেকৈ ঈছা মছীহে দেখা পাইছিল।



৪।পাক কিতাপৰ সাক্ষী: মছীহই কৈছিল, আপোনালোকে পাক কিতাপ বৰ মনোযোগেৰে পঢ়ে, কাৰণ আপোনালোকৰ ধাৰণা কৰে যে, সেইবোৰৰ মাজতেই আখেৰী জীৱন পোৱা যাব। কিন্তু সেই কিতাপেতো মোৰ বিষয়েই সাক্ষী দিয়ে....।

৫। তেওঁলোকৰ মহান শৃৰীয়তদাতা মুছাৰ সাক্ষী: ঈছা মছীহই কৈছিল, “..... আপোনালোকে যদি মুছাৰ কথা বিশ্বাস কৰিলেহেতেঁন তেন্তে মোৰ কথাতো বিশ্বাস কৰিলেহেঁতেন, কাৰণ মুছা নবীয়েতো মোৰ বিষয়েই লিখিছে। কিন্তু যেতিয়া আপোনালোকে তেওঁৰ লিখাত বিশ্বাস কৰা নাই, তেন্তে কেনেকৈ মোৰ কথাত বিশ্বাস কৰিব ? ”

ঈছাৰ ওপৰত ন্যস্ত কৰা আল্লাহ প্ৰদত্ত দুইবিধ কাৰ্য্যৰ বিৱৰণী ঈছা মছীহই দিছে, যেনেকৈ–পুনৰাই জীৱন দিয়া আৰু জীৱন ধ্বংস কৰা। সেয়া যিয়েই হওক মানুহসকলে নিজ নিজ পচন্দৰ ফলতে ধ্বংস হয়, সেইটো তেওঁৰ এই উক্তিৰ দ্বাৰাই স্পষ্ট কৰি দিছিল, “.....তথাপিওঁ আপোনালোকে নাজাত পোৱাৰ কৰণে মোৰ ওচৰলৈ আহিব নিবিচাৰে।” পিছে তেওঁৰ অনুসাৰী সকলে বিশ্বাস কৰে যে তেওঁ আছিল সম্পূৰ্ণৰূপে বেহেস্থী প্ৰকৃতিৰ, এই কাৰণে তেওঁ তেওঁৰ মানৱীয়তাৰ ওপৰত প্ৰাধান্য দিছিল। তেওঁ কৈছিল যে, আল্লাহে তেওঁক বিচাৰ নিষ্পত্তিৰ ক্ষমতা দিছে, কাৰণ তেওঁ মানুহৰ পুত্ৰ। ফিলিপীয় ২ঃ৫-১১ আয়াতে এই বিষয়টো স্পষ্ট কৰেঃ

*“ঈছা মছীহৰ যি মনোভাৱ আছিল, সেয়া যেন তোমালোকৰ অন্তৰতো থাকে। স্বভাৱত তেওঁ আল্লাহৰূপী থাকোতে, আল্লাহৰ সমান হোৱাকেই কাঢ়ি লোৱা বুলি*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*নামানিলে; কিন্তু নিজকে শূন্য কৰি গোলামৰ ৰূপ ধাৰণ কৰি, মানুহৰ নিচিনা হল; আৰু আকাৰ প্ৰকাৰত মানুহৰ দৰে হৈ নিজকে সৰু কৰি, মৃত্যুলৈকে, এনেকি, সলীৱী মৃত্যুলৈকে আজ্ঞাধীন হল। এই হেতুকে বেহেস্তত, জগতত আৰু জগতৰ তলত নিবাস কৰা সকলোৱে যেন ঈছা মছীহৰ সন্মুখত আঠু কাঢ়ে, আৰু ঈছা মছীহই যে মাবুদ ইয়াক যেন আল্লাহৰ গৌৰবৰ অৰ্থে স্বীকাৰ কৰে।"*

আল্লাহই যি গৌৰব প্ৰদান কৰে সেই সম্বন্ধে যত্নবান নোহোৱাৰ কাৰণে ঈছা মছীহই তেওঁৰ শ্ৰোতাসকলক ধিক্কাৰ দিছিল। তেওঁলোকে একমাত্ৰ সেই পাৰ্থিৱ গৌৰবৰ কাৰণে চিন্তা ভাবনা কৰিছিল যি মানুহৰ পৰা আহে।

প্ৰিয় পাঠক/ পাঠিকাসকল, **মছীহ সম্বন্ধে আপুনি কি চিন্তা কৰে**? তেওঁৰ বিষয়ে ঈঞ্জিল শৰীফে যি কয় তাত আপুনি ঈমান আনিবনে?



# পাঁচ
# ৰোজাৰ বিষয়ে দিয়া ঈছা মছীহৰ শিক্ষা

এবাৰ তৰীকাবন্দীদাতা ইয়াহিয়াৰ উম্মতসকল আৰু ফৰীচীসকলে ৰোজা ৰাখিছিল। এইটো চাই কেইজনমানে ঈছাৰ ওচৰলৈ আহি ক'লে, *"ইয়াহিয়াৰ উম্মতসকল আৰু ফৰীচীৰ সাগৰিদ সকলে ৰোজা ৰাখে, কিন্তু আপোনাৰ উম্মতসকলে নাৰাখে কিয়?"* ঈছাই সিহঁতক ক'লে, *"দৰা লগত থাকোতে জানো দৰাৰ বন্ধু সকলে লঘোনে থাকিব পাৰে? যিমান দিনলৈ দৰা লগত থাকিব সিমান দিনলৈ সিহঁত ৰোজা ৰাখিব নোৱাৰে। কিন্তু সময় আহি আছে যেতিয়া দৰাক তেওঁলোকৰ পৰা লৈ যোৱা হব, আৰু তেতিয়া তেওঁলোকে ৰোজা ৰাখিব। " কোনোবাই পুৰণি কাপোৰত নতুন কাপোৰেৰে ঢাপলি নিদিয়ে। যদি দিয়ে তেন্তে সেয়া পুৰনি কাপোৰৰ পৰা নতুন ঢাপলিটো ছিঙি আহে। যাৰ ফলত সেই ফটা আৰু সৰহ হয়। আৰু পুৰণি ছালৰ মোটত নতুন দ্ৰাক্ষাৰস কোনেও নথয়; যদি থয়, তেন্তে ৰসে সেই মোট ফালে, তাতে ৰস আৰু মোটো নষ্ট হয়; কিন্তু নতুন দ্ৰাক্ষাৰস নতুন মোটতহে থয়"* (মাৰ্ক ২ঃ ১৮-২২ আয়াত)।

এইটো স্পষ্ট যে ইয়াহিয়াৰ উম্মতসকলে ইহুদীসকলৰ নীতি অনুসৰি ৰোজা ৰাখিছিল, অথচ ঈছা মছীহৰ উম্মতসকলে সেইদৰে ৰোজা নাৰাখিছিল। কৰ আদায়কাৰী মথিয়ে ঈছা মছীহক অনুসৰন কৰিবলৈ আগ্ৰহী হৈ তেওঁ ঈছা মছীহ আৰু তেওঁৰ উম্মতসকলৰ কাৰণে এটা ভোজৰ আয়োজন কৰিছিল। বিষয়টোয়ে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ইহুদী জনসাধাৰণৰ মনত সমালোচনাৰ উদয় কৰিছিল।

ইহুদীসকলে ৰোজা সম্বন্ধে উচ্চ ধৰণৰ মত পোষণ কৰিছিল, এনেকি আজিও সেয়া অতিকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আছে। খৃষ্টীয়ত মতে প্ৰতি বছৰে কাফ'ফাৰাৰ দিনা তেওঁলোকে ৰোজা ৰখা আবশ্যক আছিল। তেওঁলোকে ভাবিছিল, তেওঁলোকৰ ৰোজাই আল্লাহক সন্তুষ্ট কৰিব আৰু এই কাৰণেই বাবিলৰ গোলামীৰ পৰা ওভতি অহাৰ পিছত তেওঁলোকে বছৰি ৰোজাৰ দিন আৰু যোগ কৰিছিল। অতি সোনকালেই গোটেই বছৰত সপ্তাহত দুবাৰকৈ ৰোজা ৰখা নিজৰ ওপৰত আৰোপ কৰিছিল। মছীহৰ উত্তৰৰ পৰা যি কোনোয়ে সিদ্ধান্তত উপনীত হব পাৰে যে, ৰোজা ইচ্ছাৰ আজ্ঞাধীন আৰু পৰিস্থিৰ ওপৰত নিৰ্ভৰশীল। ৰোজা ৰখাটো যথোপযুক্ত নহলে ৰোজা ৰখাৰ কোনো দৰকাৰ নাই। পৰিস্থিতি নিৰ্বিশেষে নিৰ্দিষ্ট সময় সীমাৰ কোনো এটা দিন ৰোজাৰ দিন হোৱাটো উচিত নহয়। যথাযথ আৰু আন্তৰিকতাৰে সৈতে ইহুদীসকলে ৰোজা নাৰাখিছিল বুলি আল্লাহে প্ৰায়েই তেওঁলোকৰ আত্মত্যাগ অগ্ৰহণীয় বুলি দেখা পাইছিল। আল্লাহে ৰোজাক কি দৃষ্টিৰে চায় সেই বিষয়ে নবী ইশাইয়াই লিপিবদ্ধ কৰিছে। ইশাইয়া ৫৮ঃ৩ আয়াতত ইহুদীসকলে এই প্ৰশ্নটো লৈ মাবুদৰ সন্মুখীন হৈছিল, "আমি ৰোজা ৰাখিছো, তুমি কিয় আমালৈ দৃষ্টি নকৰা? আমি নিজ নিজ আত্মাক কষ্ট দিছো, তুমি কিয় সেইটো নাজানা? মাবুদে তেওঁলোকক নিম্নোক্ত উত্তৰ দিছিল।

*চোৱা তোমালোকে লঘোনৰ দিনাও তোমালোকৰ নিজৰ কাৰ্য্য চলোৱা, আৰু তোমালোকৰ আটাই বণুৱাবিলাকক উপদ্ৰৱ কৰা। চোৱা তোমালোকে বিবাদ*



*আৰু দন্দ কৰি বৰ, আৰু খণ্ডেৰে ভুকু মাৰিবৰ ৰোজা ৰাখা; বৰ্ত্তমানে তোমালোকে উৰ্দ্ধলোকত তোমালোকৰ মাত শুনাব পৰাকৈ ৰোজা নাৰাখা। মই মনোনীত কৰা ৰোজাৰ এইৰূপ নে? মানুহে নিজ প্ৰাণক দুখ দিয়াৰ দিন এইৰূপ নে? খাগৰিৰ দৰে নিজৰ মূৰ দোওঁৱা, আৰু শয্যাৰূপে চট আৰু ভস্ম পৰাকেই ৰোজা বুলি কোৱা নে? তুমি ইয়াকেই ৰোজা আৰু মাবুদৰ গ্ৰহনীয় দিন বুলি কোৱা নে? দুষ্টতাৰ বান্ধ মুকলি কৰাই, যুৱলিৰ শলমাৰি সোলোকোৱাই, আৰু উপদ্ৰপ পোৱা লোকবিলাকক আজ্ঞাধীন কৰি বিদায় দিয়াই, আৰু তোমালোকে প্ৰত্যেক যুৱলি ভঙাই জানো মোৰ মনোনীত ৰোজা নহয়? ক্ষুদাতুৰ লোকক আহাৰ বাঁটি দিয়াই, আৰু খেদি দিয়া দুখীয়াবিলাকক নিজৰ ঘৰত আশ্ৰয় দিয়াই ৰোজা নহয় নে? উলঙ্গ দেখি তাক বস্ত্ৰ দান কৰাই, আৰু নিজৰ আত্মীয়ৰ পৰা নিজকে লুকুৱাই নৰখাই ৰোজা নহয় নে?"* (যিচয়া ৫৮ঃ৩-৭ আয়াত)।

অকৃত্ৰিম দুখৰ ফলত যি ৰোজা উৎসৰ্গ কৰা হয় সেইটোৱেই গ্ৰহণীয় ৰোজা। এইটো লক্ষণীয় বিষয় যে দুখী মানুহজনে আহাৰ গ্ৰহণ নকৰে। তেওঁৰ মনত দুঃখজনক উপলব্দিৰ কাৰণে তেওঁৰ খাদ্য উপভোগ কৰিব নোৱাৰে, কাৰণ তেওঁৰ শৰীৰে সেই খাদ্য সহজতে হজম কৰিব নোৱাৰে। আনন্দদায়ক মনোভাৱে হজম শক্তিত উদ্দীপনা যোগায়, কিন্তু বিষন্নতাই তাত বাধা দিয়ে। মনটোক নতশীল নকৰি দেহক দমন কৰাটো নিৰৰ্থক। পাহাৰৰ ওপৰত দিয়া উপদেশত ঈছা মছীহই ৰোজাৰ সময়ত অহংকাৰ আৰু ভণ্ডামীৰ সম্বন্ধে আমাক সতৰ্ক কৰিছে। ঈছা মছীহই কৈছিল যে, "মাবুদে সেই ৰোজা গ্ৰহণ কৰে যি মাবুদ আৰু ৰোজাদাৰৰ বাহিৰে আন কোনেও



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

নাজানে” (মথি ৬ঃ১৬-১৮ আয়াত)।

ইহুদী নেতাসকলৰ লগত ৰোজাৰ বিষয়ে কথা কোৱা সময়ত ইয়াহিয়াৰ উম্মতসকলে ৰোজা ৰখাৰ কাৰণ আছিল আৰু এইটো ঈছা মছীহই সিহঁতক বুজাই দিছিল। তেওঁলোকৰ হুজুৰক তেওঁলোকৰ পৰা আতৰাই অন্যায়ভাবে জেলত বন্দী কৰি ৰখা হৈছিল। ঈছা মছীহৰ উম্মতসকলে ৰোজা ৰখাৰ কোনো কাৰণ নাছিল, কাৰণ তেওঁলোকৰ মাবুদ তেতিয়াওঁ তেওঁলোকৰ লগত আছিল। মছীহই কৈছিল, সময় আহিব যেতিয়া তেওঁলোকৰ দৰাক (মাবুদক) তেওঁলোকৰ পৰা লৈ যোৱা হব, আৰু তেতিয়াই তেওঁলোকে ৰোজা ৰাখিব। এই কথাৰ জৰিয়তে মছীহই ইহুদীসকলৰ নিষ্ঠুৰতা আৰু কঠিন হৃদয়ৰ প্ৰতি ঈঙ্গিত কৰিছিল যিয়ে তেওঁক সলীৱ বিদ্ধ কৰিবলৈ সিহঁতক উৎসাহ যোগাব। হয় ঈছা মছীহই নিজ ইচ্ছাৰেই নিজক সলীৱত উৎসৰ্গ কৰিছিল, কিন্তু তেওঁৰ মৃত্যু তেওঁৰ নিজ জাতিৰ শত্ৰুতাৰ মাধ্যমে সাধন হৈছিল। নবী ঈছায়াই ইয়াৰ বৰ্ণনা এনেদৰে দিছিল, “তেওঁ উপদ্ৰৱ আৰু দণ্ডাজ্ঞাৰ দ্বাৰাই নিয়া হল .....” (যিচয়া ৫৩ঃ৮ আয়াত)। হজৰত পিতৰেও ইয়াৰ বৰ্ণনা দি লিখিছে, “মাবুদ, যি জন আগৰ পৰাই সৰ্ব্বজ্ঞাত, তেখেঁত আগৰ পৰাই ঠিক কৰিছিল যে, ঈছা মছীহক আপোনালোকৰ হাতত দিয়া হব আৰু আপোনালোকে দুষ্ট মানুহৰ দ্বাৰা তেওঁক সলীৱ বিদ্ধ কৰি মাৰিব।” (পাঁচনিৰ কৰ্ম্ম ২ঃ২৩ আয়াত)।

ঈছা মছীহই ৰোজাৰ বিষয়ে কথা কোৱাৰ সময়ত ইয়াহিয়াৰ উম্মতসকলেও শুনিছিল। ঈছা মছীহই তেওঁলোকক স্মৰণ কৰাই দিছিল যে, তেওঁলোকৰ হুজুৰে তেওঁক এজন দৰাৰ লগত আৰু উম্মতসকলক বিয়াৰ অতিথি হিচাপে তুলনা কৰিছিল। দৰা লগত থাকোতে



কেনেকৈ বৰযাত্ৰী সকলে ৰোজা ৰাখিব পাৰে এই দৃষ্টান্তটো এটা উত্তম উপমা, যাৰ জৰিয়তে তেওঁ আৰু ঈমানদাৰৰ মাজত এক আত্মীয়তা ঈছা মছীহই বুজাইছিল । এই একাত্মীয়তা দৰা-কইনাৰ সম্পৰ্কৰ একাত্মীয়তাৰ তুল্য। এনে কি মৃত্যুলৈকে ঈছা মছীহই বিশ্বাসী সকলক প্ৰেম কৰিছে আৰু অনন্তকাললৈ সেয়া কৰি যাব। এই প্ৰেমে তেওঁৰ নিজৰ আৰু সকলো বিশ্বাসীসকলৰ মাজত সম্পূৰ্ণ একাত্মীয়তাৰ কাৰ্য্য কৰে। দুয়ো পক্ষই এক হয়; সিহঁত মছীহত আৰু মছীহ তেওঁলোকৰ মাজত থাকে। তেওঁলোক শৰীৰ আৰু তেখেঁত মূৰ। তেখেঁত তেওঁলোকৰ সকলো ঋণ আল্লাহৰ ওচৰত পৰিশোধ কৰে, তেওঁলোকৰ প্ৰয়োজনীয় সকলো যোগান ধৰে তথা সকলো প্ৰকাৰৰ দুখ কষ্টৰ সহভাগী হয় আৰু তেওঁলোকৰ সকলো বোজা কঢ়িয়ায়। তেওঁলোকৰ দুৰ্বলতাৰ প্ৰতি তেওঁ সহানুভূতিশীল, তেওঁলোকৰ ভুল ভ্ৰান্তিৰ প্ৰতি তেওঁ সহনশীল আৰু তেওঁ কেতিয়াও সিহঁতক পৰিত্যাগ নকৰে। সিহঁতলৈ কোনোবাই ভাল নাইবা বেয়া কৰক তেওঁ সেইবোৰ নিজৰ প্ৰতিই কৰা হৈছে বুলি ভাবে। দুনীয়া সৃষ্টিৰ আগতেই আল্লাহই তেওঁক যি গৌৰৱ প্ৰদান কৰিছে, সেই গৌৰৱ তেওঁ তেওঁলোকক দিবলৈ প্ৰস্তুত। তেওঁ যত থাকে সিহঁতেও তাতে থাকিব। এই মহান সম্পৰ্কটোৱে হ'ল তেওঁৰ প্ৰতি ঈমান অনা আৰু তেওঁৰ লগত সংযুক্ত থকাৰ আনন্দদায়ক ফল।

তেওঁৰ লগত বিশ্বাসীসকলৰ একাত্মীয়তা দৰা-কইনা সম্পৰ্কৰ সদৃশ, এই কথা বুজাই দিয়াৰ পিছত ঈছা মছীহই মূছাৰ শৰীয়তৰ বিষয়ে নিজৰ মতামত প্ৰকাশ কৰিবলৈ ওলাইছিল। তেখেঁত দুটা দৃষ্টান্ত ব্যৱহাৰ কৰিছিল, বিশেষকৈ তৰীকাবন্দীদাতা ইয়াহিয়াৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

চাহাবীসকলক উদ্দেশ্য কৰি, কাৰণ তেওঁলোকে ভাবিছিল ঈছা মছীহই লৈ অনা সুখবৰ মূছাক দিয়া শৰীয়তৰ লগত যোগ কৰা হব। তেওঁলোকে ধাৰণা কৰিছিল পুৰণাটোই অব্যাহত থাকিব, ইয়াৰ পৰিবৰ্তে নতুনটোৰ স্থাপনৰ কোনো প্ৰয়োজন নাই। ইয়াৰ অৰ্থটো হলহেঁতেন–ঈছা মছীহ আৰু তেওঁৰ উম্মতসকলে ইহুদী শৰীয়তৰ সকলো অনুশাসন মানিব লাগিব। কিন্তু ঈছা মছীহই কৈছিল, নতুন নিয়মৰ সৈতে পুৰণাটো মিলালে সেইটো নষ্ট হব, কোনো লাভ নহব কাৰণ নতুনটো বেছি শক্তিশালী। তেখেঁত কৈছিল, "কোনোয়ে পুৰণি চোলাত নতুন কাপোৰেৰে ঢাপলি নামাৰে। যদি দিয়ে তেতিয়াহলে সেই পুৰণি কাপোৰৰ পৰা নতুন ঢাপলিটো ছিঙি আহে। তাতে সেই ছিঙা আৰু অধিক ডাঙৰ হয়" (মাৰ্ক ২ঃ২১ আয়াত)। নিশ্চয় কোনো জ্ঞানী মানুহে সেয়া নকৰিব, নাইবা পুৰণি চামৰাৰ থলিত কোনোয়ে নতুন আঙুৰৰ ৰস নথয়, কাৰণ ইয়াৰ ফলত চামৰাৰ থলি আৰু আঙুৰ ৰস দুয়োটাই বেয়া হয়। সাজ-পোচাকে মানুহক আচ্ছাদিত কৰে, আৰু চামৰাই আঙুৰ ৰস ধাৰণ কৰে। মছীহই শিক্ষা দিছিল যে এটা পোচাক তেওঁৰ কাম শেষ কৰি পুৰণা হৈ যোৱাৰ পিছত সেইটো পেলাই দিয়া হয় আৰু তেওঁৰ ঠাইত নতুনটো ব্যৱহাৰ কৰা হয়। তাতে ঢাপলি দিয়া নহয়। ইয়াৰ অৰ্থ এইটো নহয় যে, পুৰণাটো বেয়া, কিন্তু সেইটোয়ে তেওঁৰ উদ্দেশ্য পূৰণ কৰিছে। কোনোবাই বিয়াৰ অনুষ্ঠানত যোগদান কৰিবলৈ ফুটাযুক্ত কাপোৰত ঢাপলি নামাৰে। এই উপলক্ষে তেওঁ নতুন পোচাক ক্ৰয় কৰে। আমাৰ ধৰ্ম্মীয় জীৱনৰ কাৰণেও সেইটো সত্য। ইয়াহিয়া নাইবা ফৰীচীসকলৰ কোনো শিষ্যই যদি মছীহৰ, বেহেস্তী দৰাৰ অনুসাৰী হব বিচাৰিলেহেঁতেন তেন্তে সিহঁতৰো নতুন পোচাক পৰিধান কৰা আৱশ্যক আছিল। অৰ্থাৎ তেওঁলোকৰ নতুন নিয়ম সমূহ যেনেকুৱা- খৎনাৰ সলনি তৰীকাবন্দী, ঈদুল ফিতৰৰ সলনি কোৰবাণী ও পবিত্ৰ প্ৰভুৰ ভোজ, লেবীয় ইমামতিৰ সলনি সম্পূৰ্ণ বিশ্বাসীৰ ইমামতি, সপ্তম দিনৰ সলনি সপ্তাহৰ প্ৰথম দিনে এবাদত কৰা আৰু এবাদতখানাৰ সলনি বিশ্বাসীৰ সমষ্টি অৰ্থাৎ জামাতক অবলম্বন কৰা।

এই সুন্দৰ উদাহৰণৰ দ্বাৰাই এই সত্যটোক স্পষ্টকৈ ফুটাই তুলিছিল যে, ঐতিহ্যগত মূছাৰ শৰীয়ত সমূহে উদ্দেশ্য সাধন কৰিছে আৰু পুৰণি হৈ গৈছে। মূছাৰ শৰীয়ত আছিল তেনেকুৱা এটা চামৰা নাইবা ধৰ্ম্মৰ বাহ্যিক আচ্ছাদন। দ্বিতীয় উপমাত ঈছা মছীহই কৈছিল যে, যিয়ে তেওঁৰ নতুন শিক্ষা গ্ৰহণ কৰিব, সেয়া তেওঁৰ নতুন অন্তৰেৰে যি পাক ৰূহৰ দ্বাৰা জন্ম হয়। "পুৰণি আঙুৰৰ ৰস খাই কোনোয়ে নতুন সতেজ আঙুৰৰ ৰস খাব নিবিচাৰে, কাৰণ তেওঁ কয় 'পুৰণিয়েই ভাল' (লূক ৫ঃ৩৯ আয়াত)। এই কথাৰ জৰিয়তে ঈছা মছীহই যেতিয়া তেওঁৰ আলোচনাৰ সামৰণি মাৰিছিল তেতিয়া তেওঁ এই কথাই বুজাইছিল যে, নতুন অন্তৰ নতুন চামৰাৰ থলিৰ নিচিনাই যি সতেজ আঙুৰ ৰসৰ তুল্য; মছীহীয়াতৰ শীতল বাণীৰ হেচা সহ্য কৰিবলৈ সক্ষম। হজৰত অগাষ্টিনে কৈছে যে, পঞ্চশপ্তমীৰ দিনটোত সেয়া পূৰ্ণতা লাভ কৰিছিল যেতিয়া নতুন আঙুৰ ৰস মাত্ৰই নতুন চামৰাৰ থলিত ঢালি দিয়া হৈছিল অৰ্থাৎ পাক ৰূহু ওপৰৰ পৰা জন্মপ্ৰাপ্ত নতুন ৰচুলসকলক পূৰ্ণ কৰিছিল। কোনো কোনো তেলাওয়াতকাৰী ফৰীচীসকলক পুৰণি চামৰা আৰু ৰচুলসকলক নতুন চামৰাৰ থলি হিচাপে বৰ্ণনা কৰিছে।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ইয়াহিয়াৰ উম্মতসকলে পুৰণি আঙুৰ ৰসকেই ধৰিছিল। সাধাৰণতে বেছিভাগ লোক সেইটোই কৰে। তেওঁলোকৰ বুজা উচিত যে, নতুনটো পুৰণিতকৈ বহু ভাল। অতি যত্ন সহকাৰে ধ্যান আৰু বিচাৰ বিবেচনা কৰিলে এনেকুৱা জ্ঞানবোধ অৰ্জন হব পাৰে। আনৰ লগত এই নতুন পোহৰ পৃথক কৰিবলৈ আগ্ৰহী হব বিচাৰিলে, এই বিষয়ৰ জ্ঞানৰ অতি আৱশ্যক। অৱশ্যেই আমি আনৰ ওপৰত ক্ৰোধান্বিত নহওঁ, নাইবা আনৰ ওপৰত জপাই দিব নিবিচাৰিম, কিন্তু কি কি বাধাই এই নতুন আঙুৰ ৰসৰ শ্ৰেষ্ঠত্ব দেখা পাবলৈ সিহঁতক বাধা প্ৰধান কৰিছে সেইবিলাক আমাৰ চিনাক্ত কৰা উচিত হব।

**ময়েই**

**পথ, সত্য**

**আৰু জীৱন।**

**মোৰ যোগেদি নগলে কোনেও**

**আল্লাহৰ**

**ওচৰলৈ যাব নোৱাৰে।**

(ইউহোন্না ১৪ঃ৬)



## ছয়
## জুম্মাবাৰৰ বিষয়ে ঈছা মছহীৰ শিক্ষা

কোনো এটা জুম্মাবাৰে ঈছাই শষ্য খেতিৰ মাজৰ বাটেৰে গৈ আছিল। তেওঁৰ উম্মতসকলে শস্যৰ থোকবোৰ ছিঙি হাতত পিহি পিহি খাব ধৰিলে। তেতিয়া কেইজনমান ফৰীচীয়ে ক'লে, "মূছাৰ শ্বৰীয়ত মতে জুম্মাবাৰে যি কৰা উচিত নহয় তোমালোকে সেয়া কিয় কৰি আছা ? " ঈছাই ক'লে, "দাউদ নবী আৰু তেওঁৰ সংগী সকলৰ যেতিয়া ভোক লাগিছিল তেতিয়া তেওঁ কি কৰিছিল সেইটো আপোনালোকে পঢ়া নাইনে ? তেখেতে আল্লাহৰ ঘৰত সোমাই পবিত্ৰ ৰুটি লৈ তেওঁ নিজেও খাইছিল আৰু তেওঁৰ সংগী সকলকো দিছিল। কিন্তু মূছাৰ শ্বৰীয়ত মতে সেয়া কেৱল ইমামৰ বাহিৰে আন কাৰো খোৱাৰ নিয়ম নাছিল।" শেষত ঈছাই সেই ফৰীচীসকলক ক'লে, "ইব্‌নে আদমেই জুম্মাবাৰৰ মালিক" (লূক ৬ঃ১-৫ আয়াত)।

ঈছা মছীহ আৰু তেওঁৰ উম্মসকলে শষ্য খেতিৰ মাজেদি গৈ আছিল। তেতিয়া উম্মসকলে কেইটামান থোক ছিঙি খালে। মূছাৰ শ্বৰীয়তে সেইটো কৰিবলৈ অনুমতি দিয়ে। তাতে লিখা আছে, "প্ৰতিবেশীৰ শষ্য খেতিত গলে তুমি নিজ হাতে থোক ছিঙিব পাৰিবা, কিন্তু নিজ প্ৰতিবেশীৰ শষ্যত কাচি নলগাবা" (দ্বিতীয় বিবৰণ ২৩ঃ২৫ আয়াত)। যিয়েই নহওক, উম্মতসকলে যিদিনা এইদৰে থোক খাই আছিল, সিদিনা আছিল জুম্মাবাৰ। ইহুদী মুৰব্বীসকলে হুকুম দিছিল যে, শষ্য ছিঙাটো শষ্য সংগ্ৰহ কৰাৰ সৈতে একে, আৰু জুম্মাবাৰে শষ্য সংগ্ৰহ কৰাটো উচিত নহয়। ইয়াৰ বাহিৰেও হাতত শষ্য পিহি থকাটো তেওঁলোকে শষ্য সংগ্ৰহ কৰা বুলিয়েই ধাৰণা কৰিছিল আৰু জুম্মাবাৰে শষ্য চপোৱাটোও নিষেধ আছিল। এই কাৰণে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ইহুদী মুৰব্বীসকলে উম্মতসকলৰ কৰ্ম্মক, ছিনয় পৰ্ব্বতত মূছাৰ ওপৰত নাজিল হোৱা দহটি শ্বৰীয়তৰ এটি শ্বৰীয়ত লঙ্ঘনকাৰী বুলি বিবেচনা কৰিছিল। এইবোৰ শ্বৰীয়ত প্ৰদানৰ সময়ৰ হোৱা বজ্ৰ আৰু বিদ্যুৎ প্ৰবাহৰ বাবে এইবিলাকৰ গুৰুত্ব আৰু কঠোৰতাৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। ইহুদী মুৰব্বীসকলে জুম্মাবাৰ পালনৰ ক্ষেত্ৰত মাত্ৰ এটা শ্বৰীয়ত দৃঢ়ভাবে লৈছিল কাৰণ এইটো আছিল বাহ্যিক পালনৰ বিষয় বস্তু। সকলো কাম কাজৰ ওপৰত তেওঁলোকেবিধি বিধান প্ৰয়োগৰ ক্ষেত্ৰত তেওঁলোকে ইমানেই চৰম পৰ্য্যায়লৈ গৈছিল যে, সেইটোয়ে তেওঁলোকৰ শ্বৰীয়তৰ প্ৰকৃত উদ্দেশ্যক চেৰ পেলাই গৈছিল।

ঈছা মছীহৰ উম্মতসকলে কৰা কাৰ্য্যক ফৰীচীসকলে সমালোচনা কৰি ক'লে, "মূছাৰ শ্বৰীয়ত মতে জুম্মাবাৰে যি কৰা উচিত নহয় তোমালোকে সেয়া কিয় কৰিছা ?" যিটো তেওঁলোকৰ মুখস্থ আছিল। সেই তৌৰাত শ্বৰীফৰ পৰা উদ্ধৃতি দি ঈছা মছীহই উত্তৰ দিছিল। তেওঁ সিহঁতক ধিক্কাৰ দিলে, কিয়নো তেওঁলোকৰ মহান ৰজা, নেতা আৰু নবী দাউদে যি কৰিছিল সেয়া তেওঁলোকে মনত পেলোৱা নাই। তেওঁ আৰু তেওঁৰ সংগীসকলৰ ভোক লগাত, সেই ৰুটি তেওঁলোকে খাইছিল, যি পবিত্ৰ ৰুটি কেৱলমাত্ৰ ইমামেহে খাব পাৰিছিল। ইয়াৰ অৰ্থ এইটোয়ে যে, সেই ঘটনাত দয়াৰ কাৰণে দাউদ নবীয়ে শ্বৰীয়ত ভঙ্গ কৰিছিল। এই কাৰণে আল্লাহই যদি দাউদ নবীক তিৰস্কাৰ কৰা নাই, তেতিয়াহলে তেওঁতকৈ মহান দাউদ-সন্তান (মছীহই) তেওঁৰ অনুসৰণকাৰী সকলক জুম্মাবাৰে থোক ছিঙি খোৱাৰ অনুমতি নিশ্চয় দিব পাৰে।

মছীহৰ শিক্ষা অনুসৰি সৰ্ব্বান্তঃকৰণে আল্লাহক প্ৰেম কৰাৰ প্ৰথম আদেশটো ওচৰ-চুবুৰীয়াক প্ৰেম কৰাৰ দ্বিতীয় আদেশটোৰ পৰিপন্থী নহয়। আমি যেতিয়া আনৰ প্ৰতি সহানুভূতিশীল নহও, তেতিয়া সেই একে সময়তে জুম্মাবাৰ



পালন কৰি আমি আল্লাহক সন্তুষ্ট কৰিব নোৱাৰো। এই কাৰণে ঈছা মছীহই শ্ৰোতাসকলক নবীসকলৰ কথা মনত পেলাই দিছিল, যত উল্লেখ আছে, 'কিয়নো মই দয়া বিচাৰো, কুৰবানী নহয় আনকি হোম কুৰবানীতকৈ নাজাত বিষয়ক জ্ঞান বিচাৰো···· (হোচেয়া ৬ঃ৬ আয়াত)। যদি এই কথাষাৰৰ অৰ্থ ঈছা মছীহৰ শ্ৰোতাসকলে বুজিব পাৰিলেহেঁতেন, তেতিয়াহলে তেওঁলোকে তেওঁৰ নিৰ্দোষী ছাহাবা সকলৰ ওপৰত দোষাৰূপ নকৰিলেহেঁতেন।

ইয়াৰ পিছত ঈছা মছীহই আৰু এটি ঘটনাৰ উল্লেখ কৰিছিল, যি প্ৰত্যেক জুম্মাবাৰে নেতাসকলৰ পূৰ্ণ জ্ঞান থাকোতেও বাৰে বাৰে ঘটি আহিছিল। সেয়া আছিল বেহেস্তী আদেশ আৰু নীতি নিৰ্দেশনাৰ প্ৰতি বাধ্যতা; মানবীয় আচাৰ অনুভূতিৰ প্ৰতি নহয়। তেওঁ কৈছিল, *"ইয়াৰ বাহিৰে আপোনালোকে মূছাৰ শ্বৰীয়তত পঢ়া নাইনে, জুম্মাবাৰত এবাদৎখানাৰ ইমামসকলে জুম্মাবাৰৰ নিয়ম ভংগ কৰিলেও তেওঁলোকৰ কোনো দোষ নহয়"* (মথি ১২ঃ৫ আয়াত)? কুৰবানীৰ বাবে জুই জ্বলাই আৰু ধৰ্ম্মীয় সেৱা সুশ্ৰুষাৰ বাবে দ্বিগুণ কঠোৰ পৰিশ্ৰম কৰি তেওঁলোকে জুম্মাবাৰক অপবিত্ৰ কৰিছে।

এই বিষয়ে ঈছা মছীহই তেওঁৰ ধৰ্ম্মীয় ক্ষমতা দৃঢ়তাৰে ব্যক্ত কৰিছিল। তেওঁ নিজকে এবাদৎখানাতকৈ মহান বুলি দাবী কৰিছিল, কিয়নো তেওঁ খোদাৰ পৰা অহা মাবুদ। যদি ৰাজহুৱা এবাদৎখানাৰ সেৱা শুশ্ৰুষাত জুম্মাবাৰৰ নিয়ম উলংঘন অনুমোদিত হৈ থাকে, তেতিয়াহলে ইহুদীসকলৰ দ্বাৰা প্ৰতিষ্ঠিত মানুহে সৃষ্টি কৰা বিধি-নিষেধাজ্ঞা উলংঘন কৰাৰ অধিকাৰ এবাদৎখানাৰ মালিকৰ আৰু অধিক বেছি আছে, কাৰণ তেওঁৰ মাজতেই খোদাৰ পূৰ্ণতা নিবাস কৰে (কলচীয় ২ঃ৯ আয়াত)। তেওঁৰ মাজেদিয়েই আল্লাহৰ প্ৰতি এবাদৎ নিবেদন হয়, কাৰণ তেওঁ আল্লাহ আৰু মানুহৰ মধ্যস্থতাকাৰী



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

(১ তীমথিয় ২ঃ৫ আয়াত)। এবাদৎখানা যদি জুম্মাবাৰতকৈ মহান হয়, তেতিয়াহলে এবাদৎখানাৰ গৰাকী আৰুনো কিমান অধিক মহৎ!

এইবোৰৰ বাহিৰেও ঈছা মছীহে জুম্মাবাৰৰ বিষয়ে আৰু এটা মন্তব্য কৰিছিল। তেওঁ কৈছিল যে, এই দিনটো সৃষ্টি হৈছিল মানুহৰ বাবে, মানুহ এই দিনটোৰ কাৰণে নহয় (মাৰ্ক ২ঃ২৭ আয়াত)। জুম্মাবাৰ আৰু এবাদৎখানা, উভয়ই মানুহক সেৱা সুশ্ৰুষাৰ কাৰণে। ঈছা মছীহই জুম্মাবাৰৰ মালিক আৰু তেওঁ ইয়াক সন্মানিত কৰিছিল। একে সময়তে, তেওঁ ইয়াৰ ব্যৱহাৰৰ বাট প্ৰশস্ত কৰিছিল আৰু ফৰীচীসকলে আৰোপিত বন্ধনৰ পৰাও দিনটো মুক্ত কৰিছিল। মছীহ যদি জাগতিক মানুহ হলহেঁতেন, তেন্তে নিজকে জুম্মাবাৰৰ মালিক বুলি দাবী কৰাৰ কোনো অধিকাৰ তেওঁৰ নাথাকিলেহেতেন।

বিশেষকৈ য'ত তেওঁৰ পুনৰুত্থানৰ বিষয় আলোচিত হৈছে, তাৰ পৰা আৰু ঈঞ্জিল শ্বৰীফৰ আয়াতবোৰৰ পৰা আমি এই সিদ্ধান্তত উপনীত হব পাৰো যে, জুম্মাবাৰৰ মালিকৰূপে ঈছা মছীহ তেওঁৰ ক্ষমতাৰ দ্বাৰাই, এবাদৎৰ প্ৰাথমিক দিন ,সপ্তম দিনৰ পৰা স প্তাহৰ প্ৰথম দিন দেওঁবাৰলৈ লৈ আহিছিল। দেওঁবাৰ "মাবুদৰ দিন' বুলি আখ্যা লাভ কৰিছে। এইক্ষেত্ৰত নীতিটো হল, স প্তাহৰ এটা দিন সৎকৰ্ম্ম (দয়াশীল কৰ্ম্ম), এবাদৎ আৰু জিৰণীৰ বাবে পৃথক কৰি ৰখা। যিমান দিনলৈ আমি স প্তাহৰ এটা দিনক আল্লাহৰ এবাদৎত আৰু সেৱাত পূৰ্ণৰূপে পবিত্ৰ কৰো, সিমানদিনলৈ আমি বেহেস্তী নিৰ্দেশৰ নিহিত উদ্দেশ্য পূৰণ কৰো। মছীহৰ ৰচুলসকলে তেওঁৰ বাট নিৰ্দেশনাত আৰু পাক ৰূহৰ অনুপ্ৰেৰনাত দিনটোক সপ্তমৰ পৰা প্ৰথম দিনলৈ আতৰাই আনিছিল। কিন্তু সেইটোয়ে আদেশটোৰ অন্তৰ্নিহিত বিষয় বস্তু বা উদ্দেশ্যৰ পৰিবৰ্তন ঘটোৱা নাই। তৌৰাত শ্বৰীফত আল্লাহই সপ্তম দিনটোক এটা বিশিষ্ট স্থান দিছিল, কিন্তু ঈঞ্জিলৰ সময়কালীন গুৰুত্বপূৰ্ণ এটা



দিন তেওঁ সংৰক্ষণ কৰি ৰাখিছিল–সপ্তাহৰ প্ৰথম দিন। স্ৰষ্টাৰ বেহেস্তী কৰ্ম্ম সোঁৱৰন কৰাৰ কাৰণে ইহুদীসকলৰ জুম্মাবাৰ যেনেকুৱা আছিল ঠিক তেনেকুৱা মছীহীসকলৰ এবাদৎৰ দিনটো আৰু অধিক মহত্তৰ কোনো বিষয়ৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে; আৰু সেয়া হল মূল্যৰ বিনিময়ত নাজাতৰ কৰ্ম্ম যিটো পূৰ্ণৰ্তা লাভ সপ্তাহৰ প্ৰথম দিনটোত, যিদিনা আমাৰ মুক্তিদাতা মছীহ মৃতসকলৰ মাজৰ পৰা পুনৰুত্থিত হৈছিল। এই কাৰণেই এই দিনটোক "মাবুদৰ দিন" বোলা হয়। সপ্তাহৰ প্ৰথম দিনটোত এবাদত কৰাত আমাক পঞ্চ-সপ্তমীৰ দিনটোও সোঁৱৰণ কৰিবলৈ সহায় কৰে, যেতিয়া মছীহী ঈমানদাৰসকলৰ জামাত অলৌকিক পাক ৰূহু বৰ্ষণেৰে অভিসিক্ত হৈছিল। মছীহৰ সময়ৰ পৰা আজিলৈকে সভ্যতাৰ ইতিহাসত মছীহীসকলৰ এবাদৎৰ দিনটোৰ বিভিন্ন সুফল দেখা পোৱা যায়।

পিছত ঈছাই সেই ঠাই এৰি ফৰীচীসকলৰ মজলিছখানালৈ গল। তাতে এজন হাত শুকাই যোৱা মানুহ আছিল। ঈছাক দোষী সাব্যস্ত কৰিবৰ উদ্দেশ্যৰে ফৰীচীসকলে তেওঁক সুধিলে, "মূছাৰ শ্বৰীয়ত মতে জুম্মাবাৰে কোনো ৰোগীক সুস্থ কৰাটো উচিতনে?" ঈছাই সিহঁতক ক'লে, "ধৰি লওক, আপোনালোকৰ মাজৰ কোনোবা এজনৰ এটা ভেড়া আছে। জুম্মাবাৰে সেই ভেড়াটো যদি গাতত পৰি যায়, তেতিয়া তেওঁ কি সেইটো ধৰি নুঠাবনে? আৰু ভেড়াতকৈ মানুহৰ দামটোতো অধিক বেছি। তেনেহলে দেখা যায় যে, জুম্মাবাৰে ভাল কাম কৰা উচিত।" তেওঁৰ পিছত তেওঁ মানুহজনক ক'লে, "তোমাৰ হাত আগবঢ়াই দিয়া।" তেওঁ তেওঁৰ হাতখন আগবঢ়াই দিয়াত হাতখন ভালহৈ আনখন হাতৰ দৰে হৈ গল। তেতিয়া ফৰীচীসকলে বাহিৰলৈ ওলাই গল আৰু ঈছাক মাৰি পেলাবলৈ তেওঁৰ বিৰুদ্ধে পৰামৰ্শ কৰিব ধৰিলে (মথি ১২ঃ৯-১৪ আয়াত)।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

আন এটি জুম্মাবাৰে ঈছা মছীহই জুম্মাবাৰৰ বিষয়ে তেওঁৰ তৃতীয় শিক্ষা দিছিল। প্ৰথম শিক্ষা দিছিল তেওঁ এবাদৎখানাত, দ্বিতীয়টো শষ্য খেতিত আৰু তৃতীয়টো মজলিছ খানাত। সেই জুম্মাবাৰে ঈছা মছীহই যেতিয়া মজলিছখানাত শিক্ষা দি আছিল, তেতিয়া তাত উপস্থিত আলিম আৰু ফৰীচীসকলে লক্ষ্য কৰিলে যে, তাত হাত শুকাই যোৱা এজন মানুহ আছিল। সকলোৱে এইটো জানিছিল যে, ঈছা মছীহই যিসকলক অসুস্থ দেখা পাইছিল আৰু যিসকলে তেওঁৰ ওচৰত সুস্থ হব বিচাৰিছিল, তেওঁলোকক তেওঁ সুস্থ কৰিছিল। ইহুদী আলিম আৰু ফৰীচীসকলে আশা কৰিছিল যে, লোকজনক সুস্থ কৰা হব। লোকজনৰ প্ৰতি তেওঁলোকৰ কৰুণাৰ উদ্ৰেক হৈছিল সেই কাৰণে নহয়, মছীহৰ এটা দোষ ধৰাৰ কাৰণে, যাতে তেওঁলোকে ইহুদী ধৰ্ম্মনেতাসকলৰ ওচৰলৈ গৈ সেয়া জনাব পাৰে। এই কাৰণেই অসুস্থ লোকজনৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ। তেতিয়া তেওঁলোকে ঈছা মছীহক সুধিলে, "জুম্মাবাৰে কোনোবাক সুস্থ কৰা উচিত নে ?"

ঈছা মছীহই তেওঁলোকৰ প্ৰশ্নৰ প্ৰতি সন্মান দেখুৱা নাই, কিয়নো সিহঁত বিশ্বাসযোগ্য নাছিল। অসুস্থ লোকজনক তেওঁ তেওঁলোকৰ মাজত থিয় দিবলৈ ক'লে যাতে তেওঁৰ বিৰোধীসকলে বিস্মিত হয় আৰু জানিব পাৰে যে, তেওঁ সিহঁতলৈ ভয়াতুৰ নহয়। তাৰ পিছত তেওঁ সিহঁতক সুধিলে, "মুছাৰ শ্বৰীয়ত মতে জুম্মাবাৰে ভাল কাম কৰা উচিত নে, বেয়া কাম কৰা উচিত ? জীৱন ৰক্ষা কৰা উচিত নে জীৱন ধ্বংস কৰা উচিত" (লূক ৬ঃ৯ আয়াত) ? জুম্মাবাৰে মানুহজনৰ সু-স্বাস্থ্য উভতাই দিয়াটো উত্তম কাম কৰা হব, অথচ জুম্মাবাৰে ঈছা মছীহক হত্যা কৰাৰ ইচ্ছাটো আছিল নিকৃষ্ট কাম। তেতিয়াহলে জুম্মাবাৰক এতিয়া কোনে মান্য কৰিছে আৰু কোনে তেওঁৰ নিয়ম ভংগ কৰিছে ? তেওঁ সিহঁতক মনত পেলাই দি কৈছিল যে, তেওঁলোকৰ এটা মেৰ



(ভেড়া) থাকিলে আৰু সেইটো গাতত পৰিলে নিশ্চয় সিহঁতৰ প্ৰত্যেকেই মেৰটো উদ্ধাৰ কৰিব। তেতিয়াহলে এজন মানবীয় আত্মাক উদ্ধাৰ কৰাটো কিমান যে উচিত যিটোৰ মূল্য এটা মেৰ পোৱালীতকৈ বহুত বেছি। সামৰ্থ থকা স্বত্বেও যিয়ে সৎকৰ্ম্মক অবহেলা কৰে, তেওঁক বেয়া বুলি বিবেচনা কৰা উচিত। ঠিক তেনেদৰে পাৰ্গত হোৱা স্বত্বেও কোনোবাই যদি কোনো আত্মাক নাজাতৰ পথত পৰিচালনা নকৰে, তেতিয়া তেওঁ সেই আত্মাৰ শাস্তিৰ পক্ষতে অবদান ৰাখে। ঈছা মছীহই আলিম আৰু ফৰীচী সকললৈ প্ৰশ্ন কৰি সিহঁতক অভিযুক্ত কৰিছিল, কিন্তু তেওঁলোকে কোনো ধৰণৰ আপত্তি দৰ্শাবলৈ সক্ষম হোৱা নাছিল।

তেওঁলোকৰ উত্তৰৰ কাৰণে ঈছা মছীহই অপেক্ষা কৰিছিল কিন্তু সিহঁত মৌন আছিল। তেওঁলোকৰ মৌনতাৰ দ্বাৰাই ঈছা মছীহৰ নৈতিক ক্ষমতা মানি লৈছিল। এইটোৱেই দুৰ্ভাগ্য যে, তেওঁলোকৰ ভুলৰ কাৰণে তেওঁলোকৰ বিবেকত আলোড়ন সৃষ্টি হোৱা নাই; তেওঁলোকে তেওঁলোকৰ গুনাহও স্বীকাৰ কৰা নাই আনকি হাত শুকাই যোৱা মানুহজনৰ ওচৰত ক্ষমাও বিচৰা নাই। তেওঁলোকৰ কঠিন হৃদয় চাই ঈছা মছীহই খং আৰু দুখ প্ৰকাশ কৰিছিল। অবজ্ঞা নাইবা শ্ৰদ্ধাহীন মনোভাৱ যদি প্ৰভুৰ উদ্দেশ্যৰ পক্ষত হয় তেতিয়া সেয়া মহৎ। সেয়া তেওঁৰ ৰাজ্যৰ অবস্থা সম্পৰ্কিত শোকৰ ক্ৰোধক পবিত্ৰ কৰে বা সেয়া নৈতিক গুণত পৰিণত কৰে। কিতাবুল মোকাদ্দছৰ বহু ঠাইত আল্লাহৰ ক্ৰোধ সম্পৰ্কে পঢ়িবলৈ পাও। অথচ আল্লাহ পবিত্ৰ আৰু সম্পূৰ্ণ নিখুঁত। মছীহৰ ক্ৰোধক আমি এনেকুৱাই বিবেচনা কৰি থাকো। যথোপযুক্ত ঠাইত ক্ৰোধ প্ৰশংসাৰ যোগ্য। এইসকল আত্ম অহংকাৰী লোকৰ প্ৰতি ঈছা মছীহই ক্ৰোধান্বিত হৈছিল, কিন্তু হাত শুকাই যোৱা মানুহজনৰ প্ৰতি তেওঁ কৰুণাশীল আছিল। মাত্ৰ কেইটামান কথাৰে তেওঁক সুস্থ কৰিছিল আৰু এই ধৰণৰ আঁচৰিত সুস্থতাৰে তেওঁ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

প্ৰমাণ কৰিছিল যে, সঁচাকৈয়ে তেওঁ জুম্মাবাৰৰ মালিক। তেওঁ মানুহজনক কৈছিল, "তোমাৰ হাতখন আগবঢ়াই দিয়া।" এই ধৰণৰ উক্তিৰ প্ৰতি স্বাভাৱিক উত্তৰ আছিল, "প্ৰভু, মই নোৱাৰো। যদি মোৰ হাতখনেই আগবঢ়াব পাৰিলোহেঁতেন তেনেহ'লে আপোনাৰ সাহায্যৰ মোৰ কোনো প্ৰয়োজন নাছিল।" কিন্তু মানুহজনে অসম্ভৱক বিশ্বাস কৰিছিল; আৰু ঈছা মছীহই তেওঁক সম্পূৰ্ণৰূপে সুস্থ কৰিছিল। তেওঁৰ হাতে সুস্থতা উভতাই পাইছিল। ঈছা মছীহই কিঞ্চিত ক্ষমা প্ৰদান নকৰে, যিসকলে তেওঁৰ ওচৰলৈ আহে সিহঁতক তেওঁ সম্পূৰ্ণৰূপে ক্ষমা দান কৰে। হাত শুকাই যোৱা মানুহজনৰ দৃষ্টান্তৰ মাজত আমি নাজাতৰ এটা প্ৰকাশ্য নমুনা দেখা পাওঁ। মানুহজনে নিজ কৰ্ম্মগুণে সুস্থ হোৱা নাই, কিন্তু ঈছা মছীহই কৰা কৰ্ম্মৰ যোগেদি সুস্থ হৈছিল। যেতিয়ালৈকে কোনোবাই ঈছা মছীহ আৰু তেওঁৰ কৰ্ম্মৰ প্ৰতি ঈমান নানে তেতিয়ালৈকে তেওঁ কাকো সুস্থ নকৰে। যি কামে কোনো গুনাহগাৰক উদ্ধাৰ কৰে, সেয়া হল ঈছা মছীহৰ কাম, কোনো মানুহৰ কাম নহয়। তেওঁ যে গুনাহগাৰক নাজাত দিব বিচাৰে সেয়া নিৰ্ভৰ কৰে নাজাতদাতা হিচাপে তেওঁৰ ব্যক্তিত্ব আৰু কৰ্ম্মৰ প্ৰতি গুনাহগাৰ সকলে ঈমান অনাৰ ওপৰত।

এই তিনিওটা উপলক্ষত জুম্মাবাৰ সম্বন্ধে কথা কোৱাৰ সময়ত ঈছা মছীহই এটা মহান নীতিৰ ব্যাখ্যা দিছিল ঃ *"মই তোমালোকক যিবোৰ কথা কৈছো সেয়া ৰূহ আৰু জীৱন"* (ইউহোন্না ৬ঃ৬৩ আয়াত)। ইয়াৰ লগত হজৰত পৌলৰ উক্তি সংগতিপূৰ্ণ, *"এটা নতুন ব্যৱস্থাৰ কথা জনাবলৈ তেঁৱেই আমাক যোগ্যতা প্ৰদান কৰিছে। এই ব্যৱস্থা বাহ্যিকভাবে মুছাৰ শ্বৰীয়ত পালন কৰাৰ বিষয় নহয়, কিন্তু পাক ৰূহৰ পৰিচালনাত আন্তৰিক বাধ্যতাৰ বিষয়, কিয়নো শ্বৰীয়তে মৃত্যু আনে, কিন্তু পাক ৰূহই জীৱন দিয়ে"* (২ কৰিন্থীয় ৩ঃ৬ আয়াত)।



ঈছা মছীহৰ কথা বতৰাই ইহুদী আলিম আৰু ফৰীচীসকলক ক্ৰুদ্ধ কৰি তুলিছিল। ঈঞ্জিল প্ৰচাৰক লূকে কৈছে, তেওঁলোকে অতিকৈ ক্ৰুদ্ধ আৰু ঈছাক লৈ কি কৰিব পৰা যায় সেইলৈ তেওঁলোকে নিজৰ মাজতে আলোচনা আৰম্ভ কৰিছিল (লূক ৬ঃ১১ আয়াত)। জুম্মাবাৰ সম্পৰ্কিত আদেশটো পালন কৰাৰ উদ্দেশ্যে তেওঁলোকে ৬ষ্ঠ শ্বৰীয়তটো লংঘন কৰিবলৈ মান্তি হৈছিল য'ত কোৱা হৈছে, "হত্যা নকৰিবা।" মছীহৰ প্ৰতি তেওঁলোকৰ ব্যৱহাৰ ঠিক তেনেকুৱাই আছিল যেনেকুৱা দুনিয়াৰ লোকে যুগে যুগে আল্লাহৰ লোকসকলৰ প্ৰতি কৰি আহিছে। নবী, ৰছুল, সংস্কাৰক আৰু পাঁচনিসকল তেওঁলোকৰ জ্বলন্ত উৎসাহ-উদ্দীপনা লৈ আহিছিল যদিও, ঈছা মছীহৰ নিচিনাই একে পৰিণতি ভোগ কৰিছে। ধাৰ্ম্মিকলোকসকল যেতিয়া শত্ৰুৰ দ্বাৰা নিৰীক্ষিত হয় তেতিয়া ভালেই হয় কাৰণ সেইটোৱে তেওঁলোকক তেওঁলোকৰ অকলশৰীয়া জীৱন আৰু প্ৰকাশ্য জীৱনৰ বিষয়ে আৰু অধিক সতৰ্ক কৰি তোলে আৰু তেওঁলোকৰ সাক্ষ্যৰ উজ্জ্বলতা অধিক পোহৰলৈ আহে।

**মোবাৰক সিহঁত**

**যিসকলে মনে-প্ৰাণে**

**আল্লাহৰ ইচ্ছামতে চলিব বিচাৰে**

**কাৰণ তেওঁলোকৰ সেই ইচ্ছা পূৰ্ণ হব**

মথি ৫ঃ৬



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# সাত
# ঈছা মছীহই চাহাবী মনোনীত কৰা

ইয়াৰ পিছত ঈছাই মোনাজাত কৰাৰ কাৰণে পাহাৰৰ ওপৰলৈ গ'ল আৰু গোটেই ৰাতি আল্লাহৰ ওচৰত মোনাজাত কৰিলে। ৰাতিপুৱা তেওঁ উম্মতসকলক নিজৰ ওচৰলৈ মাতি তেওঁৰ পৰা বাৰজনক চাহাবী পদ প্ৰদান কৰিলে। তেওঁলোক হল ছিমোন, যিজনক তেওঁ পিতৰ নাম দিছিল; ছিমোনৰ ভাই আন্দ্ৰিয়; ইয়াকুব আৰু ইউহোন্না; ফিলিপ আৰু বৰ্থলময়; মথি ও থোমা; আলফয়েৰ পুতেক ইয়াকুব; ছিমোন, যিজনক মৌলবাদী কোৱা হয়; ইয়াকুবৰ পুতেক এহুদা আৰু এহুদা ইস্কোৰিয়োত, যিজন এহুদা ইস্কোৰিয়োত পিছলৈ ঈছাক শত্ৰুৰ হাতত শোধাই দিছিল।

ঈছাই তেওঁৰ এই বাৰজন চাহাবীক লৈ পাহাৰৰ পৰা নামি এটা সমতল ভুমিত থিয় হ'ল। তাত তেওঁৰ আন বহুতো উম্মত একেলগ হ'ল। ইয়াৰ উপৰিও এহুদিয়া, জেৰুজালেম, টায়াৰ তথা ছিডোন নামৰ সাগৰৰ দাতি কাষৰীয়া দুটা চহৰৰ পৰাও বহুতো মানুহ সেই ঠাইলৈ আহিল। তেওঁলোকে ঈছাৰ কথা শুনিবলৈ আৰু বেমাৰৰ পৰা সুস্থ হবলৈ তালৈ আহিছিল। যিসকলে ভুতৰ দ্বাৰা কষ্ট পাইছিল সিহঁতেও ভাল হৈছিল। তেতিয়া সকলো মানুহে তেওঁক স্পৰ্শ কৰিবলৈ চেষ্টা কৰিলে, কিয়নো তেওঁৰ মাজৰ পৰা শক্তি নিৰ্গত হৈ সকলোকে সুস্থ কৰিছিল। (লূক ৬ঃ১২-১৯ আয়াত)।

ঈছা মছীহলৈ ঘৃণাৰ প্ৰতি ইহুদী নেতাসকলে নিজৰ দল



ডাঙৰ কৰিব ধৰিলে। তেওঁলোকে বিভিন্ন গোটত থাকিলেও তেওঁক হত্যা কৰাৰ কাৰণে একগোট হল। জুম্মাবাৰ অমান্য কৰাৰ কাৰণে ফৰীচীসকলে তেওঁক ঘৃণা কৰিছিল। তেওঁলোকে তেওঁক আল্লাহ নিন্দাকাৰী এজন ছমৰীয়, ভুতে পোৱা ঠগ প্ৰৱঞ্চক বুলি বিবেচনা কৰিছিল। তেওঁ গুনাহগাৰসকলৰ লগত মিলাপ্ৰীতিৰে তেওঁলোকৰ মতানুসৰি শ্বৰীয়ত আৰু এবাদৎখানাক অমান্য কৰিছিল। আনফালে হেৰোদীয়সকলে ভয় পাইছিল, তেওঁলোকে ভাবিছিল, সম্ভৱত তেওঁ বলেৰে ৰজা হেৰোদৰ পৰা সিংহাসন কাঢ়ি লব।

ঈছা মছীহই যেতিয়া দেখিলে যে, ইহুদী মুৰব্বীসকলে তেওঁৰ বিৰুদ্ধে একগোট হৈছে, তেতিয়া তেওঁ সেই ঠাইৰ সাহায্যপ্ৰাৰ্থী লোকসকলৰ পৰিচৰ্য্যা আৰু যিসকলক তেওঁ সেৱাৰ কাৰণে প্ৰশিক্ষণ দিব সেই সকলক নিৰ্ব্বাচন কৰাৰ কাৰণে গালীল সাগৰৰ দাতি-কাষৰীয়া অঞ্চললৈ গ'ল। তেওঁ এনেকুৱা বিচাৰিছিল যেন, ইহুদীনেতাসকলৰ হাতত তেওঁৰ মৃত্যু, পুনৰুত্থান আৰু বেহেস্তলৈ গমনৰ পিছত প্ৰেৰিতসকলে সু-সংবাদ প্ৰচাৰ কৰিব পাৰে। গালীলৰ পৰা এহুদীয়া, ইদোমৰ পৰা ছোৰ আৰু ছিডোন উপকূল আৰু বিৰয়াৰ পৰা বহুতো মানুহ তেওঁৰ ওচৰলৈ আহিছিল আৰু তেওঁ সকলোকে সুস্থ কৰিছিল।

প্ৰচণ্ড ভীড়ৰ মাজত কিছুমানে আহিছিল তেওঁৰ শিক্ষা শুনিবলৈ, কিন্তু বাকী অধিকাংশই আহিছিল বেমাৰৰ পৰা সুস্থ হোৱাৰ মানসেৰে। ভূতে পোৱা সকলৰ মাজৰ পৰা ঈছা মছীহই দুষ্ট আত্মাবোৰক ওলিয়াই দিছিল। ভুতেবোৰে তেওঁক জানিছিল আৰু তেওঁলোকে তেওঁক কৈছিল, "আপুনিয়েই আল্লাহৰ পুত্ৰ।" দুষ্ট আত্মাবোৰে মছীহৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

বেহেস্তী ক্ষমতা দেখা পাইছিল আৰু সেই বিষয়ে তেওঁলোকে সাক্ষ্য দিছিল। মছীহৰ চাৰিওপিনে থকা লোকসকলে তেওঁক স্পৰ্শ কৰাৰ কাৰণে ভীড় কৰিছিল। ঈছা মছীহই তেওঁৰ উম্মতসকলক পাৰলৈ এখন নাওঁ ৰাখিবলৈ কৈছিল, যাতে জনসাধাৰণৰ ভীড়ৰ হেচাত প্ৰয়োজন হলে তেওঁ সেই নাওত উঠিব পাৰে। আনক পূৰ্ণ সতেজতা আৰু সম্পূৰ্ণ নিৰাময় কৰাৰ কাৰণে তেওঁ মাজে সময়ে শুন্য আৰু শক্তিহীন হৈ পৰিছিল।

এতিয়া আমি তেওঁৰ সেই ছাহাবী নিৰ্ব্বাচনৰ ফালে মনোযোগ দিম, যিসকলৰ কৰ্ম্ম হব অসুস্থসকলক সুস্থ কৰা, তেওঁৰ নামত ভুত গুচোৱা আৰু তেওঁৰ শিক্ষা বিস্তাৰ কৰা তথা ঈমানদাৰ সকলৰ দল সমূহক সংগঠিত কৰি বিশ্বাসৰ সত্যতাসমূহক ভবিষ্যত প্ৰজন্মৰ কাৰণে লিপিবদ্ধ কৰা। জগতৰ মহান ব্যক্তিসকলক তেওঁ বাছি লোৱা নাই, যিসকলে পিছত নিজৰ কৃতিত্ব দাবী কৰে; আৰু সেয়ে হ'লে মাবুদে যেনেকুৱা আদৰ সন্মানিত হোৱাটো উচিত তেনেকুৱা নহব। সকলো প্ৰশংসা কেৱলমাত্ৰ আল্লাহৰ প্ৰাপ্য। ইয়াৰ সমৰ্থনত হজৰত পৌলে তলত দিয়া ধৰণে লিখিছে, “..... যাতে মানুহবোৰে বুজিব পাৰে যে, এই অসাধাৰণ মহাশক্তি আমাৰ নিজৰ পৰা অহা নাই, বৰঞ্চ মহান আল্লাহ তায়ালাৰ পাৰা আহিছে” (২ কৰিন্থিয় ৪ঃ৭ আয়াত)। ঈছা মছীহই দুৰ্ব্বল আৰু অজ্ঞ লোকক নিৰ্ব্বাচন কৰি আৰু তেওঁৰ সেৱা কৰাৰ যোগ্য কৰি তুলিছিল। তেওঁৰ পৰিচৰ্য্যাৰ প্ৰথম বছৰতেই তেওঁ সিহঁতক বাছি লৈছিল, যাতে তেওঁৰ বেহেস্তত আৰোহনৰ পূৰ্ব্বেই সিহঁতক প্ৰশিক্ষণ দিব পাৰে।

তেওঁক অতি ঘনিষ্টভাবে জানিবলৈ ৰচুলসকলে



দীৰ্ঘকাল ঈছা মছীহৰ লগত থাকিছিল আৰু তেওঁলোকৰ ঈমান বৃদ্ধি পাইছিল। তেওঁলোকে তেওঁৰ প্ৰেমৰ অভিজ্ঞতা লাভ কৰিছিল আৰু তেওঁৰ কাৰণে তেওঁলোকে যথেষ্ট সংকট আৰু নিৰ্য্যাতন সহ্য কৰিছিল। তেওঁ বাৰজনক মনোনীত কৰিছিল–যি সংখ্যাটো ইজৰাইল বংশৰ (বাৰ গোষ্ঠীৰ) সংখ্যাৰ লগত মিল। ইয়াৰ সহায়ত তেওঁ নতুন আৰু পুৰণিৰ মাজত সেতু নিৰ্ম্মাণ কৰিব বিচাৰিছিল। এই কাৰণে তেওঁলোকক মনোনীত কৰাৰ আগতে ঈছা মছীহে সম্পূৰ্ণ এটা ৰাতি মোনাজাতত কটাইছিল আৰু তেওঁলোকৰ জীৱনত আত্মিক বীজ ৰোপন কৰিছিল। পৰবৰ্ত্তী সময়ছোৱাত তেওঁৰ কালাম ও লিখনীসমূহে এনেকুৱা ফল উৎপন্ন কৰিছিল যি বংশানুক্ৰমে মানব জাতিক প্ৰভাৱান্বিত কৰি আহিছে। আল্লাহ আৰু তেওঁৰ মছীহৰ গৌৰৱৰ অৰ্থে সেই ফল আজিও অব্যাহত আছে।

ইয়াৰ পিছত ঈছা পাহাৰৰ ওপৰলৈ উঠিলে আৰু নিজৰ ইচ্ছামতে কিছুসংখ্যক লোকক নিজৰ ওচৰলৈ মাতি ললে। তেওঁলোকে ঈছাৰ ওচৰলৈ অহাৰ পিছত তেওঁৰ পৰা তেওঁ বাৰজনক ছাহাবী পদত নিয়োগ কৰিলে, যেন তেওঁলোকে সদায় তেওঁৰ লগতে থাকিব পাৰে আৰু ভুত খেদোৱাৰ ক্ষমতা প্ৰদান কৰি তেওঁ সিহঁতক প্ৰচাৰ কাৰ্য্যলৈ পঠাব পাৰে। (মাৰ্ক ৩ঃ১৩-১৫ আয়াত)।

ঈছা মছীহই এই বাৰজন ছাহাবীৰ নাম দিলে প্ৰেৰিত (ৰচুল) (গ্ৰীক ভাষাত ইয়াৰ অৰ্থ–যিসকলক প্ৰেৰণ কৰা হৈছে), কিয়নো তেওঁ সিহঁতক তেওঁৰ নামত কাম কৰিবলৈ পঠাব, তেওঁলোকৰ নিজৰ নামত নহয়। পিছত তেওঁ কৈছিল, “.....পিতাই যেনেকৈ মোক পঠাইছে,



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মইয়ো তোমালোকক তেনেকুৱাকৈ পঠাই আছো” (ইউহোন্না ২০ঃ২১ আয়াত)। তেওঁৰ বেহেস্তত আৰোহনৰ উপযুক্ত সময়ৰ আগতেই তেওঁ তেওঁলোকক নিযুক্ত কৰিছিল যাতে তেওঁলোকে কিশোৰ অৱস্থাত যিবোৰ অন্ধ বিশ্বাস আৰু সাংস্কৃতি, ৰীতিনীতি শিক্ষা পাইছে, আনকি ডেকা বয়সত তেওঁলোকৰ ধৰ্ম্মীয় নেতাৰ পৰা যি শিকিছে, সেই সম্বন্ধে বিস্মিত হব পাৰে। নতুন আৰু পুৰণি শিক্ষাৰ প্ৰকৃতিগত পাৰ্থক্য নিৰ্ণয় কৰিবলৈ সিহঁতক সহায় কৰাৰ উদ্দেশ্যে তেওঁ তেওঁলোকক প্ৰকৃত ঐশ্বৰীক শিক্ষাৰূপে নতুন ৰূহানী খাদ্যত তৃপ্ত কৰিব বিচাৰিছিল।

আমি অৰ্ন্তদৃষ্টিৰে দেখা পাওঁ যে, তেওঁৰ সন্মুখত উপস্থিত হোৱা দলটোৰ প্ৰতি ঈছা মছীহই প্ৰেমৰ দৃষ্টিৰে চাইছিল। তেওঁৰ মনোনীত ৰছুলসকলক এই নতুন কৰ্ম্মপদ্ধতিৰ গুৰুত্ব বুজাই দিছিল। তেওঁৰ প্ৰেমপূৰ্ণ উদ্দেশ্যসমূহ আৰু যিবিলাক মহান দায়িত্ব তেওঁলোকক বহন কৰিবলৈ কোৱা হব, সেই বিষয়ে তেওঁ সিহঁতক কৈছিল। কাৰোবাক মনোনীত কৰাৰ আগতে তেওঁৰ সন্মুখত উপস্থিত শ্ৰোতাসকলে বাৰু কি ভাবিছিল? যথাসম্ভৱ তেওঁলোকৰ প্ৰতিজনেই মনোনীত এজন হোৱাৰ আশা কৰিছিল। তেওঁলোকে তেওঁলোকৰ প্ৰিয় শিক্ষক ঈছা মছীহক সম্পৰ্ণূৰূপে বিশ্বাস কৰিছিল আৰু তেওঁক অনুসৰণ কৰিছিল। তেওঁৰ জ্ঞানৰ কথা শুনাটো তেওঁলোকৰ বাবে এটা সোণালী সুযোগ আছিল। তেওঁৰ পিছতেই মহৎ সেৱাৰ সেই সুযোগ আহিল। ঈছা মছীহে এটাৰ পিছত এটা নাম কোৱা আৰম্ভ কৰাত নিঃসন্দেহে উপস্থিত সকলোৰে হৃদয়ত আনন্দেৰে ভৰি উঠিছিল। খুব সম্ভৱ কোনো কোনোয়ে তেওঁৰ ছাহাবীসকলক



অভিনন্দন জনাব বিচাৰিছিল, আকৌ আনবোৰে হয়তো হিংসাৰ অনভূতিৰ সৈতে যুদ্ধ কৰিছিল।

হয়তো ঈছা মছীহে ছিমোনক তেওঁৰ কৰ্ম্মনিপুণতা আৰু উৎসাহৰ কাৰণে বাছি লৈছিল। তেওঁৰ নামটো আগত আহিছে ইয়াৰ কাৰণ প্ৰথমতে তেওঁকেই নিৰ্ব্বাচন কৰিছিল। সেই ক্ষেত্ৰত আমি এই সিদ্ধান্ত লব পাৰো যে, তেওঁক ছিমোন নামৰ আন এজনতকৈ পৃথক কৰাৰ কাৰণে ঈছা মছীহে তেওঁক ‘পিতৰ’– এই নতুন নামটো দিছিল, কিয়নো ঈছা মছীহে তেৰোঁকো মনোনীত কৰিছিল। ইয়াৰ পিছত আমি আন্দ্ৰিয়ৰ নাম পাও। আন্দ্ৰিয়ই সৰ্ব্ব প্ৰথম ঈছা মছীহৰ অনুসাৰী হৈছিল আৰু তেঁৱেই আছিল ইতিহাসৰ সৰ্ব্ব প্ৰথম মছীহী ঈঞ্জিল প্ৰচাৰক, যিজনে তেওঁৰ ভাই পিতৰক মছীহক অনুসৰণৰ আমন্ত্ৰণৰ জনাইছিল। পৰৱৰ্ত্তী সময়ত তেওঁৰ বিষয়ে পাক কিতাপত বিশেষ কোনো উল্লেখ নাপাও। ইয়াৰ পিছত ঈছা মছীহে দুই ভাইক মনোনীত কৰিছিল, ছিবদিয়েৰ দুই পুতেক– ইয়াকুব আৰু ইউহোন্নাক। তেওঁলোক আছিল আন্দ্ৰিয় আৰু পিতৰৰ একেখন গাওঁৰ আনকি একে কৰ্ম্মজীৱিৰ। ডাঙৰ ভাই ইয়াকুবে মছীহৰ বেহেস্ত আৰোহণৰ পিছত মছীহী ঈমানদাৰসকলৰ জামাতৰ এজন নেতৃত্বস্থানীয় মুৰব্বী হৈছিল। পোন্ধৰ বছৰ পিছত ৰজা হেৰোদ আগ্ৰিপ্পাই ইহুদীসকলক সন্তুষ্ট কৰাৰ কাৰণে তেওঁক হত্যা কৰিছিল। সৰু ভাই ইউহোন্না বহুদিনলৈ জীয়াই আছিল আৰু তেওঁৰ আন সহকৰ্ম্মীসকলৰ মৃত্যুৰ পিছত বহুতো জামাতৰ খেদমত কৰিছিল।

এই চাৰিজন প্ৰেৰিতৰ নাম প্ৰথমতে উল্লেখ কৰাৰ কাৰণটো আছিল–যেতিয়া ঈছা মছীহই অপেক্ষাকৃত



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

অজ্ঞাত আৰু অপৰিচিত আছিল তেতিয়া এওঁলোকেই ঈছা মছীহৰ অনুগামী হৈছিল। ইয়াৰ পিছত ঈছা মছীহে আৰু দুজনক বাছি লৈছিল, সিহঁত আছিল ফিলিপ আৰু নথনেল। ইউহোন্না লিখিত ঈঞ্জিলৰ বিৱৰণৰ বাহিৰে আন কতো ফিলিপৰ উল্লেখ পোৱা নাযায় নথনলে হল বৰ্থলময়ৰ আন এটি নাম। প্ৰথম পৰ্য্যায়ৰ এই ছয়জন প্ৰেৰিতঃ এওঁলোক সকলোৱে তৃৰীকাদাতা ইয়াহিয়াৰ উম্মত আছিল। তেওঁলোকে তেওঁৰ লগতে আছিল, কাৰণ তেওঁৰ ঘোষণাৰ মাজত তেওঁলোকে প্ৰকৃত আধ্যাত্মিকতাৰ মূল বিষয় বস্তু উপলব্দি কৰিছিল। নিঃসন্দেহে ছাহাবীসকলে ঈছা মছীহৰ দ্বাৰা মনোনীত হৈ গৌৰৱ অনুভৱ কৰিছিল।

কৰ আদায়কাৰী মথিক প্ৰেৰিত পদ প্ৰদানৰ বিষয়টো আমাক ভাবিবলৈ বাধ্য কৰে। মথিৰ নিচিনা চৰিত্ৰৰ লোক এজনে কেনেকৈ প্ৰেৰিত হব পাৰে? এই কৰ্ম্মৰ বাবে আত্মিক আৰু মানসিক উভয় পক্ষতে তেওঁ উপযুক্ত আছিল। তেওঁক বাছিলৈ ঈছা মছীহই প্ৰমাণ কৰিছিল যে, লোকে যিসকলক ঘৃণা কৰে, তেওঁলোকৰ মাজত বহুতেই আল্লাহৰ দৃষ্টিত গুৰুত্বপূৰ্ণ। মথিক বাছি লোৱা বিষয়টো আছিল আল্লাহৰ ৰহমতৰ শক্তিৰ এটি জ্বলন্ত উদাহৰণ যিটো এজন সমাজচ্যুতক গ্ৰহণ কৰি মহান প্ৰেৰিতৰূপে গঢ়ি তোলে। মথিৰ নামৰ লগত সংযুক্ত যিটো নাম দেখা যায় সেইটো হল থোমা; আমি তেওঁৰ অতীত সম্বন্ধে একোৱেই নাজানো এই বিষয়ে তেওঁ তেওঁৰ পূৰ্ব্বত মনোনয়ন কৰা সাতজনতকৈ পৃথক। ইয়াৰ পিছত আমি আৰু এজন ইয়াকুবক দেখা পাও তেওঁক "ন্যূন ইয়াকুব" উপাধি দিয়া হৈছিল। কোনো কোনোৱে ভাবে তেওঁ মথিৰ



ভাই আছিল, কাৰণ ইহঁত দুয়োৰে পিতাৰ নাম আছিল আলফেয়। এই কথাটো সত্য নহবও পাৰে, কাৰণ এই নাম দুটা আন্দ্ৰিয় ও পিতৰ আৰু ইয়াকুব ও ইউহোন্নাৰ নামৰ লগত একেলগে ক'তো দেখিবলৈ পোৱা নাযায়।

**যিজনে লোকৰ আগত মোক স্বীকাৰ কৰে,মেয়ো মোৰ বেহেস্তী পিতাৰ সন্মুখত তেওঁক স্বীকাৰ কৰিম। কিন্তু যিজনে লোকৰ আগত মোক অ-স্বীকাৰ কৰে, ময়ো মোৰ বেহেস্তী পিতাৰ সন্মুখত তেওঁক অ-স্বীকাৰ কৰিম।**

**মথি ১০ঃ৩২-৩৩**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ইয়াৰ পিছত যিজন ব্যক্তিক ঈছা মছীহে মনোনীত কৰিছিল সেয়া চাই আমি বিস্ময় মানো; তেওঁ আছিল দেশভক্ত ছিমোন, ৰোমীয় সকলৰ এজন শত্রু। তেওঁ এটা সংগঠনৰ সদস্য আছিল, যি ৰোমৰ বিৰুদ্ধে বিদ্রোহ কৰিছিল আৰু এইকাৰণেই তেওঁৰ জাতিৰ লোকসকলে তেওঁক সন্মান কৰিছিল। তেওঁৰ নিচিনা চৰিত্রৰ এজনক ঈছা মছীহই তেওঁৰ ছাহাবী দলত অন্তর্ভূক্ত কৰিব বিচাৰিছিল যাতে দলটোত প্রকৃতিগত ভাবে ভিন্ন আদর্শ ও মতালম্বী লোকৰ সমাবেশ হয়। একাদশতম প্রেৰিতৰ কেইটামান নাম আছিল এহুদা, ইয়াকুবৰ ভাই আৰু লেব্বেয় বা থদ্দেয়।

একেবাৰে শেষৰ প্রেৰিতজন আছিল এহুদা ইস্কোৰিয়োত। তেওঁ আছিল এহুদিয়াৰ লোক। বাকী সকলোৱেই আছিল গালীলৰ লোক। আন সকলোতকৈ তেওঁ আছিল অলপ বেলেগ ধৰণৰ, কাৰণ তেওঁ আছিল বেলেগ ঠাইৰ আৰু তেঁৱেই তেওঁৰ হুজুৰৰ প্রতি বিশ্বাসঘাতকতা কৰিছিল। তেওঁৰ নামৰ পিছত 'বিশ্বাসঘাতক' শব্দটো বিশেষণ হিচাপে থাকে। যদিও এহুদাই প্রেৰিত হোৱাৰ প্রয়োজনীয় বৈশিষ্ট সমূহ প্রতিষ্ঠা কৰিব পৰা নাই, তথাপিও ঈছা মছীহে সম্ভৱত ভবিষ্যত বাণীৰ পূর্ণতাৰ কাৰণে আৰু আল্লাহৰ ইচ্ছা বাস্তবায়িত কৰাৰ কাৰণে তেওঁক মনোনীত কৰিছিল (জব্বুৰ ৪১ঃ৯, ১০৯ঃ৭ আয়াত দ্রষ্টব্য)। এহুদাক বাছি লৈ ঈছা মছীহে তেওঁৰ অনুসাৰীসকলৰ সন্মুখত এটা দৃষ্টান্ত ৰাখিব বিচাৰিছল যে, কেনেকৈ হেৰুৱাবিলাকৰ ওচৰলৈ যাব লাগে। কোনো কোনো মানুহে তৎক্ষনাত সহাৰি নিদিয়ে আৰু যিবিলাক পদ্ধতিয়ে এজন মানুহক তৌবা কৰি ঈমানদাৰ হোৱাৰ ফালে পৰিচালিত কৰে সেইবিলাক আনৰ বেলিকা যথাযথ কার্য্যকৰি নহবও পাৰে। এহুদাই মছীহৰ লগত বিশ্বাসঘাতকতা কৰাৰ কোনো



যুক্তিসংগত কাৰণ নাছিল তথাপিও তেওঁ সেয়া কৰিছিল। তেওঁ বহুবাৰ নিজক সংশোধন কৰাৰ সুযোগ লাভ কৰিছিল, কিন্তু তেওঁ সেইবিলাক অৱজ্ঞা কৰিছিল।

এহুদাই প্রথমে যেতিয়া মছীহৰ অনুসাৰী হৈছিল তেতিয়া হয়তো বেয়া নাছিল। বেহেস্তী ৰহমতৰ বিষয়ে ত্রুটিপূর্ণ বোধগম্যৰ কাৰণে যিসকলে সুন্দৰভাবে আৰম্ভণি ঘটাই শোচনীয়ভাবে পৰিসমাপ্তি ঘটায়, তেনেকুৱা বহুতেৰে নিচিনা এহুদাও প্রেৰিত হোৱাৰ পিছত মূৰত উঠি গৈছিল। এই দলটোৰ কোষাধ্যক্ষজন আছিল এহুদা আৰু তেওঁক এই পদত অধিষ্ঠিত কৰাৰ সিদ্ধান্তটো সম্ভৱত তেওঁৰ সহকৰ্মীসকলে লৈছিল। যথা সম্ভৱ তেওঁলোকে তেওঁক কৰ্ম্মদ্যোগী ও ব্যৱসায়ীৰূপে চাইছিল।

ভবিষ্যতে তেওঁৰ ছাহাবীসকলৰ প্রতি কি ঘটিব এই বিষয়ে সম্পূর্ণ ধাৰণাসহ ঈছা মছীহে তেওঁৰ প্রেৰিত নিৰ্ব্বাচন সমাপ্ত কৰিছিল। ভবিষ্যতবাণীৰ আত্মাত কেৱল তেওঁলোকৰ দুৰ্ব্বলতা আৰু ভুল-ত্রুটিসমূহই দেখা পোৱা নাছিল, বৰঞ্চ তেওঁলোকৰ উৎসাহ-উদ্দীপনা, কৰ্ম্মশক্তি আৰু সংকট ও নির্য্যাতনৰ ওপৰত তেওঁলোকৰ বিজয়ও দেখা পাইছিল। তেওঁলোকৰ জীৱনকালৰ মাজতেই প্রচাৰে প্রভাব বিস্তাৰ লাভ কৰিব সেয়াও তেওঁ দেখা পাইছিল। তেওঁ আৰু দেখা পাইছিল, যি তেওঁলোকৰ লিখনী ও স্থাপন কৰা প্রতিষ্ঠান সমূহে তেওঁলোকৰ মৃত্যুৰ পিছত আনৰ ওপৰত প্রভাব বিস্তাৰ কৰিব। তেওঁ সিহঁতক দেখা পাইছিল - সাক্ষীসকলৰ মাজত মহা গৌৰৱৰ মুকুটৰ সৈতে বিভূষিত, বেহেস্তী সিংহাসনৰ সোঁফালে উপবিষ্ট আৰু ইস্রায়েলৰ বাৰটা গোষ্ঠীৰ বিচাৰত মগ্ন" (মথি ১৯ঃ২৮ আয়াত)।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সঁচাকৈয়ে শষ্য বহুত, কিন্তু কাম কৰিবলৈ মানুহ কম। সেইকাৰণে শষ্যৰ মালিকক অনুৰোধ কৰা, যেন তেওঁ তেওঁৰ শষ্য চপোৱাৰ কাৰণে লোক পঠাই দিয়ে।

মথি ৯ঃ৩৭ঃ৩৮



## আঠ
## পৰ্ব্বতত দিয়া উপদেশ

প্ৰেৰিতসকলক মনোনীত কৰাৰ পিছত ঈছা মছীহই এটা চুড়ান্ত উপদেশ দিছিল যাক 'পৰ্ব্বতত দিয়া উপদেশ' বুলি কোৱা হয়। এইটো যত্ন সহকাৰে বিবেচনা কৰিব লাগে, কাৰণ এইটো ধাৰ্ম্মিক লোকসকলৰ বাবে আল্লাহলৈ প্ৰত্যাবৰ্তনৰ বাটৰ সাৰাংশ। কফুৰনাহুমৰ ওচৰা-ওচৰি এটা পৰ্ব্বতৰ ওপৰৰ পৰা তেওঁ এই উপদেশ দিছিল। অধিকাংশ টীকাকাৰে ধাৰণা কৰে, এই উপদেশ দিয়াৰ ঠাইটো আছিল তিবিৰিয়াৰ উত্তৰত অৱস্থিত হৰ্নস অব হ্যাটিন নামক পৰ্ব্বত। মছীহৰ সৰ্বাধিক পৰিচিত আৰু দীঘলীয়া লিপিবদ্ধ উপদেশ আৰু ইয়াৰ চমৎকাৰীত্ব সকলোৱে লগে লগেই স্বীকাৰ কৰে, এনেকি ঈছায়ীৰ শত্ৰু সকলেও।

এইটো ঈছা মছীহই স্থাপন কৰা নতুন ৰূহানী ৰাজ্যৰ গঠনতন্ত্ৰ। মূছা ও নবীসকলৰ বেহেস্তী প্ৰত্যাদেশৰ ওপৰত প্ৰতিষ্ঠিত যি ঈছা মছীহে পূৰ্ণ কৰিবলৈ আহিছিল। এই ৰূহানী ৰাজ্যৰ ৰজা মছীহৰ বিষয়ে আল্লাহই নবী দাউদৰ মাধ্যমেদি কৈছে, *"মইয়েই মোৰ বাদছাহক পবিত্ৰ ছিয়োন পৰ্ব্বতত বহুৱাইছো"* (জব্বুৰ ২ঃ৬ আয়াত)। তেওঁৰ ৰাজ্যৰ উপাদানসমূহ আৰু পুৰণি শ্বৰীয়তৰ নতুন অৰ্থ ঘোষণাকাৰী, তেওঁৰ ৰাজদূত প্ৰেৰিতসকলৰ উদ্দেশ্যে ৰজা হিচাপে এটা বিশেষ নিৰ্দেশ প্ৰদান কৰা ঈছা মছীহৰ কাৰণে অতি আৱশ্যক আছিল। ৰজাই কেৱলমাত্ৰ তেওঁৰ প্ৰেৰিতসকলকেই বাছি লোৱা নাই, কিন্তু সিহঁতক আচৰ্য্যজনক ও বিচিত্ৰ কৰ্ম্ম কৰাৰ বিশেষ ক্ষমতাও



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

প্ৰদান কৰিছিল।

মছীহৰ বাণী শুনাৰ আগতে আমি সেই ঠাইখনলৈ গুৰুত্ব আৰোপ কৰিব বিচাৰো যত সেই বাণী প্ৰদান কৰা হৈছিল। তৌৰাতৰ শ্বৰীয়তৰ নিচিনাকৈ বজ্ৰ-বিদ্যুৎ, ভুমিকম্প ও জুইৰ শিখাযুক্ত অদৃশ্য আল্লাহৰ ধ্বনিৰ দ্বাৰা উচ্চ ছিনয়-পৰ্ব্বতত এইটো প্ৰদান কৰা হোৱা নাই। য'ত মূছাৰ বাহিৰে আন কাৰো সেই পৰ্ব্বতৰ ওচৰলৈ অহাটো নিষেধ আছিল। যদি কোনোবাই আহে তেতিয়া তেওঁক শিল দলিয়াই হত্যা কৰাৰ আদেশ আছিল। বৈসাদৃশ্যভাবে পৰ্ব্বতত দিয়া উপদেশ প্ৰদান কৰা হৈছিল ধুনীয়া শ্যামল বৰণেৰে আবৃত হ্যাটিন পৰ্ব্বতৰ ওপৰৰ পৰা, যৰ পৰা শুনা গৈছিল চৰাই-চিৰিকতিৰ শুৱলা গীত আৰু বতাহত বিয়পা বনৰীয়া ফুলৰ সুগন্ধি; আৰু চিৰ-শান্তিৰ মানুহৰূপী মাবুদৰ মুখৰ পৰা পবিত্ৰ কালাম; তেওঁৰ চাৰিওপিনে আছিল পেলেষ্টাইন অঞ্চলৰ পৰা সমবেত জনসাধাৰণ আৰু তেওঁৰ ছাহাবী সকল।

কোৱা হয়, মছীহ কেনেকৈ আবিৰ্ভাব হব এই বিষয়ে এটা প্ৰচলিত বিশ্বাস ইহুদী সকলৰ মাজত প্ৰচলিত আছে। জাফাৰ ওচৰৰ সমুদ্ৰ পাৰত থিয় হৈ তেওঁৰ সকলো ধন সম্পত্তি দাঙি ধৰিবলৈ সমুদ্ৰক আদেশ কৰিব। লগে লগে সমুদ্ৰই তেওঁৰ গৰ্ভত থকা সকলো মণি-মুকুতা আৰু ৰত্নসমূহ তেওঁৰ চৰণত অৰ্পন কৰিব। তেওঁ তেওঁৰ অনুসাৰী সকলক ধুনীয়া বস্ত্ৰেৰে বিভূষিত কৰি, মূল্যবান ৰত্ন দি সিহঁতক সজাব আনকি মৰুভূমিত তেওঁলোকে যি মান্না খাইছিল তাতকৈ অধিক সু-স্বাদু বেহেস্তী মান্না সিহঁতক খুৱাব। যিয়েই নহওক, এই ধৰণৰ প্ৰচলিত বিশ্বাসে অনাগত কাল্পনিক মছীহক চিহ্নিত কৰে যি



ভ্ৰান্তিজনক।

বাস্তৱ যি দৃশ্যটো আমি বিবেচনা কৰিছো সেয়া অধিক সুন্দৰ আৰু নিখুঁত নহয়নে? আমাৰ সন্মুখত থকা মৌলিক ৰূহানী শিক্ষা নীতিৰ লগত তুলনা কৰিব পৰা এনেকুৱা কিবা ৰত্ন সমুদ্ৰ গৰ্ভত আছেনে? এই উপদেশত সন্নিবিষ্ট আৰু মছীহৰ চৰিত্ৰত স্থাপিত দৃষ্টান্তৰ প্ৰশংসনীয় গুনতকৈ ধুনীয়া আভূষণ আছেনে? সমুদ্ৰক তেওঁৰ ধনৰত্ন দাঙি ধৰাৰ আদেশটো চয়তানবোৰক ধমকি দিয়া, মৃতসকলক জীৱন দিয়া নাইবা তেওঁৰ অনুসাৰীসকলৰ ওচৰত গুনাহ মাফ খোজাৰ আবেদন কৰাৰ নিচিনা একেই ক্ষমতা প্ৰদান কৰেনে?

ঈছা মছীহই পৰ্ব্বতত দিয়া সকলো শিক্ষাই নতুন নাছিল। তৌৰাতৰ জ্ঞানৰ সহায়ত ইহুদীসকলে ঈছা মছীহৰ শিক্ষাসমূহৰ ভিত্তিগত সত্যৰ সৈতে পৰিচিত আছিল। এনেকি, অ-ইহুদীসকলৰ বিধি বিধানৰ মাজত এনেকুৱা নীতি আছিল, যিবোৰে আল্লাহৰ শ্বৰীয়তক প্ৰতিফলিত কৰে (ৰোমীয় ২ঃ১৪-১৫ আয়াত দ্ৰষ্টব্য)। যেনেকৈ ধুলি মাটিৰে আদমক বনাই আল্লাহে তেওঁৰ সুন্দৰ দেহত প্ৰাণ সঞ্চাৰ কৰিছিল, তেনেকৈ মছীহৰ শিক্ষাসমূহে তৌৰাতৰ শ্বৰীয়তত জীৱন সঞ্চাৰ কৰিছিল।

"বহুতো মানুহ দেখা পাই ঈছাই পাহাৰৰ ওপৰলৈ উঠিলে। তেওঁ বহাৰ পিছত ছাহাবীসকল তেওঁৰ ওচৰলৈ আহিল। তেতিয়া তেওঁ ছাহাবীসকক এই শিক্ষা দিব ধৰিলে– *"আল্লাহৰ সন্মুখত যিসকলে নিজক অযোগ্য বুলি ভাবে, সিহঁত মোবাৰক, কাৰণ বেহেস্তী ৰাজ্য তেওঁলোকৰেই। যিসকলে দুখ ভোগ কৰে সিহঁত মোবাৰক, কাৰণ তেওঁলোকে শান্তি পাব। যিসকলৰ*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*স্বভাৱ নম্ৰ, সিহঁত মোবাৰক, কাৰণ জগত সিহঁতৰেই হব। যিসকলে মন-প্ৰাণে আল্লাহৰ ইচ্ছামতে চলিব বিচাৰে সিহঁত মোবাৰক, কিয়নো তেওঁলোকৰ সেই ইচ্ছা পূৰ্ণ হব। আনৰ প্ৰতি যিসকলে দয়া কৰে, সিহঁত মোবাৰক, কাৰণ তেওঁলোকৰ প্ৰতি দয়া কৰা হব। যিসকলৰ অন্তৰ পবিত্ৰ, সিহঁত মোবাৰক কাৰণ তেওঁলোকে আল্লাহক দেখা পাব। মানুহৰ জীৱনত শান্তি প্ৰতিষ্ঠা কৰিবলৈ যিসকলে পৰিশ্ৰম কৰে, সিহঁত মোবাৰক কাৰণ আল্লাহই সিহঁতক নিজৰ সন্তান বুলি মাতিব। আল্লাহৰ ইচ্ছামতে চলিবলৈ যিসকলে অত্যাচাৰ সহে, সিহঁত মোবাৰক, বেহেস্তী ৰাজ্য সিহঁতৰেই। তোমালোক মোবাৰক, যেতিয়া মোৰ কাৰণে মানুহে তোমালোকক অপমান কৰে ও অত্যাচাৰ কৰে আৰু মিছলীয়া বুলি তোমালোকক নানা ধৰণৰ বেয়া কথা কয়। তেতিয়া তোমালোকে আনন্দ কৰিবা কিয়নো বেহেস্তত তোমালোকৰ কাৰণে মহা পুৰুস্কাৰ আছে। তোমালোকৰ পূৰ্ব্বে যিসকল নবী আছিল, তেওঁলোকৰ প্ৰতিও লোকে এনেকুৱা অত্যাচাৰ কৰিছিল।”* (মথি ৫ঃ১-১২ আয়াত)।

## উপদেশৰ আৰম্ভণি

ঈছা মছীহই পাহাৰত উঠিল। তেওঁ বহাৰ পিছত ছাহাবীসকলে তেওঁৰ ওচৰলৈ আহিল। ‘মোবাৰক’ শব্দয়েদি আৰম্ভ কৰি তেওঁ সিহঁতক শিক্ষা দিলে। তৌৰাত শ্বৰীফৰ  ভাবধাৰা এই কথাবোৰত প্ৰস্ফুটিত আছিল, “যিজনে এই শ্বৰীয়তৰ সকলো বিধান পালন কৰাৰ কাৰণে সেইবিলাক অটুট নাৰাখে, তেওঁ ধিক্কাৰ” (দ্বিতীয় বিবৰণ ২৭ঃ২৬ আয়াত)। আবাল পৰ্বতত বিস্তাৰিতভাবে উচ্চাৰিত অভিশাপবোৰৰ মাজতো সেয়া দৃষ্টি গোচৰ হয়। ঈছা মছীহই দিয়া নতুন নিয়মত লিখা আছ, “*আল্লাহে মানুহক ইমান মহব্বৎ কৰিলে যে, তেওঁৰ একমাত্ৰ পুত্ৰক তেওঁ দান কৰিলে, যিজনে সেই পুত্ৰৰ ওপৰত ঈমান আনে তেওঁ ধ্বংস নহয়, কিন্তু আখেৰী জীৱন পায়*” (ইউহোন্না ৩ঃ১৬ আয়াত)। ‘মোবাৰক’ শব্দটো সেই একেই অভিব্যক্তি নাইবা তেওঁৰ মহান পূৰ্ব্বপুৰুষ দাউদে তেওঁৰ কোনো কোনো গীতত (হাম্‌দে) ব্যৱহাৰ কৰিছিল যত অসাধাৰণ সৌন্দৰ্য্য বিদ্যমান।

ঈছা মছীহই আৰ্শীবাদেৰে তেওঁৰ উপদেশবিলাক আৰম্ভ কৰিছিল আদেশেৰে নহয়। গুনাহৰ কাৰণে বঞ্চিত হোৱা সুখ মানব জাতিক উভতাই দিবলৈ ঈছা মছীহই আল্লাহৰ পৰা আহিছিল। এই কাৰণে আনন্দক তেওঁ তেওঁৰ ৰাজ্যৰ অন্যতম অতি গুৰুত্বপূৰ্ণ নীতি কৰিছিল। ‘মোবাৰক’ শব্দটো দি তেওঁ প্ৰশংসা, আনন্দ আৰু সুখ একেলগে সন্নিবিষ্ট কৰিছিল। প্ৰথমে ব্যক্ত হোৱাৰ পিছৰে পৰা যুগৰ পিছত যুগ ধৰি তেওঁৰ নতুন ৰাজ্যৰ নীতিসমূহ ক্ৰমান্বয়ে বৰ্ধিত হাৰে প্ৰভাব বিস্তাৰ কৰি আছে। বহু মানুহ, এনেকি বিভিন্ন মতপোষণকাৰী ও ধৰ্ম্মবিশ্বাসী আৰু বিশিষ্ট বুদ্ধিজীৱী সকলেও একে ধৰণৰ মত পোষণ কৰে যে, ধৰ্ম্মীয় ইতিহাসত যিমান গ্ৰন্থ নাজিল হৈছে তাৰে মাজত মছীহৰ ব্যবস্থাই হৈছে সকলোতকৈ মহান।

পৰ্ব্বতত দিয়া উপদেশৰ আৰম্ভণিত এনেকুৱা কিবা আছে যি বিশেষ মনোযোগ লাভৰ যোগ্য। সেয়া এই বেহেস্তী উক্তিৰ লগত সংগতিপূৰ্ণ আছিল, “কাৰণ মাবুদে কলে, মোৰ পৰিকল্পনাসমূহ আৰু তোমালোকৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সংকল্পসমূহ একে নহয়” (ঈছাইয়া ৫৫ঃ৮ আয়াত)। প্রথমতে ঈছা মছীহে সেই সময়ৰ প্ৰচলিত ধৰ্ম্মীয় ভ্ৰান্ত ধাৰণাসমূহক গুচাই পেলাইছিলা।

## যিসকলে নিজক অযোগ্য বুলি ভাবে সিহঁত মোবাৰক

প্ৰথম আশীবাদটো হ'ল–“আল্লাহৰ সন্মুখত যিসকলে নিজক অযোগ্য বুলি ভাবে, সিহঁত মোবাৰক, কাৰণ বেহেস্তী ৰাজ্য তেওঁলোকৰেই।” ঈছা মছীহৰ সময়ৰ মানুহবিলাকে কেতিয়াও ভবা নাছিল যে, অযোগ্য (দুখীয়া) মানুহবিলাকে বেহেস্তী ৰাজ্যৰ অধিকাৰী হব পাৰে। তেওঁলোকৰ ধাৰণা আছিল যে, ধৰ্ম্মীয় নেতা, ইমাম, আলিম আৰু ফৰীচীসকলে প্ৰথম শাৰীত থাকিব আৰু মছীহই স্থাপন কৰা পাৰ্থিব ৰাজ্যৰ ক্ষমতা ও উচ্চপদ সমূহ সিহঁতেই লাভ কৰিব। যিয়েই নহওক, ঈছা মছীহই কোৱা নাই যে, তেওঁলোকৰ নিচিনা লোকসকলে বেহেস্তী ৰাজ্য লাভ কৰিব, কিন্তু ৰূহুত যিসকল অবনত কেৱল সিহঁতেই বেহেস্তী ৰাজ্য লাভ কৰিব, সিহঁতেই তেওঁৰ লগত ৰাজত্ব কৰিব। ইয়াৰ আগতেই তেওঁ কৈছিল, “আল্লাহ মালিকৰ ৰূহু মোৰ ওপৰত আছে, কাৰণ তেঁৱেই মোক নিযুক্ত কৰিছে, যাতে মই দুখীয়াসকলৰ মাজত সুখবৰ প্ৰচাৰ কৰো…” (লূক ৪ঃ১৮ আয়াত)। এইকাৰণে তেওঁ তেওঁৰ প্ৰথম আশীবাদ দুখীয়াসকলৰ প্ৰতি নিৰ্দেশ কৰিছিল এই কথাকৈ, “আল্লাহৰ সন্মুখত যিসকলে নিজক অযোগ্য বুলি ভাবে, সিহঁত মোবাৰক, কাৰণ বেহেস্তী ৰাজ্য সিহঁতৰেই।”



## যিসকলে দুখ ভোগ কৰে সিহঁত মোবাৰক

তেওঁলোকৰ কাৰণে দ্বিতীয়টো এটা শান্তনাৰ আশীবাদ যিসকলে জীৱনত শোকাবহ ঘটনাবোৰৰ মাজত দুখ পাইছে, কিন্তু তেওঁলোকৰ দুখৰ সময় অতিবাহিত হোৱাৰ পিছত সিহঁতেই আকৌ আনন্দ ভোগ কৰিব পাৰিব, শান্তনা হ'ল এনেকুৱা বস্তু যি কেৱল ধনীসকলেই ভোগ কৰিব পাৰে। এই কথাত ঈছা মছীহৰ শ্ৰোতাসকলে একমত হব পাৰিলেহেঁতেন, কাৰণ ধনীসকলৰ দুৰ্দশাৰ অবসান ঘটাই সিহঁতক উৎসাহ দিয়াৰ বাবে অসংখ্য বন্ধু তেওঁলোকৰ আছিল। যিয়েই নহওক, ঈছা মছীহৰ মনত সেই সকলৰ কথা সদায় মনত আছিল যিসকলে তেওঁলোকৰ অন্যায় কৰ্ম্মৰ বাবে শোক কৰি কান্দে। তেওঁলোকৰ গুনাহ মাফ হোৱাৰ ফল স্বৰূপে সিহঁতলৈ শান্তনা আছে; আৰু তেওঁলোকে তেওঁলোকৰ গুনাহৰ সলনি দুগুণ আশীৰ্বাদ লাভ কৰে (ইশাইয়া ৪০ঃ২ আয়াত)।

## যিসকলৰ স্বভাব নম্ৰ, সিহঁত মোবাৰক

তৃতীয়টো হ'ল জগত অধিকাৰৰ আশীৰ্বাদ। এই অধিকাৰ যিসকলে লাভ কৰিব সিহঁত কোন? যিসকলে অধিকাৰত আছে সিহঁত নহয় নাইবা চতুৰালিৰে আনক নিয়ন্ত্ৰণ কৰি ধন-সম্পদ বৃদ্ধি কৰিছে সেই ধৰণৰ প্ৰভাবশালী লোকো নহয়। বৰঞ্চ যিসকল নম্ৰ সিহঁতেই জগতত অধিকাৰ লাভ কৰিব। অধিকাৰ থকা দাম্ভিকসকলে নহয়, কিন্তু যিসকলে প্ৰেম কৰে, সিহঁতেই



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

জগতৰ অধিকাৰী হব। নবী দাউদে এই সত্য দৰ্শন কৰি লিখিছিল, *"আৰু মাত্ৰ অলপ সময়, পিছে দুষ্টলোক আৰু নাথাকিব, তুমি তেওঁৰ ঠাই সন্ধান কৰিবা, কিন্তু তেওঁ আৰু নাই। কিন্তু নম্ৰ ব্যক্তিসকলে দেশৰ উত্তৰাধিকাৰী হব আৰু শান্তিৰে সৈতে আমোদ-প্ৰমোদ কৰিব"* (জব্বুৰ ৩৭ঃ১০-১১ আয়াত)।

## যিসকলে ধাৰ্ম্মিকতাৰ কাৰণে ভোকাতুৰ ও তৃষ্ণাতুৰ সিহঁত মোবাৰক

চতুৰ্থটো হ'ল সন্তুষ্ট বা পূৰ্ণতাৰ আশীৰ্বাদ। ঈছা মছীহৰ শ্ৰোতাসকলে ভাবিছিল, যিসকলে তেওঁলোকৰ পাৰ্থিব জগতৰ ধন সম্পদৰ কাৰণে যি মন যায় তাকে কিনিবলৈ সমৰ্থ আৰু সুখ-সাচ্ছন্দৰ সৈতে জীৱন কটাই আছে, সেই ধনী ব্যক্তিসকলৰ কথাই ঈছা মছীহই বুজাব বিচাৰিছিল, ভোকৰ বিন্দুমাত্ৰ তাড়না তেওঁলোকে নাজানে। যিয়েই নহওক, ঈছা মছীহই তেওঁলোকক পৰিতৃপ্ত বুলি বৰ্ণনা কৰিছে যিসকলে ধন সম্পত্তিৰ বিষয়ে চিন্তা নকৰে আৰু পাৰ্থিব জগতৰ বিষয় সম্পত্তিৰ প্ৰতি লোভী নহয়। তেওঁলোক এনেকুৱা যিসকলে বেহেস্তী নেকীৰ বাবে ভোকাতুৰ আৰু তৃষ্ণাতুৰ। সেয়া নিজৰ তথা তেওঁলোকৰ চাৰিওফালে থকা লোকৰ বাবে। মছীহৰ ৰাজ্যত এনেকুৱা লোকসকলেই তৃপ্ত হব আৰু তেওঁলোকৰ ইচ্ছা পূৰ্ণ হব। *"এই কাৰণে মহান আল্লাহ তায়ালাই কয়, চোৱা, মোৰ বান্দাসকলে ভোজন কৰিব, কিন্তু তোমালোকে অনাহাৰে থাকিবা; চোৱা, মোৰ বান্দাসকলে পান কৰিব কিন্তু তোমালোকে তৃষ্ণাত ছটফটাবা; আৰু চোৱা মোৰ বান্দাসকলে আনন্দ কৰিব,*



*কিন্তু তোমালোকে লাজ পাবা"* (ঈছাইয়া ৬৫ঃ১৩ আয়াত)।

## যিসকল দয়ালু সিহঁত মোবাৰক

যিসকল দয়ালু তেওঁলোকৰ প্ৰতি পঞ্চম আশীৰ্বাদটোয়ে দয়াৰ প্ৰতিশ্ৰুতি দিয়ে। আল্লাহ আৰু মানুহৰ পৰা তেওঁলোকে দয়া পাব। সিহঁত ধনী, শাসক বৰ্গ আৰু অধিকাৰ থকা ব্যক্তি সকলনে? যিসকলে আনক যন্ত্ৰণা দিয়ে আৰু যিসকলক মানুহে ভয় কৰে সিহঁতেই কি সেইলোক হয়নে? ধৰ্ম্মীয় স্বাৰ্থত যিসকলে সেৱা-শুশ্ৰূষা কৰে সেই সকলেই তেনে লোকনে যিসকলে ইয়াৰ বাবে আল্লাহৰ সু-বিবেচনা লাভ কৰিব পাৰে? মছীহই কয়, যিসকলে দয়া লাভ কৰিব সিহঁত সুবিচাৰ বুদ্ধি সম্পন্ন, যিসকল অহংকাৰী ও আনৰ প্ৰতি প্ৰভুত্ব কৰে সিহঁত নহয়। আনে তেওঁলোকৰ ওচৰত সমৰ্পিত হোৱাৰ আশা কৰাৰ পৰিবৰ্তে তেওঁলোকে আনৰ ওচৰত সমৰ্পিত হয়। দয়ালু সকলৰ কাৰণে মছীহৰ ৰাজ্য, ক্ষমতাশালীসকলৰ কাৰণে নহয়। নবী ছুলেইমান (আঃ)য়ে কৈছে, "দয়ালু নিজ প্ৰাণৰ উপকাৰ কৰে; কিন্তু নিষ্ঠুৰতাজন নিজ দেহৰ কাইট" (মেছাল ১১ঃ১৭ আয়াত)। তেওঁৰ পিতৃ দাউদ নবীয়ে কৈছে, "দয়ালু ব্যক্তিৰ লগত তুমি দয়া সুলভ ব্যৱহাৰ কৰিবা, কামিল ব্যক্তিৰ লগত কামিল ব্যৱহাৰ কৰিবা" (জব্বুৰ ১৮ঃ২৫ আয়াত)।

## যিসকলৰ অন্তৰ পবিত্ৰ সিহঁত মোবাৰক

ষষ্ঠ আশীৰ্বাদটো বুজা অতি কঠিন। ঈছা মছীহই



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৈছিল, “যিসকলৰ অন্তৰ পবিত্ৰ, সিহঁত মোবাৰক, কিয়নো তেওঁলোকে মাবুদক দেখা পাব।” এই জগতত মাবুদক দেখাটো অসম্ভৱ নহয়নে? তেঁৱেই সেইজন গৰাকী নহয়নে যিজনে দেখা পায়, অথচ নিজেই অদৃশ্য হৈ থাকে? ঈছা মছীহই এবাৰ এই কথা কোৱা নাইনে, “পিতৃ আল্লাহক কোনেও কেতিয়াও দেখা নাই…” (ইউহোন্না ১ঃ১৮ আয়াত)? আল্লাহক নিজ চকুৰে চোঁৱাই মানুহৰ মহৎ আকাংখা। মছীহৰ শ্ৰোতাসকলে ভাবিছিল, এই জগতত যিসকল উন্নত, বিশেষকৈ যিসকলৰ ধৰ্মীয় তাত্ত্বিক অৰ্ন্তদৃষ্টি আছে, সিহঁতেই আল্লাহক দেখা পাব। কিন্তু ঈছা মছীহই কৈছিল, যিসকলৰ অন্তৰ নিৰ্মল, পবিত্ৰ সিহঁতেই আল্লাহক দেখা পাব। দাউদ নবীয়ে কৈছিল, *“কোনে মাবুদৰ পৰ্ব্বততলৈ উঠিব? কোন তেওঁৰ পবিত্ৰ ঠাইত থিয় দিব? যিজনৰ হাত পৰিস্কাৰ আৰু হৃদয় পবিত্ৰ, অনৰ্থক কথাৰ ফালে মন লগোৱা নাই, ছলনাৰে শপথ পূৰ্ণ কৰা নাই”* (জব্বুৰ ২৪ঃ৩-৪ আয়াত)।

## শান্তি স্থাপনকাৰীসকল মোবাৰক

সপ্তমটো হ’ল আল্লাহৰ সন্তান হোৱাৰ আশীৰ্বাদ। যিসকলে সন্তান বুলি দাবী কৰে সিহঁত সকলোৱে আল্লাহৰ সন্তান নহয়। মছীহৰ শ্ৰোতাসকলে ভাবিছিল, সিহঁতেই আল্লাহৰ সন্তান, কিয়নো তেওঁলোক আছিল ইব্ৰাহীমৰ বংশধৰ, আল্লাহৰ মনোনীত জাতি। সিহঁতেই সেইলোক যিসকলে খৎনাৰ সহায়ত আল্লাহৰ লগত এটা চুক্তিত আবদ্ধ আছিল। সিহঁতেই ইজৰাইলৰ সন্তান, যিসকলে এই পবিত্ৰ জাতিক স্বাধীন কৰা আৰু আল্লাহক তেওঁলোকৰ একামাত্ৰ ৰজা হিচাপে ৰখাৰ উদ্দেশ্যে



ৰোমীয়সকলৰ বিৰোধীতা কৰিবলৈ উদ্যত হৈছিল। সিহঁতেই সেই জাতি, যিসকলে আন আন জাতিৰ লগত যুদ্ধ কৰি সিহঁতক তেওঁলোকৰ ধৰ্ম্ম অনুসৰণ কৰিবলৈ বাধ্য কৰিছিল আৰু অন্যান্য সকলক তেওঁলোকৰ চাকৰ বনাইছিল। কিন্তু ঈছা মছীহই কৈছিল, হিংসাকাৰী সকল নহয়, কিন্তু শান্তি স্থাপনকাৰীসকলেহে আল্লাহৰ সন্তান। শান্তিয়েই হ’ল ঈছা মছীহৰ ৰাজ্যৰ কোণৰ প্ৰধান স্তম্ভ। সিহঁতেই আল্লাহৰ সন্তান যিসকলে আল্লাহৰ লগত বাধ্যতাৰ সৈতে আৰু মানুহৰ লগত প্ৰেমৰ দ্বাৰাই শান্তি স্থাপন কৰে। ইঞ্জিল শ্বৰীফে আমাক শিক্ষা দিয়ে যে, ঈছা মছীহই সকলো মানহক একত্ৰিত কৰি শান্তি প্ৰতিষ্ঠা কৰিবলৈ আহিছিল (ইফিচীয়া ২ঃ১৫ আয়াত)। *“যিসকলে শান্তিৰ চেষ্টা কৰে, সিহঁত শান্তিৰ বীজ সিঁচে আৰু তেওঁৰ ফল সৎ জীৱন”* (ইয়াকুব ৩ঃ১৮ আয়াত)।

## ধাৰ্ম্মিকতাৰ কাৰণে নিৰ্য্যাতিতসকল মোবাৰক

শেষৰ আশীৰ্বাদটো সেইসকলৰ কাৰণে যিসকল ধাৰ্ম্মিকতাৰ কাৰণে নিৰ্য্যাতিত হয়। বেহেস্তী ৰাজ্য তেওঁলোকৰ বাবেই আৰু সিহঁতেই প্ৰকৃত আৰু চিৰস্থায়ী আনন্দৰ অভিজ্ঞতা লাভ কৰিব। মছীহৰ শ্ৰোতাসকলে ভাবিছিল, যিসকল দেখাত ধাৰ্ম্মিক, প্ৰায়েই ৰোজা ৰাখে, মোনাজাত কৰে আৰু দান কৰে, তেওঁলোকৰ কাৰণেই বেহেস্তী ৰাজ্য। ইহুদীসকলে নিজকে ধন্য বুলি ভাবিছিল, কাৰণ তেওঁলোকে আশা কৰিছিল, তেওঁলোকৰ মছীহ আহিব আৰু যিসকলৰ গৌৰব নক্ষত্ৰৰ উজ্বল পোহৰৰ নিচিনা, সিহঁতক চন্দ্ৰৰ পোহৰৰ নিচিনা আৰু যিসকলৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

গৌৰব চন্দ্ৰৰ পোহৰৰ নিচিনা, সিহঁতক নক্ষত্ৰৰ উজ্বল পোহৰৰ নিচিনা কৰিব। তেওঁলোকে বিশ্বাস কৰিছিল যে, তেওঁলোকৰ এখন সু-প্ৰতিষ্ঠিত ৰাজ্য হব আৰু ইজৰাইলৰ গৌৰব দুগুণ হব। তেওঁলোকে এনেকুৱাও অনুভৱ কৰিছিল যেন তেওঁলোকেই ৰাজ্যৰ অধিকাৰী হব আৰু ইয়াৰ দ্বাৰা তেওঁলোক অধিক সম্পত্তিৰ গৰাকী হব। কিন্তু ঈছা মছীহৰ ৰাজ্য তেওঁলোকৰ বুলি বৰ্ণনা কৰিছে যিসকল ধাৰ্ম্মিকতাৰ কাৰণে নিৰ্য্যাতিত, আত্মিকভাবে দুখীয়া, দুখ-ভোগ কৰে, কোমল অন্তৰমনা, ধাৰ্ম্মিকতাৰ কাৰণে ভোকাতুৰ ও তৃঞ্চাতুৰ, যিসকল শান্ত ও নিৰ্মল অন্তঃকৰণ আৰু শান্তি স্থাপনকাৰী। যদিও জগতে এই সকলক অবহেলা কৰে তথাপি আল্লাহই সিহঁতকেই বেহেস্তী ৰাজ্য দিব।

## বেহেস্তী সুখ সম্পৰ্কিত উপদেশৰ সাৰাংশ

এই আঠোটা উপদেশে (সাধাৰণতে 'বেহেস্তী সুখৰ উপদেশ' হিচাপে উল্লেখিত) বাহ্যিক ধৰ্ম্মানুষ্ঠানৰ কথা নকয়। প্ৰকৃততে ঈছা মছীহই কৈছিল, জগতৰ দুখীয়া সকলেই সম্পত্তিশালী ব্যক্তি হব, যিসকল দুখীয়া তেওঁলোকেই শান্তনা পাব, বৰ্তমান যিসকলে কান্দিছে তেওঁলোকে হাঁহিব, যিসকল ধাৰ্ম্মিকতাৰ কাৰণে ভোকাতুৰ আৰু তৃঞ্চাতুৰ তেওঁলোকে তৃপ্ত হব। যিসকলে দান কৰে তেওঁলোকেই পাব আৰু যিসকল শিশুৰ নিচিনা তেওঁলোকে জ্ঞান পাব (মথি ১১ঃ২৫ আয়াত)। যুদ্ধ কৰোতাসকল নহয় বৰঞ্চ শান্তি স্থাপনকাৰীসকলেহে বিজয়ী ৰাজপুত্ৰ। মছীহৰ কাৰণে যিজনে ঘৰ এৰিব লগা



হয়, তেওঁৰ বাবে বেহেস্তত স্থায়ী নাগৰিকত্ব আছে।

বেহেস্থী সুখৰ বাণীসমূহ আছিল কুঠাৰৰ নিচিনা যাৰ সহায়ত ঈছা মছীহই জাগতিক উচ্চ আশা-আকাংখাৰ শিপা সমূহৰ ওপৰত আঘাত কৰিছিল, যিবোৰ ইহুদীসকলে মছীহৰ আগমন সম্বন্ধে তেওঁলোকৰ মনত ৰোপন কৰিছিল। বাহ্যিক ধৰ্ম্মানুষ্ঠানৰ ওপৰত প্ৰকৃত আৰু চিৰস্থায়ী পৰম সুখ নিৰ্ভৰশীল নহয়, বস্তুতঃ সফলতাৰ ওপৰতো নহয়, কিন্তু নিৰ্ভৰশীল অন্তৰৰ আন্তৰিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল। নীকদীমৰ লগত ঈছা মছীহই কথা বতৰাৰ সময়ত ৰূহানী ৰাজ্যৰ প্ৰকৃতিৰ ওপৰত তেওঁৰ মূল লক্ষ্য আছিল। ছমৰীয় তিৰোতাৰ সৈতে কথা বতৰাৰ সময়ত মাবুদক 'ৰূহ' আৰু তেওঁৰ ৰাজ্যক 'ৰূহানী' বুলি বৰ্ণনা কৰিছিল। পৰ্ব্বতত দিয়া উপদেশতো সেই একেই (ইংগিত) সুৰ প্ৰকাশ। আজিও আমাৰ এই ধৰণৰ শিক্ষাৰ প্ৰয়োজন আছে। কিছুমান প্ৰভাবশালী ঈছায়ী সম্প্ৰদায়ৰ জামাতে ইয়াৰ পৰা আতৰি থকাটো আমি দেখা পাও, যত বস্তুগত মানদণ্ডই ৰূহানী মানদণ্ড সমূহক স্থানচ্যুত কৰে আৰু ইমাম, খাদিম আৰু শিক্ষকসকলে জাগতিক গৌৰৱৰ কাৰণে আগ্ৰহী বুলি দেখা যায়।

বেহেস্তী সুখৰ বাণীসমূহ আছিল শিক্ষাৰ ভুমিকা স্বৰূপ আৰু এইবোৰৰ লক্ষ্য আছিল যিসকল প্ৰেৰিত হব তেওঁলোকৰ উদ্দেশ্যে। তেওঁ যেন সিহঁতক কব বিচাৰিছিল, "এইবোৰ মৌলিক গুণ আহৰণ কৰাৰ পিছত তোমালোকে, এনেকি তোমালোকৰ নিজৰ লোকসকলৰ দ্বাৰাই ঘৃণিত হবা। এনেকৈ যেতিয়া তোমালোকৰ প্ৰতি আচৰণ কৰা হব তেতিয়া তোমালোকে ধন্য হবা। যেতিয়া



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ইব্‌নে আদমৰ কাৰণে তোমালোকৰ প্ৰতি এইবিলাক ঘটিব তেতিয়া তোমালোকে দুখ বা অভিযোগ নকৰিবা। তাৰ পৰিবৰ্তে তোমালোকে আনন্দ কৰিবা, কিয়নো বেহেস্তত তোমালোকৰ বাবে মহা পুৰুস্কাৰ আছে। এই ক্ষেত্ৰত তোমালোকেও তোমালোকৰ পূৰ্ব্বৰ নবী সকলৰ নিচিনা হবা। তেওঁলোকে আল্লাহৰ নবী হোৱাৰ মহৎ সন্মান লাভ কৰিছিল আৰু এই কাৰণেই নিৰ্য্যাতিত হৈছিল।”

## তোমালোক নিমখ আৰু জ্যোতি

*“তোমালোকে জগতৰ নিমখ, কিন্তু যদি এবাৰ নিমখৰ সোৱাদ নষ্ট হয় তেন্তে সেয়া আকৌ কেনেকৈ নিমখীয়া কৰিব পৰা যাব ? সেই নিমখ আৰু কোনো কামত নাহে। সেয়া কেৱল বাহিৰত পেলাই দিয়া আৰু মানুহে ভৰিৰে গচকাৰ যোগ্য হয়। তোমালোক জগতৰ জ্যোতি। পৰ্ব্বতৰ উপৰত থকা চহৰ কেতিয়াও লুকাই থাকিব নোৱাৰে। কোনোয়ে চাকি জ্বলাই খাটৰ তলত লুকাই নথয় কিন্তু গছাৰ ওপৰতে থয় তাতে ঘৰৰ সকলোয়েই পোহৰ পায়। তেনেকৈ তোমালোকৰ জ্যোতি লোকৰ আগত উজ্বলি উঠক যাতে তেওঁলোকে তোমালোকৰ ভাল কৰ্ম্ম দেখি তোমালোকৰ বেহেস্তী পিতাৰ গৌৰৱ কৰে”* (মথি ৫ঃ১৩-১৬ আয়াত)।

ঈছা মছীহই তেওঁৰ ছাহাবীসকলক কৈছিল, তেওঁলোক জগতৰ নিমখ আৰু জ্যোতি। এই জগতে তেওঁলোকক গ্ৰহণ নকৰিলেও তেওঁলোকৰ সোৱাদ আৰু শক্তি হেৰোৱা উচিত নহয়। আহাৰৰ মাজত নিমখ দেখা নাযায় কিন্তু তেওঁৰ গুণ যথেষ্ট থাকে, আহাৰৰ সোৱাদৰ পৰিবৰ্তন ঘটায়। একে ধৰণে কোনো কোনো সময়ত মছীহীসকলে অদৃশ্যমান ও সকলোৰে চকুৰ আৰত থাকিব পাৰে, কিন্তু তেওঁলোকৰ চাৰিওফালে থকা লোকসকলৰ ওপৰত আৰু সামগ্ৰিকভাবে জগতলৈ তেওঁলোকৰ ইতিবাচক প্ৰভাব থাকিব লাগিব। জুইৰ সৰু শিখাত পোহৰ কেন্দ্ৰীভুত হৈ থাকে, কিন্তু সেইটোয়ে চাৰিওপিনে থকা সকলোকে পোহৰাই তোলে আৰু আনক দেখা পোৱাৰ সুযোগ কৰি দিয়ে। মছীহৰ বেলিকাও ঠিক একেই। মানুহবিলাকে তেওঁলোকৰ সৎ কৰ্ম্মসমূহ দেখিবলৈ পাব আৰু তেওঁলোকৰ নিজ সকলক নহয়, কিন্তু তেওঁলোকৰ বেহেস্তী পিতৃৰ গৌৰৱ কৰিব। চাকিলৈ চাই থকাৰ বাবে কোনোও চাকি নজ্বলায়, কিন্তু তাৰ পোহৰত আন বস্তুসমূহ দেখা পাবলৈ জ্বলায়। কৰ্ম্মৰ মাধ্যম নোহোৱাকৈ অকল নিমখৰ কোনো মুল্য নাই; পোহৰ দিয়াৰ উদ্দেশ্যৰ বাহিৰে চাকিৰো কোনো মূল্য নাই বুলি কব পাৰি। ঠিক তেনেকৈ এই কথা ঈছা মছীহৰ ছাহাবীসকলৰ ক্ষেত্ৰতো সত্য, যিসকলৰ মূল্য আনক শিক্ষা ও পোহৰ দিয়াৰ মাজতেই নিহিত। মছীহই তেওঁলোকক মনোনীত কৰিছিল নিমখ ও জ্যোতি হোৱাৰ উদ্দেশ্যৰে–কেৱলমাত্ৰ ইজৰাইল জাতিৰ মাজতেই নহয়, কিন্তু জগতৰ সকলো জাতিৰ মাজতে তেনেকুৱা হবলৈ। আপোনাৰ জীৱন ধাৰণ পদ্ধতিত ‘নিমখ-জ্যোতি’ ৰ নিচিনা প্ৰভাব আপোনাৰ মুখৰ কথাত অবশ্যই দৃশ্যমান হব লাগিব। কিয়নো জীৱনৰ বাস্তৱ উদাহৰণে সেয়া সাধন কৰিব।

## বিনষ্ট নহয়, শ্বৰীয়ত পূৰ্ণ কৰিবলৈ

এই কথা নাভাবিবা যে, মই মূছাৰ শ্বৰীয়ত বা নবীসকলৰ লিখনী বিনষ্ট কৰিবলৈ আহিছো; মই সেইবোৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

বিনষ্ট কৰিবলৈ অহা নাই বৰঞ্চ পূৰ্ণ কৰিবলৈহে আহিছো। মই তোমালোকক সঁচাকৈ কওঁ, আকাশ আৰু পৃথিৱী ধ্বংস নোহোৱালৈকে, যিমান দিনলৈকে শ্বৰীয়তৰ সকলো কথা পূৰ্ণ নহয়, সিমান দিনলৈ শ্বৰীয়তৰ এটি বিন্দুমাত্ৰও লুপ্ত নহব। সেয়ে এই আদেশবোৰৰ মাজৰ সৰু এটা আদেশো যদি কোনোবাই অমান্য কৰে আৰু আনলোককো অমান্য কৰিবলৈ শিক্ষা দিয়ে, তেওঁক বেহেস্তী ৰাজ্যৰ সকলোতকৈ সৰু বুলি কোৱা হব। কিন্তু যিজনে সেই আদেশবোৰ পালন কৰে আৰু শিক্ষা দিয়ে, তেওঁক বেহেস্তী ৰাজ্যত মহান বুলি কোৱা হব। মই তোমালোকক কওঁ, যদি আলিম ও ফৰীচীসকলতকৈ তোমালোকৰ ধাৰ্ম্মিকতাত বেছি একো নাথাকে, তেন্তে তোমালোকে কোনো প্ৰকাৰেই বেহেস্তী ৰাজ্যত প্ৰবেশ কৰিব নোৱাৰিবা" (মথি ৫ঃ১৭-২০ আয়াত)।

এই কথাবোৰৰ মাজেদি ঈছা মছীহই প্ৰকাশ কৰিছিল যে, তেওঁৰ নতুন শিক্ষাই পাক কিতাপ তৌৰাত শ্বৰীফক বিনষ্ট নকৰে। আকাশ আৰু পৃথিৱী ধ্বংস নোহোৱালৈকে আৰু যিমান দিনলৈ শ্বৰীয়তৰ সকলো কথা পূৰ্ণ নহয়, সিমান দিনলৈ শ্বৰীয়তৰ এটি বিন্দুমাত্ৰও লুপ্ত নহব। মূছা ও নবীসকলৰ শিক্ষা পূৰ্ণ কৰিবলৈহে ঈছা মছীহই আহিছিল; তেওঁ সেইবোৰ বন্ধ কৰিবলৈ নহয়। শ্বৰীয়ত আৰু নবীসকলৰ লিখা পূৰ্ণ কৰাৰ পিছত আন এটি কৰ্ম্মও তেওঁ কৰিবলৈ আহিছিল সেয়া হ'ল–দুষ্টসকলৰ কাৰ্য্যবোৰ ধ্বংস কৰা। তেওঁ কেতিয়াও শ্বৰীয়ত বা নবীসকলৰ শিক্ষাক বাতিল কৰিবলৈ অহা নাই। কোনো ফুল বা ফলৰ পৰা যেনেকৈ বীজ অপসাৰণ কৰা সম্ভৱ নহয় তেনেকৈ শ্বৰীয়তো অপসাৰণ নহব। আলিম ও



ফৰীচীসকলৰ যোগেদি শ্বৰীয়তে ধাৰ্ম্মিকতাৰ ফল উৎপন্ন কৰা নাছিল, সেয়া খোৱাৰ অযোগ্য ফলৰ বীজৰ নিচিনা আছিল। ঈছাই কৈছিল, "...আলিম ও ফৰীচীসকলৰ ধাৰ্ম্মিকতাতকৈ যদি তোমালোকৰ বেছি একো নাথাকে তেন্তে তোমালোক কোনোমতেই বেহেস্তী ৰাজ্যত প্ৰবেশ কৰিব নোৱাৰিবা।" শ্বৰীয়তৰ দাবীৰ পৰা কোনো মতেই লোকসকলক ৰেহাই দিবলৈ অহা নাই, কিন্তু ইয়াৰ পূৰ্ব্বে তেওঁলোকে যি কল্পনাও কৰিব পৰা নাছিল, তেনেকৈ সিহঁতক ইয়াৰ মহত্ব দেখুৱাই দিবলৈ আহিছিল।

## সম্মিলনৰ বিষয়ে শিক্ষা

পূৰ্ব্বৰ লোকসকলৰ ওচৰত এই কথা কোৱা হৈছে বুলি তোমালোকে শুনিছা, 'নৰ-বধ নকৰিবা; যিজনে নৰ-বধ কৰে তেওঁ সোধ বিচাৰত দণ্ডৰ পাত্ৰ হব।' কিন্তু মই তোমালোকক কওঁ, যি কোনোয়ে ভায়েকৰ ওপৰত খং কৰে তেওঁ সোধ বিচাৰত দণ্ডৰ পাত্ৰ হব। যি কোনোয়ে ভায়েকক কয়, 'তুমি নিৰ্বোধ!' তেওঁ কিয়ামতৰ দিনা দণ্ডৰ পাত্ৰ হব আৰু যিকোনোয়ে ভায়েকক 'মূৰ্খ' বুলি কয়, তেওঁ অগ্নিময় দোজখত পৰিব লাগিব। এই হেতুকে কোৰবানগাহৰ ওপৰত তোমাৰ দান কোৰবানী দিয়াৰ সময়ত যদি তোমাৰ বিৰুদ্ধে তোমাৰ ভায়েৰাৰ কোনো বিবাদ আছে বুলি তোমাৰ মনত পৰে, তেন্তে তোমাৰ দান কোৰবানগাহৰ ওপৰত এৰি গুচি যোৱা। প্ৰথমতে তোমাৰ ভায়েৰাৰ লগত আকৌ মিল হোৱা, তাৰ পিছত আহি তোমাৰ দান কোৰবানী কৰা। কোনোবাই তোমাৰ বিৰুদ্ধে অভিযোগ কৰিলে তেতিয়া আদালতত যোৱাৰ আগতেই তুমি তেওঁৰ লগত অতি সোনকালে মিল হোৱা।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সেয়া নহলে গোচৰীয়াই তোমাক বিচাৰকৰ হাতত শোধাই দিব আৰু বিচাৰকে তোমাক পুলিচৰ হাতত গতাই দিব, পুলিচে তোমাক জেলত দিব। মই তোমাক সঁচাকৈ কওঁ, শেষ পয়চাটো নিদিয়ালৈকে সেই ঠাইৰ পৰা তুমি ৰেহাই নাপাবা" (মথি ৫ঃ২১-২৬ আয়াত)।

ঈছা মছীহই কৈছিল, যি আদেশে নৰ-বধ কৰিবলৈ নিষেধ কৰে সেয়া হল খং, অদৰকাৰী কথা আৰু ঘৃণা কৰা। আপুনি কেৱলমাত্র নৰ-বধ কৰাৰ পৰা বিৰত থাকিলেই যে আপোনাৰ মুনাজাত আৰু কোৰবানী কবুল হব এনে নহয়, কিন্তু যেতিয়া আপুনি আনৰ প্রতি থকা ঘৃণাৰ ভাব দূৰ কৰিব পাৰিব তেতিয়াই সেইবোৰ কবুল হব

ঈদ'-উল-আজ্জহাৰ কোৰাবানী কোৰবানগাহৰ সন্মুখত ৰাখি ঘৰলৈ গৈ ঘৰৰ পৰা সকলো বিবাদ নিস্পত্তি কৰি আহিবলৈ ইহুদীসকলক শিক্ষা দিয়া হয়। কিন্তু ঈছা মছীহই সিহঁতক কৈছিল, তেওঁলোকে যেন মুনাজাতৰ আগতে ঘৰলৈ যায় আৰু তেওঁৰ ভায়েৰাৰ লগত মিল হয়।

## জ্বিনাৰ বিষয়ে শিক্ষা

এই কথা কোৱা তোমালোকে শুনিছা, 'ব্যভিচাৰ নকৰিবা।' কিন্তু মই তোমালোকক কওঁ, যি কোনোৱে কোনো তিৰোতা মানুহলৈ কামভাবে চায়, সি তেতিয়াই মনে মনে তাইৰ লগত ব্যভিচাৰ কৰিলে। যদি তোমাৰ সোঁ চকুয়ে তোমালৈ গুনাহ কৰায়, তেন্তে তাক কাঢ়ি তোমাৰ পৰা পেলাই দিয়া। কিয়নো তোমাৰ গোটেই শৰীৰ দোজখত পেলোৱাতকৈ এটা অংগ নষ্ট হোৱাই তোমাৰ



ভাল। যদি তোমাৰ সোঁহাতে তোমালৈ গুনাহ কৰায় তেন্তে তাকো কাটি তোমাৰ পৰা পেলাই দিয়া। কিয়নো তোমাৰ গোটেই শৰীৰ দোজখত পেলোৱাতকৈ এটা অংগ নষ্ট হোৱাই তোমাৰ ভাল" (মথি ৫ঃ২৭-৩০ আয়াত)।

বহু সংখ্যক লোকেই তেওঁলোকৰ গুনাহবোৰ স্বীকাৰ কৰে, কিন্তু তেওঁলোকৰ চিন্তা ভাবনাৰ প্রতি কোনো লক্ষ্য নকৰে। কোনো তিৰোতা মানুহৰ প্রতি কামভাবে চৌঁৱাটোই যে ব্যভিচাৰ, সেয়া তেওঁলোকে পাহৰি যায় কিয়নো সেইটোয়ে হ'ল কৰ্ম্মটোৰ মূল উৎস। সেয়ে গুনাহৰ জন্ম হোৱাতকৈ সেই মূল উৎস ধ্বংস কৰি পেলোৱাই শ্রেষ্ঠ। কোনো মানুহৰ সকলোতকৈ মূল্যবান সম্পদ "আখেৰী জীৱন" হেৰুৱাতকৈ দেহৰ কোনো অংগ হেৰুৱাটোই শ্রেষ্ঠ। মাবুদৰ দণ্ড নিজলৈ অনাৰ অৰ্থই হ'ল মৃত্যু আৰু দোজখ, আনফালে তেওঁৰ প্রতি বাধ্যতাই হ'ল অনন্ত সুখ আৰু আখেৰী জীৱনৰ ফালে পৰিচালিত কৰে।

## তালাক দিয়াৰ বিষয়ে শিক্ষা

আকৌ কোৱা হৈছে, 'যি কোনোৱে নিজ পত্নীক তালাক দিয়ে, তেওঁ তেওঁক তালাক-নামা দিয়ক।' কিন্তু মই তোমালোকক কওঁ, যি কোনোৱে ব্যভিচাৰৰ দোষৰ বাহিৰে আন কোনো কাৰণত পত্নীক তালাক দিয়ে, তেওঁ তাইক ব্যভিচাৰিণী কৰায়; আৰু যিজনীক তালাক দিয়া হৈছে সেই তিৰোতাজনীকো যিজনে বিয়া কৰায় তেৱোঁ ব্যভিচাৰ কৰে।

তেওঁলোকৰ হৃদয়ৰ কঠিনতাৰ কাৰণে মূছা নবীয়ে ইহুদী সকলক তালাকৰ অনুমতি দিছিল। কিন্তু আল্লাহই



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সেইটো কেতিয়াও নিবিচাৰে, কাৰণ আল্লাহই তালাক ঘৃণা কৰে। মছীহী সকলৰ মাজতো সেয়া প্ৰচলিত হওঁক সেয়া মছীহই নিবিচাৰে।

এজন ইহুদীয়ে সামান্য কাৰণত, মাত্ৰ এটা কথাৰ জৰিয়তে তেওঁৰ পত্নীক তালাক দিব পাৰিছিল। মূছাই তালাক দিয়াটো কঠিন কৰিছিল, যাৰ ফলত স্বামীৰ লগত বিচ্ছেদ হোৱাৰ আগতেই পত্নীৰ হাতত বিবাহ বিচ্ছেদৰ এটা ঘোষণা পত্ৰ দিব লাগিছিল। যিয়েই নহওক, মছীহীৰ যুগত বিবাহৰ পবিত্ৰতা আৰু স্থায়িত্ব বুজিব লাগিব আৰু সন্মান কৰিব লাগিব। এই অনুসৰি, ব্যভিচাৰৰ বাদে আন কোনো কাৰণত বিবাহ বিচ্ছেদ হলেও কোনো পত্নীয়ে তেওঁৰ পতিৰ লগত আবদ্ধ থাকে। এনকুৱা তিৰোতাৰ লগত যিজন পুৰুষে বিবাহ পাশত আবদ্ধ হয় তেওঁ ব্যভিচাৰ কৰে, কিয়নো আল্লাহৰ দৃষ্টিত সেইজনী তিৰোতাই তেতিয়ালৈকে তেওঁৰ প্ৰথম পতিৰ লগত আবদ্ধ থাকে।

## সত্য কথা কোৱাৰ বিষয়ে শিক্ষা

আকৌ তোমালোকে শুনিছা, আগৰ লোকসকলক কোৱা হৈছে, 'মিছা শপথ নাখাবা, বৰঞ্চ মাবুদৰ উদ্দেশ্যে সকলো শপথ কৰিবা।' কিন্তু মই তোমালোকক কওঁ, 'একো শপথ নাখাবা।' বেহেস্তৰ নামত নাখাবা কিয়নো সেয়া আল্লাহৰ সিংসাহন। পৃথিৱীৰ নামতো নহয়, কিয়নো সেয়া তেওঁৰ ভৰি ৰখাৰ ঠাই। জেৰুজালেমৰ নামতো নাখাবা, কিয়নো সেয়া মহা-ৰজাৰ নগৰ। তোমাৰ মূৰৰ নামতো শপথ নাখাবা, কিয়নো মূৰৰ চুলি এটাও কলা বা বগা কৰাৰ ক্ষমতা তোমাৰ নাই। তোমালোকৰ কথাত 'হয়' যেন 'হয়' আৰু 'নহয়' যেন 'নহয়' হয়; ইয়াতকৈ



যি বেছি যি সেয়া চয়তানৰ পৰা আহে (মথি ৫ঃ৩৩-৩৭ আয়াত)।

যি কৰিবলৈ শপথ কৰে তাক পালন কৰিবলৈ ইহুদীসকলক আদেশ কৰা হৈছিল। মিছাভাবেই হওক বা সঁচাভাবেই হওক, ইয়াতে ঈছা মছীহই আমাক শপথ খাবলৈ নিষেধ কৰিছে। কোনোবাই এজনৰ কথা বিশ্বাস কৰিব নে নকৰিব এই বিষয়ে নিশ্চিত নহলেই লগে লগেই তেওঁ শপথ খায়। এইটোয়ে ইয়াকেই প্ৰতিপন্ন কৰে যে, তেওঁৰ কথা বতৰাত সঁচা ও মিছাৰ সংমিশ্ৰণ আছে। কোনো উত্তৰ দিয়াৰ সময়ত মছীহীসকলৰ মাত্ৰ 'হয়' বা 'নহয়' কোৱা উচিত, ইয়াৰ অতিৰিক্ত যদি কোনোৱে কৈছে, তেন্তে সেয়া চয়তানৰ পৰা আহে।

## অধিকাৰ বিষয়ক শিক্ষা

'চকুৰ সলনি চকু আৰু দাঁতৰ সলনি দাঁত' কোৱা তোমালোকে শুনিছা। কিন্তু মই তোমালোকক কওঁ, তোমালোকৰ বিৰুদ্ধে যিয়ে বেয়া ব্যৱহাৰ কৰে, তেওঁ বিৰুদ্ধে একোয়েই নকৰিবা, বৰঞ্চ কোনোবাই যদি তোমাৰ সোঁ গালত চৰ মাৰে তেওঁক আনখন গালো চৰ মাৰিবলৈ পাতি দিবা, কোনোয়ে যদি তোমাৰ ওপৰত গোচৰ কৰি তোমাৰ চোলা লব খোজে, তেন্তে তেওঁক তোমাৰ চাদৰখনো দি দিবা। আৰু কোনোয়ে তোমাক এমাইল বাট বলেৰে নিয়ে, তেওঁৰ লগত দুমাইল যাবা। যিজনে তোমাৰ ওচৰত খোজে, সেই জনক দিবা; আৰু যিজনে তোমাৰ পৰা ধাৰ কৰিব খোজে, সেইজনক বিমুখ নকৰিবা (মথি ৫ঃ৩৮-৪২ আয়াত)।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ন্যায়বিচাৰ সম্বন্ধে মূছাৰ শ্বৰীয়তত কোৱা হৈছে, “…চকুৰ সলনি চকু, দাঁতৰ সলনি দাঁত…” (হিজৰত ২১ঃ২৪ আয়াত)। যিয়েই নহওক, ঈছা মছীহই এটা নতুন শিক্ষা লৈ আহিছিল। ঈছা মছীহই লোকসকলৰ হৃদয়ৰ পৰা প্ৰতিশোধ প্ৰৱণতা দূৰ কৰিব বিচাৰিছিল। ৰাষ্ট্ৰীয় সংবিধানত ব্যক্তিগত প্ৰতিশোধ লোৱাৰ নিয়ম নাই। আইন বিচাৰকৰ ওপৰত এৰি দিয়ে যিজনে দোষীসকলক শাস্তি দিয়ে (ৰোমীয় ১৩ অধ্যায়)। ঈঞ্জিলৰ শিক্ষাৰ লগত ইয়াৰ মিল আছে *“… তোমালোকে নিজে প্ৰতিশোধ নলবা, বৰঞ্চ আল্লাহক শাস্তি দিবলৈ দিয়া। পাক-কিতাপত মাবুদে কয়– “শাস্তি দিয়াৰ অধিকাৰ কেৱল মোৰেই আছে; যিজনৰ যি পাবলগীয়া, মই তেওঁক সেয়াই দিম”* (ৰোমীয় ১২ঃ১৯ আয়াত)। ঈছা মছীহই আমাৰ ব্যক্তিগত অধিকাৰ অ-স্বীকাৰ কৰিবলৈ কয়, কিয়নো কাজিয়া-পেচালতকৈ মিলা-প্ৰীতি উত্তম।

## প্ৰেমৰ বিষয়ে শিক্ষা

‘তোমাৰ চুবুৰীয়াক প্ৰেম কৰিবা আৰু শত্ৰুক ঘিণ কৰিবা’ ইয়াক তোমালোকে শুনিছা। কিন্তু মই তোমালোকক কওঁ, তোমালোকৰ শত্ৰুকো প্ৰেম কৰিবা। যিবিলাকে তোমালোকক অত্যাচাৰ কৰে তেওঁলোকৰ কাৰণে মুনাজাত কৰিবা, যাতে তোমালোকে তোমালোকৰ বেহেস্তী পিতৃৰ সন্তান হব পাৰা। তেওঁ ভাল বেয়া সকলোৰে ওপৰত সূৰ্য্য উদয় হবলৈ দিয়ে; সৎ আৰু অসৎ দুয়োৰে ওপৰত বৰষুণ বৰষায়। যিসকলে তোমালোকক প্ৰেম কৰে, তোমালোকেও যদি কেৱল সিহঁতকেই প্ৰেম কৰা তেতিয়াহলে তোমালোকে কি পুৰুস্কাৰনো পাবা, কৰতোলাসকলেও জানো তাকে নকৰে? আৰু তোমালোকে যদি তোমালোকৰ ভাইবিলাকক ছালাম জনোৱা, তেন্তে আনতকৈ কি বেছি কৰিলা? পৰজাতিবিলাকেও জানো তাকে নকৰে? এই কাৰণে কওঁ, তোমালোকৰ বেহেস্তী পিতা যেনে পবিত্ৰ, তোমালোকেও তেনেকুৱা পবিত্ৰ হোৱা। (মথি ৫ঃ৪৩-৪৮ আয়াত)।

যিসকলে তেওঁলোকক ঘৃণা কৰে সিহঁতক ঘৃণা কৰা আৰু যিসকলে তেওঁলোকৰ প্ৰতি শত্ৰুতা দেখুৱায় তেওঁলোকৰ প্ৰতি শত্ৰু হোৱাকেই কিছুমানে উপযুক্ত বুলি ভাবে। কিন্তু শ্বৰীয়তৰ অন্তৰ্নিহিত ভাব যিজনে আদেশ কৰিছে তেওঁ ধাৰ্ম্মিক আৰু অধাৰ্ম্মিক উভয়ৰে ওপৰত সূৰ্য্য উদয় কৰায়। তেওঁ তেওঁৰ সন্তান আৰু শত্ৰুসকলৰ ওপৰতো বৰষুণ বৰষায়। যদি আমি শত্ৰুসকলক ঘৃণা কৰি যিসকলে আমাক প্ৰেম কৰে তেওঁলোককেই প্ৰেম কৰো তেন্তে আমিও ঠিক মূৰ্ত্তিপূজকসকলৰ নিচিনাই হম। আমি যেতিয়া উৎকৃষ্টৰ দ্বাৰা নিকৃষ্টক পৰাজয় কৰো তেতিয়া আমি শত্ৰুতাক নিৰ্মুল কৰো আৰু ঘৃণা বা হিংসাৰ জুইক নুমাও। যদি আমি আমাৰ জীৱনৰ বাবে মাবুদৰ শ্বৰীয়তক পালন কৰো, তেতিয়া আমি নিশ্চিতৰূপে তেওঁৰ সন্তান হওঁ। বাহ্যিকভাবে সেইবোৰ পালন কৰাৰ সমৰ্থ হোৱাৰ আগতে প্ৰথমে আমাৰ হৃদয়ত মাবুদৰ আদেশ সমূহ মান্য কৰিবলৈ শিকিব লাগিব।

## দান আৰু ৰোজাৰ বিষয়ে শিক্ষা

সাৱধান, লোকক দেখুৱাবলৈ ধৰ্ম্ম-কৰ্ম্ম নকৰিবা; যদি কৰা তেন্তে তোমাৰ বেহেস্তী পিতৃৰ পৰা একো পুৰুস্কাৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

নাপাবা। এই হেতুকে যেতিয়া তুমি দান দিয়া তেতিয়া দুষ্টসকলৰ নিচিনা নকৰিবা। তেওঁলোকে লোকৰ প্ৰশংসা পাবলৈ বাটে বাটে আৰু মজলিছখানাত ঢাক-ঢোল কোবাই দান দিয়ে। মই তোমালোকক স্বৰূপকৈ কওঁ, তেওঁলোকে নিজ নিজ পুৰুস্কাৰ পালেই। কিন্তু যেতিয়া তুমি দান দিয়া, তেতিয়া তোমাৰ সোঁহাতে কি কৰিছে সেয়া বাওঁহাতক জানিবলৈ নিদিবা, গুপুতে যেন তোমাৰ দান দিয়া হয়। তেতিয়া তোমাৰ পিতৃ, যিজন গুপুতে সকলো চাই থাকে, তেঁৱেই তোমাক পুৰুস্কৃত কৰিব" (মথি ৬ঃ১-৪ আয়াত)।

যেতিয়া তোমালোকে ৰোজা ৰখা, তেতিয়া দুষ্টসকলৰ দৰে মুখ মলিন নকৰিবা। তেওঁলোকে ৰোজা ৰাখি লোকক দেখুৱাবৰ কাৰণে তেওঁলোকৰ মুখ মলিন কৰি ঘুৰি ফুৰে। মই তোমালোকক সঁচাকৈ কওঁ, তেওঁলোকে নিজ নিজ পুৰুস্কাৰ পালে। কিন্তু তুমি যেতিয়া ৰোজা ৰাখা, তেতিয়া হাত মুখ ধুই মূৰত তেল দিবা যাতে লোকে জানিব নোৱাৰে যে তুমি ৰোজা ৰাখিছা। তেতিয়াহ'লে তোমাৰ পিতৃ যিজনক দেখা নাপালেও গুপুতে আছে, কেৱল তেঁৱেই সেয়া চাব পাৰিব। তোমাৰ পিতৃ যিজন গুপুতে সকলোবোৰ দেখা পায়, তেঁৱেই তোমাক পুৰুস্কৃত কৰিব (মথি ৬ঃ১৬-১৮ আয়াত)।

মছীহৰ ৰাজ্যৰ নতুন নিয়মে মাবুদৰ দ্বাৰা নাজিল হোৱা তৌৰাতৰ উপদেশক খণ্ডন নকৰে। আমি নিজকে নিয়াৰিকৈ সজোৱাৰ উদ্দেশ্যে দুখীয়াসকলক ভিক্ষা দিয়া, আল্লাহৰ ওচৰত মুনাজাত কৰা আৰু ৰোজা ৰখা আমাৰ উচিত। কিন্তু ইয়াৰ লগত ঈছা মছীহই আৰু কৈছে যে, আনৰ ওচৰত প্ৰশংসা পোৱা আৰু অহংকাৰ কৰাৰ বাবে



লোকৰ আগত চেলু তৈয়াৰ কৰাটো আমাৰ উচিত নহয়। সেইটো হব দুষ্টামি। আহক, আমি আল্লাহক দেখুৱাবৰ বাবে গুপুতে দান দিও, মুনাজাত কৰো আৰু ৰোজা ৰাখো, লোকক দেখুৱাবৰ বাবে নহয়। তেতিয়াহে আল্লাহই সেইবোৰ কবুল কৰিব। ঈছা মছীহই এইটো নিবিচাৰে যে, তেওঁৰ উম্মতসকলে ইহুদী নেতাসকলৰ নিচিনাকৈ দুষ্টামিৰে ধৰ্ম্ম-কৰ্ম্ম কৰক, কিয়নো ইহুদী নেতাসকলে দুষ্টামিৰ কৰ্ম্মই কৰিছিল। আমি তেওঁলোকৰ নিচিনা হোৱাটো উচিত নহয়, কাৰণ তেওঁলোকৰ ৰীতি-নীতিসমূহ আল্লাহৰ ওচৰত ঘৃণনীয় আছিল।

## মুনাজাতৰ বিষয়ে শিক্ষা

তোমালোকে যেতিয়া মুনাজাত কৰা তেতিয়া দুষ্টসকলৰ দৰে নকৰিবা, কিয়নো তেওঁলোকে লোকক দেখুৱাবলৈ মজলিছখানা ও আলিবাটৰ চুকে চুকে থিয় হৈ মুনাজাত কৰিবলৈ ভালপায়। মই তোমালোকক স্বৰূপকৈ কওঁ, তেওঁলোকে নিজ নিজ পুৰুস্কাৰ পালেই। কিন্তু তুমি যেতিয়া মুনাজাত কৰা তেতিয়া ঘৰৰ ভিতৰলৈ গৈ দুৱাৰ বন্ধ কৰি তোমাৰ পিতৃ (মাবুদ) যিজনক দেখা নাপালেও উপস্থিত আছে, তেওঁৰ ওচৰত মুনাজাত কৰিবা। তোমাৰ পিতৃ যিজনে গুপুতে সকলো দেখা পায় তেঁৱেই তোমাক পুৰুস্কৃত কৰিব। যেতিয়া তোমালোকে মুনাজাত কৰা তেতিয়া পৰজাতিসকলৰ দৰে নিৰৰ্থক কথা বাৰে বাৰে নকবা। পৰজাতিসকলে ভাবে যে, বেছি কথা ক'লেই মাবুদে তেওঁলোকৰ মুনাজাত কবুল কৰিব। তেওঁলোকৰ নিচিনা নকৰিবা, কিয়নো তোমাৰ পিতৃৰ ওচৰত খোজাৰ আগেয়ে তেওঁ তোমাৰ প্ৰয়োজনীয় সকলো জানে এই হেতুকে তোমালোকে এইদৰে মোনাজাত



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰাঃ-–

'হে আমাৰ বেহেস্তী পিতৃ,
তোমাৰ নাম পবিত্ৰ  বুলি মান্য হওঁক।
তোমাৰ ৰাজ্য হওক।
তোমাৰ ইচ্ছা যেনেকৈ বেহেস্তত,
তেনেকৈ পৃথিৱীতো পূৰ্ণ হওক।
আমাৰ প্ৰয়োজনীয় আহাৰ
আজি আমাক দিয়া।
আমাৰ ধৰুৱাহঁতক আমি যেনেকৈ ক্ষমা
কৰিলো, তেনেকৈ আমাৰো ধাৰ ক্ষমা কৰা।
আমাক পৰীক্ষালৈ নিনিবা,
বৰঞ্চ চয়তানৰ কবলৰ পৰা আমাক ৰক্ষা কৰা।'
কিয়নো ৰাজ্য, মহা শক্তি ও মহিমা যুগে যুগে
কেৱল তোমাৰ।
আমিন।

যদি তোমালোকে আনৰ দোষ মাফ কৰা তেন্তে তোমাৰ বেহেস্তী পিতৃয়ে তোমালোককো মাফ কৰিব। কিন্তু যদি তুমি আনৰ দোষ ক্ষমা নকৰা, তেন্তে তোমালোকৰ বেহেস্তী পিতৃয়েও তোমালোককো মাফ নকৰিব (মথি ৬ঃ৫-১৫ আয়াত)।

ধৰ্ম্মীয় দিশৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ হৈছে মুনাজাত। ঈছা মছীহই তেওঁৰ চাহাবীসকলক এটা আদৰ্শ মুনাজাত উপহাৰ দিছিল। যিসকলে এইটো আন্তৰিক ভাবে পালন কৰে তেওঁলোক সকলোৱেই 'পিতা' সম্বোধন কৰি সন্তানতৃৰ ভাব প্ৰকাশ কৰে, যি তেওঁলোক আৰু মাবুদৰ মাজতেই বিদ্যমান। তেওঁলোকৰ মাজত বেহেস্তী পিতা আৰু সন্তানৰ মাজত পৰস্পৰ ভালপোৱা প্ৰতিফলিত হব



আৰু তেওঁলোকৰ শাৰীৰিক ও আত্মিক প্ৰয়োজন সমূহৰ কাৰণে তেওঁৰ প্ৰতি বাধ্যতা ও নিৰ্ভৰশীল পৰিলক্ষিত হব। মাবুদৰ সন্তান হিচাপে প্ৰেমৰ যি সম্পৰ্ক তেওঁলোকে উপভোগ কৰিছে, সেয়া নিজৰ অধিকাৰ সম্বন্ধে আনৰ ওচৰত প্ৰকাশ কৰিবলৈ তেওঁলোকক অনুপ্ৰানিত কৰে। মাবুদৰ প্ৰকৃত সন্তানসকলে আনৰ প্ৰতি ভ্ৰাতৃত্বসুলভ প্ৰেমৰ বহিঃপ্ৰকাশ ঘটাব। মাবুদৰ প্ৰকৃত সন্তানসকলে মুনাজাত কৰাৰ সময়ত 'মোৰ পিতা' নকয়, কিন্তু তেওঁৰ পৰিবৰ্তে  কয় 'আমাৰ পিতা'। বেহেস্তী পিতাক তেওঁৰ গুনাহ মাফ কৰিবলৈ অনুৰোধ কৰে, যেনেকৈ তেঁৱো আনৰ অপৰাধ মাফ কৰিছে। মাবুদৰ পিতৃত্ব ও মানব জাতিৰ ভ্ৰাতৃত্ববোধৰ বাস্তৱতাটো ঈছা মছীহই স্পষ্টভাবে শিক্ষা দিছে। এই মৌলিক বাস্তৱ সত্যটো ইহুদীসকলৰ শিক্ষাত স্পষ্ট নাছিল।

ঈছায়ীসকলে মাবুদৰ এবাদতত সন্তানত্ব আৰু ভ্ৰাতৃত্বসুলভ প্ৰেমৰ অনুভূতি স্পষ্টভাবে দেখা পায়। ইয়াতে আমি প্ৰেম পূৰ্ণ এবাদতৰ প্ৰতিচ্ছবিও দেখা পাও, কিয়নো মাবুদৰ দিন, তেওঁৰ ঘৰ, তেওঁৰ কিতাব, তেওঁৰ দাস-দাসী আৰু বিশ্বাসীসকলৰ জামাত, এই সকলোই পবিত্ৰ বুলি বিবেচিত হয়। পৰীক্ষালৈ অবতীৰ্ণ নোহোৱাৰ বাবে আল্লাহৰ ওচৰত মুনাজাত কৰিবলৈ ঈছা মছীহই আমাক শিকাইছে। এই আবেদনে শক্তিশালী চয়তানৰ ক্ষমতা আৰু মানুহৰ ওপৰত তেওঁৰ নিয়ন্ত্ৰণ স্বীকাৰ কৰি লয়। আল্লাহৰ ৰহমত নোহোৱাকৈ কোনেও চয়তানৰ পৰা হাত সাৰিব নোৱাৰিব। আমাৰ নিজৰ স্বাৰ্থৰ আগতে আল্লাহৰ বিষয় সমূহক ঠাই দিয়াৰ দিশটো মাবুদৰ মুনাজাতত দেখিবলৈ পাওঁ, কিয়নো আল্লাহই



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সৰ্বশক্তিমান। ৰাজ্য, ক্ষমতা, গৌৰব প্ৰশংসা কেৱল তেওঁৰেই।

এই মুনাজাতত শিশুসুলভ বিশ্বাস, ভ্ৰাতৃত্বসুলভ প্ৰেম আৰু এবাদতৰ ভাব–কৰুণ অথচ সহজ সৰল ভাবে দৃশ্যমান হৈছে। ঈছা মছীহই এই মুনাজতটো তেওঁৰ ছাহাবীসকলক শিকাইছিল, তেতিয়াও মধ্যস্থতাকাৰী হিচাপে তেওঁৰ ভুমিকা আৰম্ভ হোৱা নাই, সেয়ে তেওঁ তেওঁৰ নাম দি সেই মুনাজাত শেষ কৰা নাই; কিন্তু এতিয়া তেওঁ বেহেস্তত আৰোহনৰ পিছত তেওঁৰ নামেৰে মুনাজাত অৰ্পণ কৰা হয়। ইয়াত পাক-ৰূহৰ কথা ঈছা মছীহই উল্লেখ কৰা নাই, কিয়নো বিশ্বাসীসকলৰ হৃদয়ত বাস কৰিবলৈ তেওঁৰ অহাৰ বিষয়টো তেতিয়াও প্ৰেৰিতসকলে বুজিব পৰা নাছিল।

## ঈমানদাৰ ও সম্পত্তিৰ লোভ

*“এই পৃথিৱীত তোমালোকে নিজৰ বাবে ধন সম্পত্তি জমা নকৰিবা। ইয়াত মামৰে ধৰে আৰু পোক-পতঙ্গয়ো নষ্ট কৰে আনকি চোৰেও চুৰি কৰে। কিন্তু বেহেস্তত মামৰেও নধৰে আৰু পোক-পতঙ্গয়ো নষ্ট নকৰে আনকি চোৰে চুৰিও নকৰে। সেয়ে বেহেস্তত নিজৰ ধন জমা কৰা, কিয়নো তোমাৰ ধন যত থাকিব, তোমাৰ মনো তাতে থাকিব। চকুৱেই শৰীৰৰ প্ৰদীপ; এই কাৰণে যদি তোমাৰ চকু ভাল হয়, তেন্তে তোমাৰ গোটেই শৰীৰ দিপ্তীময় হব। কিন্তু তোমাৰ চকু যদি বেয়া হয়, তেন্তে তোমাৰ গোটেই শৰীৰ অন্ধকাৰময় হব। তোমাৰ মাজত যি পোহৰ আছে সেয়া যদি অন্ধকাৰ হয় তেন্তে সেই অন্ধকাৰ কিমান যে গভীৰ! কোনেও একেলগে দুজন গৰাকীৰ সেৱা কৰিব*



*নোৱাৰে, কিয়নো তেওঁ এজনক ঘৃণা কৰিব আৰু আনজনক প্ৰেম কৰিব। তেওঁ এজনৰ প্ৰতি বেছি আসক্ত হব আৰু আনজনক হেয় জ্ঞান কৰিব। তোমালোকে আল্লাহ আৰু ধন এই দুয়োৰে সেৱা একেলগে কৰিব নোৱাৰা।*

*এই হেতুকে মই তোমালোকক কওঁ, প্ৰাণৰ বাবে কি ভোজন কৰিম নাইবা কি পিন্ধিম বুলি চিন্তা নকৰিবা। জীৱনটো কেৱল খোৱা-বোৱা আৰু দেহটো কেৱল পিন্ধাৰ বিষয় নহয়।*

*আকাশৰ চৰাইবোৰলৈ চোৱা; সেইবোৰে বীজও নিসিঁচে, শষ্যও নচপায় আনকি ভঁৰালত জমাও নকৰে তথাপিও তোমালোকৰ বেহেস্তী পিতাই সেইবোৰক আহাৰ দিয়ে। সেইবোৰতকৈ তোমালোক বেছি মূল্যবান নোহোৱানে? তোমালোকৰ মাজত কোনে চিন্তা কৰি নিজৰ আয়ু এঘন্টা বঢ়াব পাৰে? বস্ত্ৰৰ বাবে কিয় চিন্তা কৰা, পথাৰৰ ফুলবোৰৰ কথা ভাবি চোৱা, সেইবোৰ কেনেকৈ বাঢ়ি উঠে, সেইবোৰে পৰিশ্ৰমো নকৰে, সুতাও নাকাটে; কিন্তু মই তোমালোকক কওঁ, ৰজা ছুলেইমানে ইমান জাকজমকতাৰ মাজত থাকিও সেইবোৰৰ এটাৰ নিচিনাকৈ নিজকে সজাব পৰা নাছিল। পথাৰৰ মাজত যি বন আজি আছে কাইলৈ সেয়া জুইশালত পেলোৱা হব, তাকো যদি আল্লাহই এনেকৈ সজায়, তেন্তে হে দুৰ্ব্বল ঈমানদাৰসকল, তেওঁ যে তোমালোকক নিশ্চয়কৈ অধিক ভালকৈ সজাব তাত কোনো সন্দেহ নাই। এই হেতুকে কি খাম? নাইবা কি পিন্ধিম? এই বুলি চিন্তা নকৰিবা। পৰজাতিসকলেই এইবোৰ বিষয়লৈ ব্যস্ত হয়; ইয়াৰ বাহিৰেও তোমালোকৰ বেহেস্তী পিতৃয়ে এই*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*সকলোবোৰ বস্তুৰ তোমালোকৰ প্ৰয়োজন আছে বুলি জানে। কিন্তু প্ৰথমে তোমালোকে আল্লাহৰ ৰাজ্যৰ বিষয়ে ও তেওঁৰ ইচ্ছামতে চলিবলৈ ব্যস্ত হোৱা। তেতিয়াহলে সেই বস্তুবোৰো তোমালোকে পাবা। অহা কালিৰ নিমিত্তে চিন্তা নকৰিবা; অহা কালিৰ চিন্তা অহা কালিলৈ এৰি দিয়া। দিনৰ কষ্টই দিনৰ বাবে যথেষ্ট"* (মথি ৬ঃ১৯-৩৪ আয়াত)।

ধন-সম্পত্তিৰ প্ৰতি লোভ সম্পৰ্কে ঈছা মছীহই তেওঁৰ ছাহাবীসকলক সতৰ্ক কৰি দিছিল। তেওঁ তেওঁলোকক স্মৰণ কৰাই দিছিল যে, এই পৃথিৱীৰ ধন-সম্পত্তি সকলো নিৰৰ্থক; কেবলমাত্ৰ বেহেস্তী ধন-সম্পত্তিয়ে হ'ল চিৰস্থায়ী। যিসকলৰ দৃষ্টি এই জগত এৰি বেহেস্তৰ প্ৰতি নিবদ্ধ তেওঁলোকেই মোবাৰক। তেওঁৰ বাবে সৎ কৰ্ম্ম কৰা সহজ হয়। ধন-সম্পত্তিৰ প্ৰতি ভালপোৱাৰ দ্বাৰাই জীৱন পৰিচালনা কৰাজনে, যিমান প্ৰেম আল্লাহক কৰাটো উচিত সিমান কৰিব নোৱাৰে। আল্লাহৰ প্ৰেমত মছগুল হৈ কোনো মানুহে যি কৰে আৰু আনৰ উপকাৰৰ বাবে যি কৰে তাৰেই ফল হ'ল বেহেস্তৰ ধন-সম্পত্তি।

ঈছা মছীহই তেওঁৰ ছাহাবীসকলক কৈছিল, তেওঁলোক জগতৰ পোহৰ হোৱা হেতুকে আনৰ ওচৰলৈ পোহৰ লৈ আহিব। সম্পূৰ্ণ শৰীৰ চকুৰ সহায়ত দিপ্তীময় হয় যিটো শৰীৰৰ প্ৰদীপ। ঈছা মছীহৰ ছাহাবীসকলেই যদি পোহৰ বা জ্যোতি হেৰাই পেলায়, তেন্তে যিসকলৰ ধাৰ্ম্মিকতাৰ কোনো মাধ্যম বা উপায় নাই তেওঁলোকে কেনেকৈ সত্যটো বুজি পাব? আনক জ্যোৰ্তিময় কৰিবলৈ সমৰ্থবান হোৱাৰ উদ্দেশ্যে, প্ৰতিজনেই তেওঁলোকৰ পাৰ্থিব জগতৰ প্ৰয়োজনীয় সকলো বস্তুৰ বাবে বেহেস্তী পিতাৰ ওচৰত



সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব লাগিব। যদি তেওঁ সেইটো কৰে তেন্তে তেওঁৰ সাদৃশ্যৰে সৃষ্টি কৰা সন্তান-সন্ততিসকল আৰু অন্যান্য নাৰী-পুৰুষসকলৰ প্ৰতি যত্নবান হব। সৰু নাইবা ডাঙৰ, সকলো জীৱৰ প্ৰতি তেওঁ যত্নলৈ থাকে, তেন্তে আমাৰ প্ৰয়োজনসমূহো তেওঁ যোগাব। যিজনে আমাৰ শৰীৰ দিছে, তেওঁ আমাক বস্ত্ৰ দিয়াৰ পৰা আঁতৰি থাকিবনে? তেওঁ আমাক মূল্যবান জীৱন দিছে; আৰু সেই জীৱন ৰক্ষা কৰাৰ বাবে প্ৰয়োজনীয় আহাৰ তেওঁ আমাক নিশ্চয় দিব। হয়, কোনো লোকে তেওঁৰ শাৰীৰিক প্ৰয়োজনৰ প্ৰতি যত্নবান হোৱাটো উচিত, কিন্তু কোনো উদ্বেগ প্ৰকাশ নকৰি মাবুদে দিয়া প্ৰয়োজনীয় ব্যৱস্থাৰ প্ৰতি সম্পূৰ্ণ বিশ্বাসেৰে সেয়া কৰা উচিত। প্ৰথমতে আমি ৰূহানী বিষয়সমূহৰ প্ৰতি মনোযোগ দিয়াটো মাবুদৰ ইচ্ছা; আৰু তেতিয়াই তেওঁ আমাৰ প্ৰয়োজনীয়তাৰ খবৰ লব। মাবুদৰ তত্ত্বাবধানত বেহেস্তী দয়া নোহোৱাকৈ আমি সকলোৱে অবিশ্বাসী থাকিলোহেঁতেন। ঈছা মছীহে দিয়া এটি গুৰুত্বপূৰ্ণ আদেশ এই যে, "কিন্তু তোমালোকে প্ৰথমতে তেওঁৰ ৰাজ্যৰ বিষয়ে ও তেওঁৰ ইচ্ছামতে চলিবলৈ ব্যস্ত হোৱা। তেতিয়া এই সকলো বস্তু তোমালোকে পাবা।"

## বিচাৰ নকৰিবা

*"তোমালোকে আনৰ দোষ ধৰি নুফুৰিবা, যাতে তোমালোকৰো দোষ ধৰা নহয়, কাৰণ যেনেকৈ তোমালোকে আনৰ দোষ ধৰা তেনেকৈ তোমালোকৰো দোষ ধৰা হব, আৰু যেনেকৈ তোমালোকে জুখি দিয়া তেনেকৈ তোমালোকলৈয়ো জোখা হব। তুমি নিজৰ চকুত থকা চতিলৈ মন নকৰি , ভায়েকৰ চকুত থকা*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*কুটাডালিলৈ কিয় চাইছা? যেতিয়া তোমাৰ নিজৰ চকুতেই চতি আছে তেতিয়া ভায়েকক কেনেকৈ এই কথা কোৱা, "আহা, তোমাৰ চকুৰ পৰা কুটাডালি উলিয়াই দিও"? হে কপট! প্ৰথমতে নিজৰ চকুত থকা চতি উলিয়াই পেলোৱা, তেহে ভায়েকৰ চকুৰ পৰা উলিয়াব লগা কুটাডাল ভালকৈ দেখা পাবা। মাবুদৰ কাৰণে যি বেলেগকৈ ৰখা হৈছে সেয়া কুকুৰক নিদিবা। গাহৰিৰ সন্মুখত মুকুতা নেপেলাবা; কিজানি তেওঁলোকে সেইবোৰক ভৰিৰে গচকে, আৰু ঘুৰি তোমালোককো টুকুৰা-টুকুৰ কৰি ছিঙি পেলায়"* (মথি ৭ঃ ১-৬ আয়াত)।

আমি আনৰ বিচাৰ কৰি বা দোষ ধৰি ফুৰাটো ঈছা মছীহই নিবিচাৰে। আনসকলক আমি যেনেকৈ দেখো তেওঁলোকেও আমাক তেনেকৈ দেখিব। যিজনে আনৰ দোষ প্ৰকাশ কৰে তেতিয়া তেওঁৰো দোষ ত্ৰুটিসমূহ আনৰ হতুৱাই প্ৰকাশ পায়। যিজনে আনৰ দোষ ধৰে তেওঁ সাধাৰণতে অহংকাৰ ও প্ৰতিহিংসাৰ দ্বাৰাই অনুপ্ৰাণিত হয়। উভয় ক্ষেত্ৰতে তেওঁ ভুল কৰিব পাৰে, কিয়নো যেতিয়া তেওঁ আনৰ দোষসমূহ দেখা পায় তেতিয়া তেওঁ সেইবোৰ অতিৰঞ্জিত কৰিব পাৰে। যেতিয়া আমি নিজৰ দোষসমূহ দেখো তেতিয়া সেইবোৰ সাধাৰণ ভাবে দেখো। সাধাৰণ বিচাৰ শক্তি থকা এজন মানুহক যিজনৰ সিদ্ধান্ত সিমান বেয়া নহয়, তেনেকুৱা এজন ব্যক্তিক অন্যায়কাৰী ব্যক্তি এজনে সংশোধন কৰিব নোৱাৰে। তলত দিয়া কথাবোৰ আমাৰ হৃদয়ৰ গহ্বৰত অনুভৱ কৰা উচিতঃ "হে কপট! প্ৰথমতে নিজৰ চকুত থকা চতি উলিয়াই পেলোৱা, তেহে ভায়েকৰ চকুৰ পৰা উলিয়াব লগা কুটাডাল ভালকৈ দেখা পাবা।"



আমি আমাৰ ধৰ্ম্মীয় আলোচনাত অধিক বুদ্ধিমান হোৱাটো ঈছা মছীহই বিচাৰে। যদি আমি সতৰ্ক নহও তেন্তে আমিও তেওঁলোকৰ নিচিনা হম যিসকলে পবিত্ৰ বস্তু কুকুৰক দিয়ে, নাইবা, যিসকলে গাহৰিৰ সন্মুখত মুকুতা ছটিয়ায়। যিসকলে শুনিব তেওঁলোকৰ পৰিস্থিতি অনুসৰি আমাৰ কথাবিলাক যথোপযুক্ত হব লাগিব।

## খোজা, তোমালোকক দিয়া হব

*"খোজা, তোমালোকক দিয়া হব; বিচাৰা, তেহে পাবা; দুৱাৰত টুকুৰিওৱা, তোমালোকৰ কাৰণে খোলা হব। যিসকলে খোজে, তেওঁলোকেই পায়; যিয়ে বিচাৰে তেওঁ পায়; আৰু যিজনে দুৱাৰত টুকুৰিয়ায় তেওঁৰ কাৰণে দুৱাৰ খোলা হয়। তোমালোকৰ মাজত এনে কোনো মানুহ আছেনে যিজনৰ পুতেকে ৰুটি খুজিলে শিল দিব? নাইবা মাছ খুজিলে সাপ দিব? গতিকে তোমালোক গুনাহগাৰ হৈয়ো যদি নিজৰ সন্তানক ভাল ভাল বস্তু দিব জানা, তেন্তে যিসকলে তোমালোকৰ বেহেস্তী পিতাৰ ওচৰত খোজে, তেওঁ যে সিহঁতক ভাল ভাল বস্তু দিব সেয়া কিমান যে নিশ্চিত! তোমালোকে লোকৰ পৰা যেনেকুৱা ব্যৱহাৰ পাব বিচৰা, তোমালোকেও তেওঁলোকৰ লগত তেনে ব্যৱহাৰ কৰা, এইটোয়েই মূছাৰ শ্বৰীয়ত ও নবীসকলৰ শিক্ষা"* (মথি৭ঃ৭-১২ আয়াত)।

আমাৰ মুনাজাতৰ উত্তৰ দিবলৈ আমাৰ বেহেস্তী পিতৃয়ে বৰকৈ ইচ্ছুক। এজন গুনাহগাৰ জাগতিক পিতৃয়ে তেওঁৰ ল'ৰা নাইবা ছোৱালীয়ে কিবা ভাল বস্তু খুজিলে, যদি তেওঁ দিবলৈ কুণ্ঠাবোধ নকৰে, তেন্তে যিসকলে বেহেস্তী পিতাৰ ওচৰত খুজে তেওঁ যে সিহঁতক কিমান বেছিকৈ দিব! তেওঁ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তেওঁৰ সন্তানসকলক সৰ্বোত্তম বস্তুৰ সলনি নিম্নমানৰ বস্তু দিব নিবিচাৰে। সৰ্বোপৰি তেওঁ সিহঁতক পাক ৰূহ দিব বিচাৰে।

ইয়াৰ পিছত ঈছা মছীহই যি বক্তব্য ৰাখিছিল সেয়া "দুষ্প্ৰাপ্য শিক্ষা" বুলি কোৱা হয়, যিটো নৈতিক সমস্যা সমাধানৰ এটা পথ নিৰ্দেশনা। অইন আদেশস মূহতকৈ এইটো শ্ৰেষ্ঠ। ইয়াত কোৱা হৈছে, "আনলোকৰ পৰা যি ধৰণৰ ব্যৱহাৰ পোৱাৰ আশা কৰা তুমিও আনলোকৰ লগত তেনে ব্যৱহাৰ কৰা। এয়া মূছা নবীৰ শ্বৰীয়ত ও আন নবীসকলৰ শিক্ষা।" বহুতেই এই আদেশ পালনক ধৰ্ম্মীয় কৰ্তব্যৰ পৰিপূৰ্ণতা হিচাপে বিবেচনা কৰে। অৱশ্যেই এইটো সত্য। যিহেতু আমাৰ বেহেস্তী পিতাই আমাক প্ৰেম কৰিছে আৰু অতিকৈ উত্তমতা দান কৰিছে, সেয়ে তেওঁৰ প্ৰতি ভালপোৱাত আনৰ মঙ্গল কৰাটো আমাৰ কৰ্তব্য। সকলোকে প্ৰেম কৰাটোই হব আল্লাহৰ প্ৰতি আমাৰ গভীৰ প্ৰেমৰ ফল।

## ঠেক ও বহল দুৱাৰ

*ঠেক দুৱাৰেদি সোমাবা, কিয়নো যি দুৱাৰে আৰু বাটে ধ্বংসৰ পিনে লৈ যায়, সেই দুৱাৰ বহল, বাটো মুকলি। সেই দুৱাৰেদি বহুতেই সোমাব। কিন্তু যি দুৱাৰে আৰু বাটে জীৱনলৈ নিয়ে, সেই দুৱাৰ ঠেক আৰু বাটো চেপা। অতি কম সংখ্যক লোকেই সেয়াবিচাৰি পায়। ভণ্ড নবীসকলৰ বিষয়ে সাৱধান হোৱা। তেওঁলোকে মেৰৰ ভাওজুৰি তোমালোকৰ ওচৰলৈ আহে, কিন্তু তেওঁলোকৰ ভিতৰটো গ্ৰাসকাৰী ৰাংকুকুৰৰ নিচিনা। তেওঁলোকৰ জীৱনৰ কৰ্ম্মফলেৰেই সিহঁতক চিনিব পৰা যায়।*



*কাঁইটিয়া বনত আঙুৰ ফল নাইবা পুলি কাঁইটৰ পৰা ডিমুৰু ফল ধৰেনে? ঠিক তেনেকৈ ভাল গছবোৰত ভাল ফল ধৰে, কিন্তু বেয়া গছত বেয়া ফল ধৰে। ভাল গছত বেয়া ফল নাইবা বেয়া গছত ভাল ফল নধৰে। যি গছত ভাল ফল নধৰে সেয়া কাটি জুইত পেলোৱা হয়। সেয়ে কওঁ, ভণ্ড নবীসকলৰ জীৱনত যি ফল ধৰে তেওঁৰ দ্বাৰাই তোমালোকে সিহঁতক চিনিব পাৰিবা।*

*যিবিলাকে মোক 'প্ৰভু, প্ৰভু' বোলে, তেওঁবিলাকৰ সকলোৱে যে বেহেস্তী ৰাজ্যত প্ৰবেশ কৰিব এনে নহয়; কিন্তু যিজনে আমাৰ বেহেস্তী পিতাৰ ইচ্ছা পালন কৰে তেওঁহে প্ৰবেশ কৰিব পাৰিব। সেইদিনা বহুতেই মোক কব, 'প্ৰভু, প্ৰভু' আপোনাৰ নামত আমি ভৱিষ্যতবাণী কৰা নাইনে? আপোনাৰ নামেৰে আমি ভুত খেদোৱা নাইনে? আপোনাৰ নামত আমি বহুতো আচঁৰিত কৰ্ম্ম কৰা নাইনে? তেতিয়া মই তেওঁলোকক কম, 'দুষ্টইঁত, মই তোমালোকক চিনি নাপাও। মোৰ ওচৰৰ পৰা আতৰি যোৱা'* (মথি ৭ঃ১৩-২৩ আয়াত)।

যি দুৱাৰেদি প্ৰতিজন ব্যক্তিয়ে প্ৰবেশ কৰিব তেনেকুৱা দুটি দুৱাৰৰ কথা ঈছা মছীহই আমাৰ ওচৰত উপস্থাপন কৰিছে। প্ৰথমটো আৰম্ভণিত ঠেক, কিন্তু সেইটো শেষ হয় আশীৰ্বাদ ও আনন্দেৰে। ঠিক তেনেকৈ দ্বিতীয়টো হল ইয়াৰ বিপৰীতঃ আৰম্ভণীত মুকলি, কিন্তু ইয়াৰ শেষটো হয় ধ্বংস আৰু শাস্তিৰে। ঈছা মছীহই আমাক প্ৰথমটোকে বাছি লবলৈ উপদেশ দিয়ে যিটো এই জগতত কঠিন হব, কিন্তু ভৱিষ্যৎ জীৱনৰ কাৰণে গৌৰৱময় হব। বেছিভাগ লোকেই যি বাটেৰে যায় আমিও সেই বাটেৰে যাও, কিন্তু আল্লাহই সেইটো নিবিচাৰে, কিয়নো তেওঁলোকে বৰ্তমানৰ আনন্দদায়কটো বাছি লয় আৰু



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

পিছত যি বিনাশকাৰী ধ্বংস আহিব সেয়া পাহৰি যায়। এয়া গছ আৰু ফলৰ সম্পৰ্কৰে ঈছা মছীহই আমাক মনত পেলাই দিয়ে। কোনো মানুহৰ কৰ্ম্মৰ দ্বাৰাই তেওঁৰ অন্তৰত থকা বিষয়ৰ প্ৰতিফলন ঘটায়। কোনোবাই আহি মাবুদৰ প্ৰেৰিত ৰছুল বুলি দাবী কৰিব পাৰে আৰু নবী হিচাপে কথাও কব পাৰে, কিন্তু তেওঁৰ প্ৰকৃত চৰিত্ৰ তেওঁৰ জীৱনৰ শেষলৈ প্ৰকাশিত হব। যাৰ জীৱনত উৎকৃষ্ট ফল নধৰে এনেকুৱা প্ৰতিজনকে নিশ্চিভাবে কাটি জুইত পেলোৱা হব। জাগতিক সম্পৰ্কে অহংকাৰী আৰু মাবুদৰ আইন অমান্যকাৰী ভণ্ডসকলক কোনো অজুহাতেই জুইত নিক্ষেপ হোৱাৰ পৰা ৰেহাই নকৰে। কোনো কোনোৱে আপত্তি জনাই কব, "প্ৰভু, প্ৰভু, আপোনাৰ নামত আমি ভবিষ্যতবাণী কৰা নাইনে? আপোনাৰ নামেৰে আমি ভুত খেদোৱা নাইনে? আপোনাৰ নামত আমি বহুতো আচঁৰিত কৰ্ম্ম কৰা নাইনে? তেতিয়া মাবুদে তেওঁলোকক কব, 'দুষ্টহত, মই তোমালোকক চিনি নাপাও। মোৰ ওচৰৰ পৰা আতৰি যোৱা।"

## জ্ঞানী ও মুৰ্খ মানুহ

*"সেয়ে কওঁ, যিকোনোয়ে মোৰ এই সকলো কথা শুনি পালন কৰে, তেওঁ এনেকুৱা এজন বুদ্ধিমান লোকৰ নিচিনা, যিয়ে শিলৰ ওপৰত তেওঁৰ ঘৰ সাজে। পিছে বৰষুণ আহিল, বাণপানীৰ ধল আৰু প্ৰচণ্ড ধুমুহা আহি সেই ঘৰটোক আঘাত কৰিলে; কিন্তু সেই ঘৰটো নপৰিল, কিয়নো সেয়া শিলৰ ওপৰত বনোৱা হৈছিল। আৰু যি কোনোয়ে মোৰ এই সকলো কথা শুনি পালন নকৰে, তেওঁ এনেকুৱা এজন মুৰ্খ লোকৰ নিচিনা, যিজনে বালিৰ ওপৰত নিজৰ ঘৰ সাজিলে। পিছে বৰষুণ আহিল,*



*বানপানীৰ ধল আৰু প্ৰচণ্ড ধুমুহা আহি সেই ঘৰটোক আঘাত কৰাত, ঘৰখন ভাঙি পৰিল। অতিকৈ ভয়ংকৰ ভাবে ঘৰখনৰ পতন হল"* (মথি ৭ঃ২৪-২৭ আয়াত)।

মছীহই তেওঁৰ শ্ৰোতাসকলৰ ওচৰত এটা জ্বলন্ত দৃষ্টান্ত দিছিল। মাবুদৰ ইচ্ছা যিজনে জানে ও পালন কৰে তেওঁ শিলৰ ওপৰত ঘৰ সজা বুদ্ধিমানলোকৰ তুল্য। মাবুদৰ ইচ্ছা যিজনে জানে কিন্তু পালন নকৰে, তেওঁ প্ৰলয়ংকাৰী সোতৰ বিপৰীতে বালিৰ ওপৰত ঘৰ সজা বুৰ্ব্বক মানুহৰ তুল্য। যেতিয়ালৈ ফৰকাল বতৰ ও শান্ত পৰিবেশ থাকে তেতিয়ালৈ তেওঁ ভালেই থাকে। তেওঁক বুদ্ধিমান বুলিয়ে ধাৰণা হয়। ঘৰৰ ভেটি খান্দিবলৈ তেওঁ কোনো অৰ্থ ব্যয় কৰা নাই। তেওঁ নিজেই নিজক অভিনন্দন জনায় আৰু আনলোকে তেওঁক প্ৰসংশা কৰে। কিন্তু বৰষুণ আহি বানপানী হলে তেওঁৰ ঘৰ খহি পৰিব, কিয়নো কোনজন বুদ্ধিমান সেয়া সোঁতেই প্ৰমাণ কৰিব। যিজনে নিজৰ জ্ঞান থাকোতেও প্ৰয়োগ নকৰে তেওঁ মুৰ্খ। তেওঁ এই জগতৰ সুখ উপভোগ কৰে আৰু ধাৰ্ম্মিকসকলৰ ওপৰত যিবোৰ দুৰ্যোগ আহে সেয়া এৰাই চলে। কিন্তু যেতিয়া মাবুদৰ বিচাৰৰ প্ৰবাহ বয়, বেহেস্তী ক্ৰোধৰ বৰষুণ বৰষে আৰু দোষী বিবেকৰ প্ৰবাহ যেতিয়া বলিয়া হৈ উঠে: তেতিয়া সেইজনৰ ঘৰ ভাঙি পৰিব তথা অন্যান্য নিৰ্ব্বোধ গুনাহগাৰ সকলৰ ঘৰৰ সৈতে উটি যাব। পিছে প্ৰথমত উল্লেখ কৰা ঘৰটো কিন্তু নিৰাপদে থাকিব, কিয়নো সেইটো শিলৰ ওপৰত নিৰ্ম্মাণ কৰা হৈছে।

*"ঈছাই কথা কোৱা শেষ কৰাত লোকসকলে তেওঁৰ শিক্ষাত আচৰিত হল, কাৰণ তেওঁ আলিমসকলৰ নিচিনাকৈ শিক্ষা দিয়া নাছিল, বৰঞ্চ যিজনৰ অধিকাৰ আছে তেনেকুৱা লোকৰ নিচিনাই শিক্ষা দি আছিল"* (মথি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

৭ঃ২৮-২৯ আয়াত)।

ঈছা মছীহই যেতিয়া তেওঁৰ কথা শেষ কৰিলে, তেতিয়া তাত উপস্থিত লোকসকলে আচৰিত হৈছিল। কিয়নো তেওঁ ক্ষমতাসম্পন্ন লোকৰ নিচিনাকৈ শিক্ষা দিছিল, আলিমসকলৰ নিচিনাকৈ নহয়। যিকোনোৱে মছীহৰ ৰূহানী ৰাজ্যৰ নীতি নিয়মসমূহ সতৰ্ক ও বিশ্বাসেৰে ধ্যান কৰিব, তেঁৱেই এই আদেশ পালন কৰাৰ বিষয়ে হতাশ হব আৰু এই হতাশাটোৱেই হল নাজাতৰ প্ৰথম পদক্ষেপ। নিজৰ কৰ্ম্ম সম্পৰ্কে এজন গুনাহগাৰৰ যি কোনো ভ্ৰান্ত নীতি অনুসৰণ কৰাটো দূৰ কৰে আৰু জগতৰ একমাত্ৰ নাজাতদাতাৰ প্ৰতি তেওঁক নিৰ্দেশ কৰে যিজনে এই মহামূল্য নাজাত পোৱাৰ কাৰণে জীৱন্ত বিশ্বাসক একমাত্ৰ চৰ্ত হিচাপে বাছি লৈছে।

**তোমালোকৰ শত্ৰুসকলোকো প্ৰেম কৰিবা। যিসকলে তোমালোকক নিৰ্য্যাতন কৰে তেওঁলোকৰ কাৰণে মুনাজাত কৰা। যিসকলে তোমালোকক ঘৃণা কৰে তেওঁলোকক উপকাৰ কৰা। যেন তোমালোকে তোমালোকৰ বেহেস্তী পিতাৰ নিচিনা হব পাৰা।**
(মথি ৫ঃ৪৪-৪৫; লূক ৬ঃ২৭-২৮,৩৫ আয়াত)।



## ন
## ৰোমীয় সেনাপতিৰ গোলামক সুস্থ কৰা

মানুহৰ লগত কথা বতৰা শেষ কৰি ঈছা কফুৰনাহুম চহৰলৈ গ'ল। তাতে ৰোমীয় সেনাপতিৰ এজন গোলাম নৰিয়াত পৰি মৰো মৰো অৱস্থা হৈছিল। এই গোলামজনক তেওঁ খুবেই ভাল পাইছিল। এই সেনাপতি জনে ঈছাৰ বিষয়ে শুনি বনি-ইজৰাইলৰ কেইজনমান মুৰব্বীক তেওঁৰ ওচৰলৈ আহিবলৈ অনুৰোধ কৰিবলৈ পঠালে, যাতে তেওঁ আহি গোলামজনক সুস্থ কৰে। তেওঁলোকে ঈছাৰ ওচৰলৈ গৈ কাকুতি-মিনতি কৰিলে যাতে তেওঁ আহি গোলামজনক সুস্থ কৰে। তেওঁলোকে আৰু ক'লে যে, "আপুনি যাৰ কাৰণে এই কাম কৰিব তেওঁ ইয়াৰ যোগ্য। কিয়নো তেওঁ আমাৰ লোকসকলক ভাল পায় আৰু আমাৰ এই এবাদৎখানা তেঁৱেই বনাই দিছে।"

তেতিয়া ঈছাই তেওঁলোকৰ লগত যাব ধৰিলে আৰু সেই ঘৰৰ ওচৰ পোৱাৰ লগে লগে সেনাপতিয়ে তেওঁৰ বন্ধুসকলৰ জৰিয়তে কৈ পঠালে, *"হুজুৰ, আৰু কষ্ট নকৰিব, কিয়নো আপুনি যে মোৰ ঘৰলৈ আহিব তাৰ যোগ্য মই নহওঁ। সেয়ে আপোনাৰ ওচৰলৈ মই নিজে যোৱাটোও উপযুক্ত বুলি নাভাবিলো। আপুনি কেৱল মুখেৰে কওঁক তাতেই মোৰ গোলাম সুস্থহৈ যাব। কিয়নো মই জানো, মোৰ অধীনৰ সৈন্যসকলেও মোৰ কথামতে চলে। মই এজনক 'যোৱা' বুলি ক'লে তেওঁ 'যায়' আৰু 'আহা' বুলি ক'লে 'আহে'; মোৰ গোলামক 'এইটো কৰা' বুলি ক'লে তেওঁ সেইটো কৰে।" এই কথা শুনি ঈছাই বৰকৈ আচৰিত হ'ল আৰু তেওঁৰ পিছে পিছে আহি থকাসকলৰ ফালে চাই ক'লে, "মই তোমালোকক কওঁ,*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*বনি-ইজৰাইলসকলৰ মাজতো ইমান গভীৰ বিশ্বাস মই কেতিয়াও দেখা নাই।" সেনাপতিয়ে যিসকলক পঠাইছিল, তেওঁলোকে ঘৰলৈ উভতি গৈ সেই গোলামজনক সুস্থ দেখা পালে"* (লূক ৭ঃ১-১০ আয়াত)।

মছীহই কৈছিল যে, তেওঁ সেৱা পাবলৈ অহা নাই, বৰঞ্চ তেওঁলোকৰ সেৱা কৰিবলৈহে আহিছে। তেঁৱেই একমাত্র ব্যক্তি যিজনে সদায় তেওঁৰ দাবীসমূহ পৰিপূর্ণ কৰিছিল। তেওঁৰ শ্রোতাসকলে কৈছিল যে, তেওঁ এজন ক্ষমতাশালী ব্যক্তিৰ নিচিনাকৈ কথা কৈছিল, তেওঁলোকৰ আলিমসকলৰ নিচিনাকৈ কোৱা নাছিল। ক্ষমতাসম্পন্ন কথাৰ পিছে পিছেই থাকিছিল তেওঁৰ ক্ষমতাসম্পন্ন কৰ্ম্মবোৰ। শিক্ষা শেষ কৰাৰ পিছতেই আকৌ তেওঁৰ আচৰিত কৰ্ম্মবোৰ আৰম্ভ কৰিছিল। প্রচণ্ড ভীড়ৰ সৈতে তেওঁ কফুৰনাহুমত প্রবেশ কৰিলে। ইহুদী নেতাসকলৰ এটা প্রতিনিধি দলে তেওঁৰ লগত দেখা কৰিলে আৰু তেওঁক বিনম্রভাবে অনুৰোধ কৰিলে, যেন তেওঁ ৰোমীয় সেনাপতিৰ চাকৰজনক সুস্থ কৰে, যিজন ৰোগাক্রান্তহৈ মৰো মৰো অৱস্থাত আছিল। দৃশ্যটো চাইয়েই আমি অনুমান কৰিব পাৰো যে, গোলামজন সেনাপতিৰ ওচৰত খুবেই প্রিয় আছিল কিয়নো উপৰুক্ত কথাষাৰ 'মোৰ গোলাম' কথাটোক 'মোৰ সন্তান' হিচাপেও অনুবাদ কৰিব পৰা যায়। গ্রীক ভাষাত এই সম্বোধনটো সন্তানৰ ক্ষেত্রত ব্যৱহাৰ কৰা হৈছিল। এই ৰোমীয় সেনাপতিজন সন্মানীয় লোক আছিল, কিয়নো সেই সময়ত লোকে চাকৰসকলক ঘৃণা কৰিছিল আৰু তেওঁলোকৰ লগত বেয়া ব্যৱহাৰ কৰিছিল, সেই ক্ষেত্রত তেওঁৰ কথা বতৰা ও ভাবধাৰাত গোলামজনক ভাল পাইছিল বুলি প্রকাশ কৰিছিল।

ৰোমীয় সেনাপতিজনে ভাবিছিল যে, ঈছা মছীহই



ইহুদী নেতাসকলৰ অনুৰোধ ৰক্ষা কৰিব, আৰু তেওঁৰ বাবেই তেওঁ তেওঁলোকৰ সহায় বিচাৰিছিল। ইয়াৰ পৰা আমি এই সিদ্ধান্তলৈ উপনীত হব পাৰো যে, সেই সময়তো কফুৰনাহুমৰ ইহুদী নেতাসকলৰ লগত ঈছা মছীহৰ সম্পর্ক ভাল আছিল, কিন্তু এহুদিয়াত তেনেকুৱা পৰিবেশ নাছিল। ইহুদী নেতাসকলে গৈ সেনাপতিৰ অনুৰোধৰ কথা জনাইছিল, কিয়নো তেতিয়ালৈ তেওঁলোকে মছীহৰ বিৰুদ্ধে যোৱা নাছিল। সেনাপতিক গোলামৰ ওচৰত এৰি তেওঁলোকে ঈছা মছীহৰ লগত দেখা কৰিবলৈ গ'ল। তাত উপস্থিত হৈ তেওঁ ঈছা মছীহক ক'লে যে, সেনাপতিয়ে তেওঁলোকক ভালপায় আৰু তেওঁলোকৰ এবাদৎখানা তেঁৱেই বনাই দিছে; এই হেতুকে তেওঁৰ গোলামৰ সুস্থতা লাভ কৰাৰ বাবে তেওঁ যোগ্য। উত্তৰ দিয়াৰ ইচ্ছা কৰাৰ আগতে ঈছা মছীহৰ কোনো মধ্যস্থতাকাৰীৰ প্রয়োজন নাছিল, ইয়াৰ কাৰণে আমি সেনাপতিক দোষাৰূপ নকৰো। কাৰণ তেওঁ এইটো জনা নাছিল যে, তেওঁৰ মধ্যস্থতাকাৰীতকৈ ঈছা মছীহই তেওঁক ভালকৈ জানিছিল আৰু তেওঁলোকৰ পক্ষে যিমান দূৰ সম্ভৱ তাতকৈ তেওঁ তেওঁক আৰু অধিক প্রেম কৰিছিল। সেয়ে মধ্যস্থতাকাৰী হিচাপে তেওঁলোকৰ অনুৰোধৰ আবশ্যক নাছিল। এনেকি বৰ্তমানলৈয়ো ঈছা মছীহৰ বাহিৰে বেলেগ কোনো মধ্যস্থতাকাৰীৰ প্রয়োজন আমাৰ নাই। কোনো ফিৰিস্তা নাইবা মহাধাৰ্ম্মিক লোকেও আমাৰ কাৰণে একো কৰিব নোৱাৰে, মছীহই মাবুদ ও মানুহৰ মাজত একমাত্র মধ্যস্থতাকাৰী। নাজাতৰ বাবে সলীৱৰ ওপৰত তেওঁৰ ত্যাগৰ মাজেৰে সেয়া পূর্ণৰূপে সম্পাদন হৈছে। ১ তীমথিয় ২ঃ৫ আয়াতত আমি নিম্নোক্ত কথাবোৰ পঢ়ো, *"মাবুদ মাত্র এজনেই আছে আৰু মাবুদ ও মানুহৰ মাজত*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*মধ্যস্থতাকাৰীও এজনেই আছে। সেই মধ্যস্থতাকাৰী হ'ল , মনুষ্য মছীহ ঈছা।"*

যিসকলে ফিৰিস্তা নাইবা কামিলসকলৰ মধ্যস্থতাকাৰীৰ চেষ্টা কৰে, তেওঁলোক এনেকুৱা লোকৰ নিচনিা, যিসকলে দুপৰীয়া চাকি বিচাৰে। তেওঁলোকে বুজিব নোৱাৰে যে, তেওঁলোকে যি দয়া অনুগ্ৰহৰ অধিকাৰী তেওঁৰ লগত মছীহৰ সু-মহান চৰিত্ৰৰ কোনো তুলনাই হব নোৱাৰে। কোনো কামিল ব্যক্তি মছীহতকৈ বেছি প্ৰেম দেখুৱাব পৰা নাই। একমাত্ৰ তেঁৱেই বেহেস্তৰ পৰা নামি আহিছে, মানুহৰ ৰূপ ধাৰণ কৰিছে, শিক্ষা দিছে, সেৱা কৰিছে, দুখ ভোগ কৰিছে, মৃত্যুবৰণ কৰিছে, মৃতসকলৰ মাজৰ পৰা পুনৰুত্থিত হৈছে, বেহেস্তত আৰোহণ কৰিছে আৰু আল্লাহৰ সোঁ-কাষে মধ্যস্থতাকাৰী ও অনুৰোধকাৰী ৰূপে বহি আছে। তেওঁৰ নিখুঁত প্ৰেমৰ কাৰণেই তেওঁ সেয়াকৰিছে। মছীহৰ বাহিৰে আন কাৰো সহায় লাভৰ কাৰণে যিসকলে চেষ্ট কৰে, তেওঁলোক এনেকুৱা এজন শিশুৰ নিচিনা, যিজনে বিপদত পৰাত তেওঁৰ মাক, যিজনে তেওঁৰ প্ৰতি প্ৰেমৰ কাৰণে নিজকে নিয়োজিত ও কুৰবানী কৰিছে, সেই মাকৰ প্ৰতি দৃষ্টি দিয়াৰ পৰিবৰ্তে দৃষ্টি দিয়ে আন চাকৰৰ পিনে। মছীহৰ মাতৃ মৰিয়মৰ মধ্যস্থকাৰীও কোনো কাৰ্য্যকৰ নহয়। ইয়াৰ সমৰ্থনত আমি কান্না গাওঁত ঈছা মছীহৰ সেই উদাহৰণ দাঙি ধৰিব পাৰো যেতিয়া তেওঁ তেওঁৰ মাকক তেওঁৰ কামত হস্তক্ষেপ কৰাৰ পৰা বিৰত থাকিবলৈ কৈছিল।

সাধাৰণতে বেমাৰীসকলক ঈছা মছীহৰ ওচৰলৈ অনা হৈছিল। যিয়েই নহওক, এইক্ষেত্ৰত কিন্তু ঈছা মছীহই এজন সেনাপতিৰ অসুস্থ গোলামৰ ওচৰলৈ গৈছিল। যথা



সম্ভৱ তেওঁ বিদেশী আছিল সেই কাৰণে। ঈছা মছীহৰ নিচিনা এজন ক্ষমতাবান লোক তেওঁৰ ঘৰলৈ আহি আছে বুলি শুনা মাত্ৰেই তেওঁৰ প্ৰতি অগাধ সন্মান ও বিশ্বাস প্ৰদৰ্শনৰ বাবে কেইজনমান বন্ধুক বাটতে লগ কৰিবলৈ পঠাই দিলে। ঈছা মছীহক তেওঁ কব বিচাৰিছিল যে, তেওঁৰ ঘৰলৈ ঈছা মছীহই আহিব তাৰ উপযুক্ত তেওঁ নহয়। তেওঁ বিচাৰিছিল যেন ঈছা মছীহই কেৱল মুখেৰে ক'লেই তেওঁৰ গোলাম সুস্থহৈ যাব। কেনেকুৱা মহান বিনম্ৰতা! তেওঁ যে মছীহৰ সহায় প্ৰাৰ্থীৰ উপযুক্ত আছিল তাৰেই সৰ্ব্বোচ্চ প্ৰমাণ এইটো। মছীহৰ সহায় আৰু নাজাত প্ৰত্যাশী সকলোৰে বাবে নিজক অযোগ্যতা উপলব্দি কৰাটো অতি আৱশ্যকীয় চৰ্ত।

যথা সম্ভৱ সেনাপতিজনে ভাবিছিল, ডেৰ বছৰ আগত অইন এজন সেনাপতিৰ ক্ষেত্ৰত যি কৰিছিল, তাৰেই পুনৰাবৃত্তি কৰিব, অৰ্থ্যাৎ দুৰৰ পৰাই মুখৰ কথাৰে সুস্থ কৰিব। তেওঁ বিশ্বাস কৰিছিল যে, প্ৰকৃতি ও অসুস্থতাৰ ওপৰত ঈছা মছীহৰ উপযুক্ত ক্ষমতা আছে, যেনেকৈ এজন ৰোমীয় বিষয়া হিচাপে তেওঁৰ গোলাম আৰু সেনাসকলৰ ওপৰত আছে। এইজন পৰজাতিৰ অগাধ বিশ্বাস, জ্ঞান আৰু বিনম্ৰতা চাই ঈছাই আচৰিত হৈছিল। তেওঁৰ চাৰিওপিনে থকা লোকসকলৰ পিনে চাই ক'লে, "বনি-ইজৰাইলৰ মাজতো ইমান গভীৰ বিশ্বাস মই কেতিয়াও দেখা নাই।" উপস্থিত ইহুদী শ্ৰোতাসকলৰ প্ৰতি ভ্ৰুক্ষেপ নকৰি তেওঁ অতি স্পষ্টভাবে কৈছিল যে, আল্লাহই জাতি নিৰ্বিশেষে লোকসকলক গ্ৰহণ নকৰে। তেওঁ কৈছিল, পূব আৰু পশ্চিম দিশৰ বহুতেই বেহেস্থী ৰাজ্যত আহি ইব্ৰাহীম, ইছহাক আৰু ইয়াকুবৰ লগত খাবলৈ বহিব, কিন্তু ৰাজ্যৰ সন্তানসকলক বাহিৰৰ অন্ধকাৰলৈ নিক্ষেপ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰা হব, যত তেওঁলোকে ক্ৰন্দন কৰিব আৰু অসহ্য যন্ত্ৰনাত দাত কৰচনি কৰিব (মথি ৮ঃ১১-১২ আয়াত)। ঈছা মছীহই সু-স্পষ্ট প্ৰমান দাঙি ধৰিছিল যে, তেওঁ সেই সময়ৰ গুণবিশিষ্ট শিক্ষক সকলৰ নিচিনা শিক্ষক নাছিল, নাইবা সেই বিষয়ে তেওঁ সাধাৰণ মানুহ মাত্ৰও নাছিল। তেওঁৰ চিন্তাধাৰা সমূহ সেই সময়ৰ লোকসকলতকৈ সম্পূৰ্ণ স্বাধীন আছিল। মূলতঃ তেওঁলোকেই সম্পূৰ্ণ বিপৰীত আছিল। আল্লাহৰ দ্বাৰা মান্য হোৱাৰ বাবে ইহুদী জাতিৰ অন্তৰ্ভূক্ত হব লাগে বুলি যি চৰ্ত আছিল, ইয়াতে তেওঁ সেই ধাৰণাটোক খণ্ডণ কৰিছিল।

সেনাপতিৰ ঘৰত প্ৰবেশ নকৰিয়ে ঈছা মছীহই তেওঁৰ উত্তৰ তেওঁলৈ পঠাই দিছিল, "আপুনি যাওঁক। আপুনি বিশ্বাস কৰাৰ দৰেই হওঁক" (মথি ৮ঃ১৩ আয়াত)। ঠিক সেই মুহুৰ্ততে গোলামজন ভাল হৈছিল। খবৰ দিওতাসকলে ঘৰলৈ উভতি গৈ গোলামজনক সুস্থ দেখা পালে। সেনাপতিৰ মাজত ভবিষ্যতৰ পৰজাতি বিশ্বাসীসকললৈ আগবাঢ়ি অহা ফল দেখা পাই আনন্দিত হৈছিল। প্যালেষ্টাইনত তেওঁৰ পাৰ্থিব জীৱন কালতেই যে তেওঁলোকে সেয়া কৰিছিল এনেকুৱা নহয়, কিন্তু বৰ্তমানলৈয়ো তেওঁলোকে আমালৈ সেয়া কৰিয়েই আছে।

প্ৰিয় পাঠক/ পাঠিকা,

আপুনি নিজকে আল্লাহৰ পৰা ক্ষমা পোৱাৰ অযোগ্য বুলি ভাবেনে? আপুনি মোবাৰক। এইটোয়ে ক্ষমাৰ বাট পোৱাৰ আৰম্ভণি। আপোনাৰ বাবে সলীৱৰ ওপৰত কুৰবানী হোৱা ঈছাৰ জৰিয়তে আল্লাহৰ ওচৰত ক্ষমা খোজক। মছহীৰ পূৰ্ণ ক্ষমতাত ঈমাদাৰ কৰি তুলিবলৈ আল্লাহক অনুৰোধ কৰক।



## দহ

# এজন মৃত যুবকক ঈছা মছীহই জীৱন দিয়া

*"ইয়াৰ কিছু সময় পিছত ঈছাই নায়িন নামৰ গাৱলৈ যাত্ৰা কৰিলে। তেওঁৰ পিছে পিছে তেওঁৰ উম্মত আৰু আন বহুতো লোকেও গৈ আছিল। যেতিয়া তেওঁ সেই গাওঁৰ দুৱাৰ মুখ পালে, তেতিয়া মানুহবোৰে এটা মৃতদেহ বাহিৰলৈ লৈ গৈ আছিল। মৃত লোকজন আছিল এগৰাকী বিধৱাৰ একমাত্ৰ সন্তান। নগৰৰ বহুতো মানুহ সেই বিধৱাৰ লগত আছিল। বিধৱাক দেখি ঈছাৰ মন কৰুণাৰে পূৰ্ণ হ'ল। তেওঁ বিধৱাজনীক ক'লে, "নাকান্দিবা।" পিছত তেওঁ মৃতদেহৰ ওচৰলৈ গৈ চাঙি স্পৰ্শ কৰাত মানুহবোৰে ৰৈ দিলে। ঈছাই ক'লে, "যুবক, মই তোমাক কৈছো, উঠা।" তাতে সেই মৰা মানুহজন উঠি বহিল আৰু কথা কবলৈ ধৰিলে। ঈছাই তেওঁক তেওঁৰ মাকৰ ওচৰলৈ উভতাই দিলে। এয়া চাই তেওঁলোকে ভয় পালে, পিছত আল্লাহৰ প্ৰশংসা কৰি ক'বলৈ ধৰিলে, "আমাৰ মাজত এজন মহান নবী উপস্থিত হৈছে। আল্লাহে ৰহমত কৰিবলৈ তেওঁৰ বান্দাৰ ফালে মনোযোগ দিছে।" ঈছাৰ বিষয়ে এই কথা সমগ্ৰ এহুদিয়া প্ৰদেশ আৰু তেওঁৰ ওচৰে পাজৰে থকা সকলো ঠাইত বিয়পি পৰিল"* (লূক ৭ঃ১১-১৭ আয়াত)।

ঈছা মছীহই নাচৰৎৰ পৰা নায়িন গাৱলৈ যাত্ৰা কৰিলে। খোজ কাঢ়ি যাবলৈ এদিন লাগিছিল। জীৱনৰ গৰাকী আৰু তেওঁৰ পিছে পিছে অসংখ্য লোকে লগ পালে এটি চাংত বৈ নিয়া মৃতদেহৰ মিছিল যিটোৰ নেতৃত্ব দিছিল



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

স্বয়ং যমদূত। মৃত ব্যক্তিজন আছিল বিধৱা মাকৰ একমাত্ৰ সন্তান। তেওঁৰ গভীৰ শোক আৰু দুখৰ সহভাগীহৈ গাওঁবাসীয়ে সন্তানটোক সমাধিস্ত কৰিবলৈ তেওঁক বাট দেখুৱাই লগে লগে গৈ আছিল। হঠাত তেওঁলোকে পুনৰুত্থান ও জীৱিত মছীহৰ লগ পালে, যিজনৰ ওচৰৰ পৰা কেৱল মৃত্যুই নহয়, যমদূতো পলায়।

আমি কল্পনা কৰিলে দেখা পাওঁ যে, যুবকজনৰ ওপৰত বিজয়েৰে অহংকাৰী ও অদৃশ্য চয়তানে চাংৰ উপৰত বহি আছে। এই পৰ্য্যন্ত প্ৰতিটি যুদ্ধত যিজনে তেওঁক পৰাজিত কৰিছে, তেওঁৰ সেই শত্ৰু মছীহৰ নেতৃত্বাধীন লোকসকলক দেখা পাই চয়তানৰ যে কি ভয়ংকৰ পৰিণাম হৈছিল সেয়া আমি কল্পনা কৰিব পাৰো! যিসকল দুষ্টাত্মাগ্ৰস্ত আছিল তেওঁলোকৰ মাজৰ পৰা দুষ্টাত্মা গুচাই দিয়াৰ প্ৰতিটো মুহূৰ্ততে চয়তানে খংত দাত কৰচনি কৰা নাইনে? হয়তো চয়তানে নিজকে এইবুলি শান্তনা লভিছিল যে, এতিয়ালৈকে মছীহই তেওঁৰ মৃত্যুৰ এটি চিকাৰকো কাঢ়ি লোৱা নাই। তেতিয়ালৈ এই ক্ষেত্ৰত তেওঁ আছিল বিনা প্ৰতিদ্বন্দ্বীৰ বিজয়ী ।

ইহুদীসকলে মৃতদেহ কবৰলৈ লৈ যোৱাৰ সময়ত শোকত বিহ্বল হোৱা সকলক শান্তনা দিয়াটো গুৰুত্বপূৰ্ণ ও পবিত্ৰ বুলি বিবেচনা কৰিছিল আৰু এয়া বেহেস্তী পুৰুস্কাৰ যোগ্য বুলি স্থান দিছিল। সেইযুগৰ প্ৰচলিত নিয়ম অনুসৰি, মৃতদেহ কবৰলৈ লৈ যোৱাৰ সময়ত তেওঁলোকক বাট এৰি দিবলৈ মছীহ আৰু তেওঁৰ অনুসাৰীসকলে বাটৰ দাতিত থিয় হোৱা আৰু পিছত তেওঁলোকৰ লগত সহযোগ কৰাৰ কথা। গালীলৰ তিৰোতাসকলে মাজে সময়ে মৃতদেহ কবৰলৈ লৈ যোৱাৰ



সময়ত আগে আগে খোজ কাঢ়িছিল আৰু ইয়াৰে এই বিশ্বাস প্ৰকাশ কৰিছিল যে, নাৰী জাতিৰ মাজেদি গুনাহ আৰু মৃত্যু প্ৰবেশ কৰিছে। কিন্তু ঈছা মছীহই মৃতদেহ কবৰলৈ লৈ যোৱাৰ সময়ত মুখা-মুখিহৈ আগভেটি ধৰিছিল।

এইদৰে শৱ যাত্ৰাৰ দলৰ সৈতে যেতিয়া আনসকলে যোগ দিছিল, তেতিয়া সাধাৰণতে কন্দাকটাৰ পৰিবেশটো বেছি হৈছিল; সেয়ে এই দুটা দলৰ লগ হোৱাত আৰু অধিক শোকাবহ পৰিবেশ দেখা গ'ল, আৰু উচ্চ স্বৰে ক্ৰন্দনৰ শব্দ শুনা গ'ল। অভাগিনী বিধৱাক দেখা পাই ঈছা মছীহই কৰুণাৰে পূৰ্ণহৈ ক'লে, "আৰু নাকন্দিবা।" কন্দাটো ঠিক নহয় বুলি তেওঁ এইষাৰ কথা কোৱা নাই, কাৰণ চকুলোও আল্লাহৰ এটা দান। কন্দাটোও এটা আশীৰ্বাদ হব পাৰে, কিয়নো সেইটোয়ে মনৰ যন্ত্ৰণাৰ পৰা বাহিৰলৈ ওলিয়াই দিয়াৰ বাট মুকলি কৰি দিয়ে। আনৰ প্ৰতি প্ৰেমত যিজনে চকুলো টুকে তেওঁ যে কিমান মহান! আৰু ধৰ্ম্মৰ বিৰুদ্ধাচৰণ কৰা গুনাহৰ বাবে যিয়ে চকুলো টুকে তেওঁৰ সেই চকুলো কিমান আচৰিত! পৰিস্থিতিয়ে দাবী কৰিলেও যেতিয়া এজন মানুহে কান্দিব নোৱাৰে, তেতিয়া তেওঁৰ বাবে আমাৰ ক্ৰন্দন কৰা উচিত। ঈছা মছীহই বিধৱাজনীক কান্দিবলৈ মানা কৰিছিল আৰু তেওঁৰ কথাৰ প্ৰতি মনোযোগ দিয়াৰ উপযুক্ত কাৰণো উল্লেখ কৰিছিল। তেওঁ আগবাঢ়ি গৈ মৰাশ কঢ়িওৱা চাঙিটো স্পৰ্শ কৰাত মৃতদেহ কঢ়িয়াই নিয়াসকলে ৰৈ দিলে। ডেকা, বুঢ়া সকলোৱে মছীহক ভয় পালে আৰু তেওঁৰ আদেশৰ বাবে অপেক্ষা কৰিব ধৰিলে।

নায়িন বাসীৰ এটা ইংগিতত ডেকাজনৰ মৃত ঘোষণা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰিছিল। এতিয়া বাটৰ মাজত সকলোয়ে সেই কণ্ঠধ্বনি শুনা পাব যি জেৰুজালেমৰ ইহুদী নেতাসকলৰ সন্মুখত এটি বাস্তৱ সত্যৰ ঘোষণা দিছিলঃ *"মই আপোনালোকক সচাঁকৈ কওঁ, এনেকুৱা সময় আহি আছে, বৰঞ্চ এতিয়াই আহিছে যেতিয়া মৃতসকলে ইব্‌নুল্লাৰ মাত শুনিব আৰু যিসকলে শুনিব তেওঁলোকে জীয়াই উঠিব"* ( ইউহোন্না ৫ঃ২৫ আয়াত)। এটি আচৰিত কৰ্ম্মৰ দ্বাৰাই মছীহে তেওঁৰ কথা প্ৰমাণ কৰিব। মৰা মানুহজনক মাতি ক'লে, "যুবক, মই তোমাক কৈছো, উঠা।" এই কথাষাৰ তেওঁলোকৰ ওপৰত বজ্ৰপাতৰ দৰে পৰিল। এই কথা সঁচা যে, ইতিমধ্যেই তাত উপস্থিত লোকসকলে এইজনা মহান শিক্ষকৰ কথা শুনা পাইছে যে, তেওঁ ভুত গুচাইছে, বেমাৰক আতৰি যাবলৈ আদেশ দিছে, ধুমুহা বতাহক ধমকিৰে শান্ত কৰিছে, কিন্তু তেওঁলোকে সপোনতো ভাবিব পৰা নাছিল যে, সেই একেই কণ্ঠস্বৰে মৃত্যুৰ পিছত আত্মাক উভতি আহিবলৈ আদেশ দিব পাৰে। দেহলৈ পুনৰ সেই আত্মাৰ স্থাপন কৰাৰ অৰ্থটো হব এই, যি জীৱন মৃতদেহৰ পৰা গুচি গৈছিল সেয়া উভতি আহিব। হয়, তৌৰাত শ্বৰীফত তেওঁলোকে মহান নবীসকলৰ বিষয়ে পঢ়িছে, যিসকলে মুনাজাতৰ লগত মাবুদৰ সৈতে মল্লযুদ্ধ কৰাৰ পিছত মৃতসকলক জীৱন দিছিল। এইসকল নবীয়ে কষ্টকৰ সকলো পদ্ধতি ব্যৱহাৰ কৰিছিল, যিটোয়ে এই নিৰ্দেশ কৰে যে, এনেকুৱা আচৰিত কৰ্ম্ম কোনো সাধাৰণ বিষয় নাছিল। ইয়াৰ বাহিৰেও সেয়া তেওঁলোকে লুকাই কৰিছিল; অকৃতকাৰ্য্যতাৰ ভয়ত, যেন তেওঁলোকে ভয়াতুৰ আছিল। সৰ্ব্বাধিক, ইলিয়াছ নবীৰ সময়ত মৃত্যুৰ পৰা পুনৰুত্থান সংঘটিত হোৱাৰ পিছৰ পৰা ন'শ বছৰ অতিক্ৰম হৈ গৈছিল (১ বাদছাহ নামা



১৭ঃ১৭-২৪ আয়াত দ্ৰষ্টব্য)। ইমান বছৰৰ পিছত তেওঁলোকৰ চকুৰ সন্মুখতে সেয়া পুনৰ ঘটিব পাৰে বুলি তেওঁলোকে কল্পনাও কৰিব পৰা নাছিল। কিন্তু তাত এনকুৱা এজন ব্যক্তি আছিল যিজনে ক্ষমতাৰ সৈতে মৃত্যুৰ মোকাবিলা কৰিছিল। নবীসকলৰ নিচনিা তেওঁ বিনয়েৰে অনুৰোধ জনোৱা নাই। কেনেকুৱা অলৌকিক ক্ষমতা!

ফলাফলৰ জৰিয়তেই আমি ঈছা মছীহৰ আচৰিত কৰ্ম্মৰ সমীক্ষা কৰিব পাৰো। ডেকা ল'ৰাজন উঠি কথা কোৱা আৰম্ভ কৰিছিল। তেওঁ চকু মুকলি কৰি নিজক মৃতদেহ কঢ়িয়াই লোৱা চাংত দেখা পাই নিশ্চয় বিস্মিত হৈছিল। তেওঁৰ মাকে গভীৰ শোক প্ৰকাশ কৰা তেওঁ দেখা পাইছিল আৰু শুনা পাইছিল লোকসকলৰ ক্ৰন্দন। মৃতদেহ কঢ়িওৱা চাং স্পৰ্শ কৰি থকা এজন অপৰিচিত লোকক দেখা পাই আৰু অধিক আচৰিত হৈছিল। এইজন ব্যক্তিৰ মুখ- মণ্ডলত গভীৰ জ্ঞান, বেহেস্তী বিশুদ্ধতা আৰু নদীৰ সোঁতৰ নিচিনা দয়া বৈ যোৱা দেখা পাইছিল।

নায়িনৰ বিধৱাৰ ল'ৰাই যেতিয়া ঈছা মছীহৰ পিনে লক্ষ্য কৰিছিল তেতিয়া ঈছা মছীহৰ অভিব্যক্তি কেনেকুৱা আছিল বাৰু ? অতীত কালৰ লেখকসকলে ঈছা মছীহৰ বাহ্যিক চেহেৰা সম্বন্ধে কিঞ্চিত পৰিমাণ জনাবলৈ চেষ্টা কৰিছে, কিন্তু এই বৰ্ণনাসমূহৰ কোনোটোৰে প্ৰতি আমি নিশ্চিত হব নোৱাৰো। তেওঁৰ শাৰীৰিক সৌন্দৰ্য্য কেনেকুৱা আছিল ? তেওঁৰ সম্পৰ্কে ভৱিষ্যৎবাণী কৰা কোনো কোনো আয়াতত আমি পাঠ কৰিছো যে, তেওঁৰ শাৰীৰিক কোনো সৌন্দৰ্য্য নাছিল, "....তেওঁৰ এনকুৱা ৰূপ বা সৌন্দৰ্য্য নাই যে, তেওঁৰ প্ৰতি দৃষ্টি কৰো; আৰু তেওঁৰ তেনেকুৱা গঠন নাই যে তেওঁক ভাল পাওঁ"



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

(ইশাইয়া ৫৩ঃ২ আয়াত)। আনফালে, তেওঁক দেখাত ধুনীয়া বুলি বৰ্ণনা কৰা অন্যান্য আয়াতো আমি পাঠ কৰো, যেনেঃ গীতৰচকে কৈছে, *"মানুহৰ মাজত তুমি পৰম সুন্দৰ; মধু বৰষা তোমাৰ মুখৰ মাত; এই কাৰণে আল্লাহে তোমাক অনন্তকলীয়া আশীৰ্বাদ দিছে"* (জব্বুৰ শ্বৰীফ ৪৫ঃ২ আয়াত)। *"মোৰ প্ৰিয়জন বগা ও লাল ৰঙৰ; তেওঁ দহ হাজাৰৰ মাজত অগ্ৰগণ্য।...হয়, তেওঁ সকলো দিশৰ পৰা ধুনীয়া"* (ছুলেইমান ৫ঃ১০,১৬ আয়াত)

মছীহৰ শাৰীৰিক গঠন উল্লেখনীয়ভাবে মন আকৰ্ষণ কৰিব পৰা আছিল, এই কথা ভাৰিবলৈ আমি বেছি পছন্দ কৰো। আল্লাহ ধুনীয়া আৰু ধুনীয়াক বেছি ভাল পায়। ইয়াৰ লগত জব্বুৰ শ্বৰীফ লিখকৰ উক্তি সঙ্গতিপূৰ্ণ, *"মাবুদৰ ওচৰত মই এটি বিষয় আবেদন কৰিছো, তাৰেই সন্ধান কৰিম, যাতে গোটেই জীৱন মাবুদৰ ঘৰত বাস কৰো, মাবুদৰ সৌন্দৰ্য্য দেখিবলৈ আৰু তেওঁৰ পবিত্ৰ ঘৰ অনুসন্ধান কৰিবলৈ"* (জব্বুৰ ২৭ঃ৪ আয়াত)। ইয়াত কোনো সন্দেহ নাই যে, আল্লাহে যি সৃষ্টি কৰিছে সেই সকলো ধুনীয়া। যিবোৰ উপকাৰৰ বাবে নহয়, সেয়া গুনাহৰ নাইবা ইয়াৰ সৃষ্টিৰ ফল। নিজৰ দেহৰ যত্ন লোৱাটো অতি গুৰুত্বপূৰ্ণ আৰু যিসকলে তেওঁলোকৰ জীৱনৰ কৰ্ম্মৰ জৰিয়তে সৌন্দৰ্য্য ৰক্ষা কৰিবলৈ উৎসাহিত ও সচেতন, তেওঁলোকে মানব জগতৰ এক উত্তম সেৱা কৰিছে যিটোৰ প্ৰশংসা কৰা ও মনত ৰখা আমাৰ উচিত।

প্ৰাচীনকালৰ কিছুমান লোকে, বিশেষকৈ গ্ৰীক সকলে বাহ্যিক সৌন্দৰ্য্যৰ গৌৰৱ কৰাত এনেকুৱা চৰম পৰ্য্যায়লৈ গৈছিল যে, সৌন্দৰ্য্যকেই তেওঁলোকে উপাসনাৰ



বিষয়লৈ পৰিণত কৰিছিল। অন্যান্য ভ্ৰান্ত ধৰ্ম্মৰ নিচিনাকৈ সেয়া বিকৃত বা জঘন্যতমৰ ফালে পৰিচালিত কৰিছিল। কিন্তু সৌন্দৰ্য্যৰ প্ৰতি তেওঁলোকৰ উৎসাহে তেওঁলোকৰ সভ্যতাক উন্নত কৰিবলৈ তেওঁলোকক সহায় কৰিছিল, যিয়ে জাতিবোৰৰ মাজত তেওঁলোকৰ সুনাম অমৰ কৰিছে।

যিমান সম্ভৱ ঈছা মছীহৰ দৈহিক গঠন আকৰ্ষণীয় আছিল, কিয়নো একমাত্ৰ তেঁৱেই পাক ৰূহৰ দ্বাৰা কুমাৰীৰ গৰ্ভত স্থিতি লৈছিল। ইজৰাইলৰ হাজাৰ হাজাৰ কুমাৰীৰ মাজৰ পৰা সেই দেহ ধাৰণ কৰিবলৈ মনোনীত কৰিছিল যত মাবুদে বাস কৰিব। মছীহ যে সুঠাম চেহেৰা সম্পন্ন আছিল সেই সম্পৰ্কে আমাৰ ধাৰণা আৰু অধিক সু-স্পষ্ট হয় এই জ্ঞানৰ দ্বাৰা যে, আন্তৰিক সৌন্দৰ্য্য বাহ্যিকভাবে প্ৰকাশিত হয়। গুনাহবিহীন ব্যক্তি ঈছা মছীহ নিশ্চয় ব্যক্তিগত ও আধ্যাত্মিক সৌন্দৰ্য্যৰ গৰাকী আছিল যিয়ে বহুতকে, এনেকি তেওঁৰ শত্ৰুসকলোকো ইতিবাচক অৰ্থলৈ প্ৰভাৱিত কৰিছিল।

ঈছা মছীহই জগতৰ পৰা মৃত্যু দূৰ কৰা নাই। এনেকুৱা বেহেস্তী সিদ্ধান্ত বিলুপ্ত কৰাটো সম্ভৱ নহয়, যদিও কোনো কোনো ক্ষেত্ৰত সেয়া স্থগিত কৰা হৈছিল। ঈছা মছীহই তেওঁৰ মহান ক্ষমতাৰ দ্বাৰা মৃত ব্যক্তিজনক জীৱনলৈ পুনৰুত্থান কৰি লোকসকলক বিবুদ্ধিত পেলাব বিচাৰা নাছিল; তেওঁৰ অন্তৰত বিধৱাজনীৰ প্ৰতি কৰুণাবোধ জগাবলৈ প্ৰেৰনা আছিল। মানবজাতিক মৃত্যুৰ অধীনলৈ ৰাখি আৰু লোকৰ হৃদয়ৰ পৰা মৰম চেনেহ ও দয়া অপসাৰণ কৰিবলৈ চয়তানে আনন্দিত হয়। বিধৱাৰ প্ৰতি মছীহৰ দয়াটো আছিল চয়তানৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰ্ম্মক পৰাজয় কৰাৰ এটি উপায়। যুবকজনে জীৱনলৈ উভতি অহা মাত্রেই ঈছা মছীহই তেওঁক তেওঁৰ মাকৰ ওচৰলৈ উভতাই দি তেওঁক এই কথাই কৈছিল, “এতিয়া তুমি নিশ্চয় বুজিব পাৰিছা, কিয় মই তোমাক কান্দিবলৈ মানা কৰিছিলো।” ঈছা মছীহৰ প্রতিজন অনুসাৰীৰ অন্তৰত দয়া ও কৰুণা একেলগে সংযুক্ত হয়। সেয়া হয় এই আদেশটোৰ প্ৰতি বাধ্যতাৰ কাৰণে, *“যিসকলে আনন্দ কৰে, তেওঁলোকৰ লগত আনন্দিত হোৱা; যিসকলে ক্রন্দন কৰে তেওঁলোকৰ লগত ক্ৰন্দন কৰা”* (ৰোমীয়া ১২ঃ১৫ আয়াত)।

ইয়াত কোনো সন্দেহ নাই যে, নায়িনৰ বিধৱা ও তেওঁৰ ল'ৰাই নাজাতদাতা মছীহৰ ওপৰত ঈমান আনিছিল। আমি মন চকুৰে এই দুজনক ঈছা মছীহৰ একান্ত বিশ্বাসী অনুসৰণকাৰী হিচাপে দেখা পাও। নায়িনত বিশ্বাসৰ বীজ ৰোপন কৰা হৈছিল; নগন্য নায়িনক ঈছা মছীহই বিখ্যাত কৰি তুলিছিল। এই মহান কাৰ্য্যটোয়ে গোটেই পৃথিৱীত ঈছা মছীহৰ সুখ্যাতি বিয়পাইছিল। ইয়াৰ ফলটো হৈছিল এই, তেওঁলোকে ভক্তিপূৰ্ণ ভয়েৰে পূৰ্ণ হৈ এইবুলি মাবুদৰ গৌৰৱ কৰিছিল যে, তেওঁলোকৰ মাজত এজন মহান নবীৰ আবিৰ্ভাৱ ঘটিছে।



## এঘাৰ
## অভীক্ষা

যদি আপুনি মনোযোগেৰে কিতাপখন পঢ়িছে, তেনেহলে অতি সহজতেই তলৰ প্ৰশ্ন সমূহৰ উত্তৰ দিব পাৰিব। উত্তৰ সমূহ ডাক যোগে আমাৰ ওচৰলৈ পঠাই দিয়ক। আপুনি যদি পোন্ধৰটা প্ৰশ্নৰ উত্তৰ সঠিকভাবে দিব পাৰে, তেন্তে উপহাৰ হিচাপে আমাৰ প্ৰকাশিত আন এটা কিতাপ আপোনালৈ পঠাই দিম।

দয়া কৰি আপোনাৰ নাম ও ঠিকনা স্পষ্ট কৰি লিখিবলৈ নাপাহৰিব।

১। মছীহই কুষ্ঠৰোগীজনৰ এবাদত গ্ৰহণ কৰাৰ তাৎপৰ্য্য কি ?

২। ঈছা মছীহই কুষ্ঠৰোগীজনক কিয় স্পৰ্শ কৰিছিল ?

৩। কিয় পিতৰে তেওঁৰ ওচৰৰ পৰা ঈছা মছীহক আতৰি যাবলৈ কৈছিল ?

৪। চাৰিজন লোকে যি তিনিটা উপায়েৰে তেওঁলোকৰ ৰোগাক্রান্ত বন্ধুক সহায় কৰিছিল সেইবোৰ উল্লেখ কৰক।

৫। ঈছা মছীহই কুষ্ঠৰোগীজনৰ গুনাহ মাফ কৰিছিল– এই মাফৰ অৰ্থ কি ?

৬। ঈছা মছীহই কৰ আদায়কাৰী মথিক আহ্বান দিয়তৰ পৰা আপুনি যি তিনিটা শিক্ষা পাইছে সেইবোৰ উল্লেখ কৰক।

৭। মন পৰিবৰ্তনৰ চাৰিটা পদক্ষেপৰ তালিকা দিয়ক।

৮। হতাশাই কেনেকৈ আমাক মাবুদৰ পিনে ঠেলি দিব পাৰে ?

৯। আঠত্ৰিছ বছৰ ধৰি বেমাৰত ভোগা ব্যক্তিজনক ঈছা মছীহই কিয় সুস্থ কৰাৰ বাবে বাছি লৈছিল ?

১০। “তুমি সুস্থ হোৱাটো বিচৰানে ?” কিয় ঈছা মছীহই



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

এই প্ৰশ্নটো পুখুৰীৰ ওচৰত থকা বেমাৰী মানুহজনক সুধিছিল ?

১১। ঈছা মছীহ যে আল্লাহৰ পুত্ৰ, এই সম্পৰ্কে পাঁচটা সাক্ষ্য কি কি ?

১২। ঈছাইয়া ৫৮ঃ৩-৭ আয়াত অনুসৰি, আল্লাহই কেনেকুৱা ৰোজা কবুল কৰে ?

১৩। ঈছা মছীহৰ নতুন শিক্ষা গ্ৰহণ কৰিবলৈ সক্ষম হোৱাৰ বাবে অন্তৰৰ অৱস্থা কি হব লাগে ? অন্তৰৰ সেই অৱস্থা পাবলৈ প্ৰতিজন ব্যক্তিয়ে অৱশ্যই কি কৰিব লাগিব ?

১৪। 'মোবাৰক' কথাটোৰ অৰ্থ কি ?

১৫। আঠ ধৰণৰ লোকক ঈছা মছীহই মোবাৰক বুলি উল্লেখ কৰিছে। এই লোকসকলৰ এটি তালিকা প্ৰস্তুত কৰক।

১৬। সাক্ষ্যদানৰ সময়ত আমি শপথ খোৱাটো উচিত নহয় কিয় ?

১৭। প্ৰভুৰ প্ৰাৰ্থনা কৰাৰ সময়ত ঈছা মছীহই কিয় 'আমাৰ পিতা' বুলি আৰম্ভণ কৰিছিল ?

১৮। ঠেক ও বহল দূৱাৰৰ সুবিধা আৰু অসুবিধাসমূহ কি কি ?

১৯। যেতিয়া আমি ঈছা মছীহৰ কাষলৈ আহো তেতিয়া আমাৰ বেলেগ কোনো মধ্যস্থতাকাৰীৰ প্ৰয়োজন নহয় কিয় ?

২০। নায়িনৰ বিধৱাৰ সন্তানক জীৱন দানৰ আচৰিত কৰ্ম্মৰ পৰা আপুনি কি শিক্ষা পাইছে ?



**মই তোমালোকক অতি স্বৰূপকৈ কওঁ, তোমালোকে বেহেস্তৰ দৰ্জা মুকলি হোৱা, আৰু মানুহৰ পুত্ৰৰ ওপৰত খোদাৰ ফিৰিস্তাবিলাকক উঠা আৰু নমা দেখিবা।**

ইউহোন্না ১:৫১



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com